# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Satayandra Nath Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Patākaikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1957 (1879 Sak) | Edition: |
| Size: 24 cms | Genre: Magazine |
| Volumes: 16 - 3 issues | Condition of the original: good |
| Remarks: 1st volume was published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# অসম সাহিত্য সভা পত্ৰিকা

ষোড়শ বছৰ

প্ৰথম সংখ্যা

সম্পাদক—শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা

## সম্পাদনা সমিতি


| | |
|---|---|
| শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী | অধ্যক্ষ হেম বৰুৱা |
| শ্ৰীপৰাগধৰ চলিহা | শ্ৰীলক্ষ্মীনাথ দাস |
| শ্ৰীনৱকান্ত বৰুৱা | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |

শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা ( সম্পাদক )


## সূচী


| বিষয় | লেখক | পিঠি |
|---|---|---|
| ১। ওমৰ খায়াম | শ্ৰীযতীন্দ্ৰনাথ দুৱৰা | ১ |
| ২। কামাখ্যাত শিখগুৰু তেগ বাহাদুৰ | শ্ৰীৰাজমোহন নাথ, বি-ই, তত্ত্বভূষণ | ১০ |
| ৩। কেৱল ঘোষা আৰু সম্প্ৰদায় | শ্ৰীলীলা গগৈ | ১৪ |
| ৪। অহল্যাজাৰ ইন্দ্ৰ | শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, এম-এ | ২৩ |
| ৫। আতন বুঢ়া গোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়া | ডাঃ সূৰ্য্যকুমাৰ ভূঞা | ২৭ |
| ৬। অসমৰ ধৰ্ম্ম, সাহিত্য আৰু কলালৈ কাল-সংস্কৃতিৰ অৱদান | শ্ৰীমোহনচন্দ্ৰ মহন্ত, বি-এস | ৩৪ |
| ৭। অসমীয়া জন-সাহিত্যত সাধুকথাৰ ইঙ্গিত | শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস | ৩৮ |
| ৮। বৰগীত আৰু শাস্ত্ৰীয় সঙ্গীত | শ্ৰীলক্ষ্মীনাথ দাস, শ্ৰীদেবেন্দ্ৰনাথ চাংকাকতী, শ্ৰীমহেশ্বৰ নেওগ | ৪১ |
| ৯। পুথি-পৰিচয় | — | ৪৯ |
| ১০। সাহিত্য সভাৰ বাহিৰে ভিতৰে | শ্ৰীপৰাগ চলিহা | ৫৪ |
| ১১। সম্পাদকৰ দুআষাৰ | — | ৫৮ |


অসম সাহিত্য সভা

কমলাদেৱী ন্যাস সমিতি

## শিশু-সাহিত্য বিষয়ক পুথিৰ বাবে বঁটা

### জাননী

অসম সাহিত্য সভাৰ কমলাদেৱী ন্যাস সমিতিৰ জৰিয়তে "বিজ্ঞানৰ কথা" নাম দি, শিশুৰ উপযোগীকৈ তলত দিয়া মতে বৈজ্ঞানিক তত্ত্বমূলক পুথি ৰচনাৰ বাবে আহ্বান জনোৱা হৈছে। পুথি গাইগুটীয়া বা যুটীয়াকৈও লিখিব পাৰিব। ৰচনাসমূহ বিশেষজ্ঞৰ হতুৱাই পৰীক্ষা কৰোৱাই শ্ৰেষ্ঠ-জনক নগদ ৩০০৲ ( তিনিশ টকা ) বঁটা আৰু মুঠ দুশ টকা দামৰ ছপাহোৱা কিতাপ দান দিয়া হ'ব। এই পুথিৰ ছপা, বিতৰণ আদিৰ কৰ্তৃত্ব আৰু দায়িত্ব সম্পূৰ্ণৰূপে অসম সাহিত্য সভাৰ হাতত থাকিব।

বঁটাৰ বাবে অহা পুথি, অহা ১৫ আগষ্ট ১৯৫৭ তাৰিখৰ ভিতৰত আমাৰ হাতত পৰিবহি লাগিব।

**"বিজ্ঞানৰ কথা"ৰ বিষয় সমূহ ঃ—**

১। **যান-বাহন**—( ক ) ৰেল-গাড়ী ( খ ) জাহাজ ( গ ) মটৰ-গাড়ী ( ঘ ) উৰা-জাহাজ।

২। **ডাক-তাঁৰ বিভাগ**—( ক ) ডাক ( খ ) টেলিগ্ৰাফ ( গ ) টেলিফোন।

৩। **অনাতাঁৰ**—( ক ) ৰেডিঅ' ( খ ) বোলছবি ( গ ) টেলিভিছন্।

৪। **আণৱিক শক্তি**।

৫। **জল-বিদ্যুৎ**।

৬। **ছপাখানা**—( ক ) টাইপ-ৰাইটিং ( খ ) ছট-হেণ্ড।

৭। **চিকিৎসা-বিজ্ঞানৰ মূল কথা**—( ক ) আধুনিক আবিষ্কাৰ ( খ ) খাদ্য-প্ৰাণ।

( স্বাঃ ) শ্ৰীপৰাগ চলিহা

প্ৰধান সম্পাদক

**অসম সাহিত্য সভা**

শিৱসাগৰ।

# অসম সাহিত্য সভা পত্ৰিকা

ষোড়শ বছৰ | ১৮৭৯ শক, বহাগ-শাওন | প্ৰথম সংখ্যা

## ওমৰ খায়াম

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা

"ফুল কলি ফুলি গোন্ধে
বোৱাই প্ৰীতিৰ সোঁত
সবি পাছে নাইকীয়া হ'ল।
যি ফুলেৰে মউ পিয়া
এটা ভোমৰা বলিয়া
ঘূৰি ঘূৰি ফুৰিছে অকল।
উৰি ফুৰি বেজাৰৰ
হৃদয় ৰাগিণী তাৰ
বৰষি যে সিও গুচি গ'ল।
ক'ৰ কোন কিবা হ'ল
চিন স্মৃতি পমি গল
প্ৰকৃতিয়ে তেনেকৈয়ে ৰ'ল!"

ঠিক তেনেকৈয়ে ৰ'ল, ফুল ফুলিলে, গোন্ধ বিলাই জগতক মোহিত কৰিলে,—ছদিনলৈ আনন্দ দিলে; তাৰ পাছত সবি কেনিবা নাইকিয়া হ'ল প্ৰকৃতিৰ বুকুত কিন্তু এটি আচোঁ বহুৱাব নোৱাৰিলে। বুঢ়া সংসাৰে তাৰ লাথুটিৰ ওপৰত ভৰ দি আগবাঢ়ি যাবই লাগিছে, দিনৰ পোহৰ বা ৰাতিৰ আন্ধাৰে তাৰ অপ্ৰতিহত গতিত অকণো বাধা দিব পৰা নাই। "The reapers reaped, the sun fell and all the land was dark." এই সংসাৰত গতি চিৰকাল একেদৰে চলি আহিছে আৰু চলিয়েই থাকিব। জগতৰ ধুমুহা বা মানুহৰ বিলাই-বিপত্তিলৈ ভ্ৰূক্ষেপ কৰিবৰ সময় নাই, তাৰ অপ্ৰতিহত গতিত কাৰো বাধা দিবৰ শক্তি নাই। কিছুমানে কয় যে সৃষ্টিৰ গুৰিতে ঈশ্বৰৰ মঙ্গলময় শক্তি নিহিত আছে আৰু সৃষ্টিৰ প্ৰত্যেক ঘটনাতে সেই শক্তিৰ বিকাশ

দেখিবলৈ পোৱা যায়। যেনে শ্বেক্সপিয়েৰে কয়, "There's divinity that shapes one's end, rough hew them how we will."

ই যদি মঙ্গলময় শক্তি হয়,—divinity হয়, তেন্তে ইয়াৰ কামবোৰ মঙ্গলময় নহৱ কিয়? জগতত অনাদি কালৰে পৰা কিয় এই ধ্বংসৰ লীলা চলি আহিছে? দুখুনী বাঁৰীৰ আশ্ৰয়স্থল চকুৰ মণি একেটি পুতেকক মাৰি নি সেই দুখুনীক জগতত একেবাৰে নিৰাশ্ৰয়া কৰি এৰি দিয়াৰ উদ্দেশ্য কি? মনৰ আনন্দেৰে পহু পোৱালিটিয়ে হাবিৰ মাজত অকলে অকলে চৰি ফুৰিছিল,—সাক্ষাৎ যমৰ দৰে বাঘ আহি একে কামোৰতে তাৰ ক্ষুদ্ৰ জীৱনটি শেষ কৰি কি মঙ্গল উদ্দেশ্য সিদ্ধি কৰিলে কোনে কব? দিনে দিনে জগতত এই বিৰাট হত্যাৰ অভিনয় কিয়, ইয়াতো কি দেৱতাৰ মঙ্গলময় উদ্দেশ্য লুকাই আছে?

আন কিছুমান দাৰ্শনিকে কয় যে ই এক অচেতন প্ৰেৰণা মাথোন। কোন অনন্তৰ সুদূৰ লক্ষ্য ধৰিয়াই এই অন্ধ শক্তি মহা প্ৰতাপেৰে উদাসভাৱে চলিব লাগিছে, ক'ত তাৰ শেষ কোনেও নাজানে। ই একোকে নুবুজে, একোকে নুশুনে। সংসাৰৰ কৰুণ কান্দোনে ইয়াৰ কঠোৰ হিয়া কোমলাব নোৱাৰে। এই শক্তিৰ আগত মুহূৰ্ত্তে মুহূৰ্ত্তে কত ঠাইত কত লাখে লাখে জীৱ উৎপন্ন হব লাগিছে, নগৰ সাগৰ হৈছে, সাগৰ নগৰ হৈছে, ই এফালে যেনেকৈ ধ্বংস কৰিছে, আনফালে তেনেকৈ সৃষ্টিও কৰিছে। যি আজি নিজৰ গৌৰৱত গৌৰৱান্বিত হৈ বং মনেৰে জগতত নাচি ফুৰিছে, সিয়ে হয়তো কাইলৈ মাটিত পৰি ছটফটাই নিজৰ অতীত গৌৰৱক মাটিৰ লগতে মিহলাই দিছে,—

"The boast of heraldry, the pomp of power,
And all that beauty, all that wealth e'er gave.
Awaits alike the inevitable hour :—
The path of glory leads but to the grave"

মৃত্যুৰেই জীৱনৰ পৰিণাম। তাৰ হাত সাৰিবৰ উপায় নাই। মিছা সেই শক্তিৰ ওচৰত কাতৰ প্ৰাৰ্থনা,—মিছা তাৰ কাষত সুখৰ আকুল কামনা, মিছা পুণ্যৰ পুৰস্কাৰ,—মিছা পাপৰ প্ৰায়শ্চিত্ত।

তেন্তে ই কি সঁচাকৈয়ে অচেতন শক্তি? ওমৰ খায়ামে কয় যে এই শক্তি অচেতন নহয়, অজ্ঞান নহয়; ই এক সজাগ শক্তি। জগতৰ এক স্বেচ্ছাচাৰী অভিনেতা—নিজৰ ইচ্ছাৰে ভাঙ্গিছে, গঢ়িছে, নিজৰ ইচ্ছামতে বং-ধেমালী কৰিছে, নিজক লৈয়ে নিজে মত্ত আছে; ই যদি এক অচেতন শক্তি হলহেঁতেন, তেন্তে সৃষ্টিৰ চেতনাৰ সঞ্চাৰ নাথাকিলহেঁতেন আৰু এনে শৃঙ্খলা বিৰাজ নকৰিলহেঁতেন। অচেতন শক্তিয়ে কেনেকৈ সৃষ্টিৰ ভিতৰত এনে সৌন্দৰ্য্যৰ সমাবেশ কৰিব? তটিনীৰ কুলুকুলু সুৰ, বিহগৰ মধুৰ সঙ্গীত, শৰতৰ শুভ্ৰ মেঘমালা, পূৰ্ণিমাৰ জোনাক জেউতিয়ে কাৰ প্ৰাণত আনন্দৰ লহৰী তুলি নিদিয়ে? জগতত কোন এনে দিন-কণা আছে যি প্ৰকৃতিৰ সৌন্দৰ্য্যত মোহ নাযায়। অচেতন শক্তিৰ সাধ্য কি প্ৰাণৰ মাজত চেতনাৰ সঞ্চাৰ কৰে? জ্যোতিৰ্ব্বিদ ওমৰে এই শক্তিক কেতিয়াও অচেতন বুলি নকয়, তেওঁ কয় এই সৌন্দৰ্য্যময়ী সৃষ্টি, জগতত এই লীলা-বৈচিত্ৰ্য স্ৰষ্টাৰ নিজৰ সুখৰ কাৰণে, তোমাৰ মোৰ কাৰণে নহয়। আমি তেওঁৰ পুতলা মাথোন। কুমাৰৰ চাকত দিনে ৰাতিয়ে হাজাৰে হাজাৰে কত মাটিৰ পাত্ৰ তৈয়াৰ



হব লাগিছে, তাৰ ভিতৰত কেইটা ভাগিছে, কেইটা দেখিবলৈ অভজা হৈছে, কুমাৰে জানো তাৰ হিচাব ৰাখিছে বা তাৰ কাৰণে কিবা ভাবিছে? তাৰ ভঙা-ছিঙাৰ লেখৰ কি প্ৰয়োজন? হাজাৰৰ ভিতৰত যি কেইটা থাকি যায় সেয়ে যথেষ্ট। আমিও সেই বিশ্ব-খনিকৰৰ মাটিৰ পুতলাৰ দৰে, আমাৰ সুখ-দুখৰ কাৰণে তেওঁৰ ভাবিবৰ আৱশ্যক কি? আমাৰ দুখৰ কৰুণ কান্দোনে তেওঁৰ প্ৰাণ ভেদিব নোৱাৰে। ইপুৰী সিপুৰী সকলো মিছা, ই কবিৰ কল্পনা, মাথোন অলীক সপোন।

ইপুৰী সিপুৰী বুজালে বহুত জ্ঞানৰ গভীৰ তৰ্ক কৰি।
ক'ত আজি সেই সাধু মহাজন, কোনে আজি মাত নিলোনো হৰি॥
ক'ত সিসৱৰ অতীত বিধান হাঁহি তিলেকতে কেনিবা গ'ল।
মাটিৰ মানুহ মাটিয়ে ঢাকিলে মাটিৰ লগতে মিহলি হ'ল॥

যাক চেনেহেৰে সাৱটি ধৰি বুকুৰ মাজত ৰখাইও হেঁপাহ নপলাইছিল আজি তেওঁলোক কলৈ গ'ল? ইয়াতে একেলগে থাকি উমলি জামলি ডাঙৰ দীঘল হোৱা লগৰীসকলৰ বহুতক দেখোন আজি দেখা নাই? আমিও সেইদৰে এদিন যাব লাগিব। এই জগতৰ আলহী ঘৰত আমাৰ আসন শূন্য হলেই ততালিকে আনে আহি আমাৰ শূন্য আসন পুৰাবাহি।

কত প্ৰিয়জন যতনেৰে যাক চেনেহৰ মালা পিন্ধালো আহি।
কত ভাগ্যৱান জগতত যাৰ গোটেই জীৱন মধুৰ হাঁহি।
খন্তেকৰ আগে জীৱনৰ সুধা ঢালি আপোনাৰ পিয়লা ভৰি।
কোন দেশলই গ'ল তেওঁলোক আলহীঘৰৰ আসন এৰি॥
তেওঁলোকে সেই এৰা আসনতে যত লগৰীয়া বঙতে আজি
হাঁহিছো গাইছো পিয়লা ভৰাই মিলিছো ৰঙিন সাজেৰে সাজি॥
দুদিনৰ পাছে সকলোৰে শেষ মিলনৰ ঠাই মৰণ পুৰি॥
আমাৰ পিছত আৰু কতজনে বহিব ইদৰে আসন জুৰি॥

আমাৰ জীৱন দুখৰ যন্ত্ৰণাতেই অৱসান হওক বা সুখৰ মাজতেই শেষ হওক কোনেও তালৈ মন নকৰে। তুমি আমি কোন যে বিধতাই মৰণৰ পাছত সিপুৰীত আমাৰ কাৰণে উদ্যানৰ উপবন বা সুখৰ প্ৰাসাদ সাজি থব? গৃহস্থই মাটিৰ পাত্ৰ যিমান দিনলৈকে আৱশ্যক সিমান দিনলৈকে ব্যৱহাৰ কৰে, কাম শেষ হলেই দলিয়াই পেলাই দিয়ে। কেতিয়া কোন যুগত সেই ভগা পাত্ৰৰ ওপৰত মানুহে সোণৰ মন্দিৰ সজাই দিছে কোনোবাই কব পাৰেনে? এবাৰ মৰিলেই সকলো শেষ, দুনাই নতুন জীৱন লৈ সংসাৰত ফুৰিবলৈ নোপোৱা।

আহাঁ তেন্তে হেৰা খায়ামৰ সতে এৰা জ্ঞানীলই জ্ঞানৰ ঠাই।
এটি কথা মোৰ ৰাখিবা মনত পলে পলে সখা জীৱন যায়॥
এই পৃথিৱীত এয়ে মাথো সঁচা বাকী সকলোটি তেনেই ভুল।
এবাৰ সৰিলে সৃষ্টিৰ বুকুত দুকুলে দুনাই জীৱন ফুল॥

সেই কাৰণে পৰলোকৰ সুখৰ আশাত জীৱনক এই জগতত বঞ্চিত নকৰিবা। প্ৰতি মুহূৰ্ত্ততে আনন্দ কৰা, স্ফূৰ্ত্তি কৰা। প্ৰতি মুহূৰ্ত্তকে টানি আনি উপভোগ কৰা, পলে পলে জীৱন যাবই লাগিছে, এই জীৱন সাৰ্থক কৰা, অতীতৰ অনুশোচনাত একো লাভ নাই, বৰ্ত্তমানক টানি জীৱনক আনন্দৰ লগৰী কৰি লোৱা।

আজি বসন্তৰ মধুৰ পৱন বইছে ধীৰেৰে জুৰাই প্ৰাণ।
ঢালা ইয়াতেই জাৱৰ কুঁৰলী আৰু অন্তৰৰ বিষাদ গান॥
পিয়লাটি মোৰ ধৰাহি মুখত আহাঁ প্ৰাণসখা সময় নাই।
পাখি মেলি সউ জীৱন বিহঙ্গ অনন্তৰ পিনে উৰি যে যায়॥

ভবিষ্যতৰ সুখৰ আশাত বা সিপুৰীত সৰগৰ সুখৰ কাৰণে যিসকলে বৰ্ত্তমানত কষ্ট ভোগ কৰে, তেওঁলোকৰ মাথোন ছাঁৰ পাছে পাছে লৰোঁতেই জীৱন যায়, আচল সুখ চকুৰ আগতে ফাঁকি দি পলাই যায়, ধৰিবই নোৱাৰে।

বাজসুখ আশে কোনোবা বলিয়া, কোনেৰে বিচাৰে
সৰগ সুখ।
ছাঁৰ পাছে পাছে লৰোতে সদাই ইফালে নভৰে ঘৰত মুখ॥
লোৱা ততালিকে যি পোৱা হাতত নোপোৱা যিখিনি
থাকক বাকী।
দূৰৰ বাজনা শুনিলে কি হব মাজত তোমাৰ তেনেই ফাকি॥

এই কবি ওমৰ খায়াম খোৰাচান প্ৰদেশৰ নিচাপুৰত কেতিয়ানো উপজিছিল কোনেও সঠিক কব নোৱাৰে, মাথোন বহুতে ভাবে যে খৃষ্টীয় একাদশ শতাব্দীৰ শেহভাগত তেওঁৰ জন্ম হৈছিল। ছাত্ৰ অৱস্থাত তেওঁ নিচাপুৰৰ বিখ্যাত অধ্যাপক ইমাম্ মোৱাফিকৰ চৰণ তলত বহি বিদ্যা অৰ্জ্জন কৰিছিল। লৰাকালৰে পৰা তেওঁ গণিতৰ অধ্যয়নত বেচি মন দিছিল আৰু অকলে অকলে বহি গ্ৰহ নক্ষত্ৰৰ গতিবিধি পৰ্য্যবেক্ষণ কৰিবলৈ ভাল পাইছিল। ছাত্ৰ অৱস্থাত ওমৰে দুজন বন্ধু লাভ কৰিছিল, এজন খোৰাচানৰ শাসনকৰ্ত্তা, আলাপাৰ্চিলনৰ প্ৰধানমন্ত্ৰী "চিয়াচৎনামা"ৰ লেখক বুৰঞ্জী বিখ্যাত নিজামল্‌মুলক আৰু আনজন হাচান বেন চাৰ্ব্বা। যদিও শেহৰ জনক নিয়তিৰ চক্ৰই আনফালে টানি নিলে,—তেওঁ ৰাজনৈতিক ষড়যন্ত্ৰ আৰু মৰামৰি কটাকটিৰ কাৰণে বুৰঞ্জীৰ পাতত হাচান বেন চাৰ্ব্বা—the assasin বুলি বিখ্যাত হৈছিল।

সেই সময়ত তাৰ মানুহৰ বিশ্বাস আছিল যে যেয়ে ইমাম্ মোয়াফিকৰ ছাত্ৰ হব, তেৱেঁই ভবিষ্যত জীৱনত জগতত উন্নতি লাভ কৰিব পাৰিব। লৰাকালতে তিনিজন বন্ধুৱে প্ৰতিজ্ঞা কৰিছিল যে তেওঁলোকৰ ভিতৰত যেয়ে বেছি উন্নতিশালী হব তেৱেঁই আন দুজনক সহায় কৰিব লাগিব। কালক্ৰমে যেতিয়া নিজাম ৰাজমন্ত্ৰী হ'ল, তেতিয়া তেওঁৰ ওমৰলৈ মনত পৰিল, আৰু তেওঁক মাতি আনি ৰাজসভাত কোনো ডাঙৰ কাম লবলৈ অনুৰোধ কৰাত ওমৰে অস্বীকাৰ কৰি কলে, "মোৰ ৰাজসম্মান বা কোনো উচ্চ পদবী লবলৈ আকাঙ্খা নাই। তুমি যদি মোক তোমাৰ ঐশ্বৰ্য্যৰ ছাঁৰ এচুকত বহি জ্ঞান-চৰ্চ্চা কৰিবলৈ দিয়া সেয়ে মোৰ পক্ষে বৰ ডাঙৰ উপকাৰ হব।" তেওঁৰ সহায়তে ওমৰে নিচাপুৰত বহি বছেৰেকত ১২০ সোণৰ মোহৰ বৃত্তি পাই বিজ্ঞানৰ অনুশীলন কৰি জীৱিকা নিৰ্ব্বাহ কৰিবলৈ ধৰিলে।

ইয়াৰ বাহিৰে তেওঁৰ পাৰিবাৰিক জীৱন সম্বন্ধে আন একো জানিবৰ উপায় নাই। তেওঁৰ লিখাৰ পৰা বুজিব পাৰি যে ধৰ্ম্ম সম্বন্ধীয় আলোচনাত তেওঁ বৰ স্বাধীনচেতা আছিল। তেওঁৰ শাস্ত্ৰীয় সাধুকথাত বা কোনো আচাৰগত পথপদ্ধতিতো বৰ আস্থা নাছিল। কোনো ক্ৰিয়াকাণ্ডেৰে বা ব্ৰত-উপবাসেৰে ঈশ্বৰৰ মনত সন্তোষ দিব পাৰে বুলি বিশ্বাস নকৰিছিল। যি সকলে ধৰ্ম্মৰ মুখা পিন্ধি লোকক ঠগাই ফুৰে, স্বৰ্গৰ প্ৰলোভন দেখুৱাই উৎসাহিত কৰে বা নৰকৰ ভয় দেখুৱাই কোনো কামৰ পৰা নিৰস্ত কৰে তেওঁবিলাকক তেওঁ অন্তৰেৰে সৈতে ঘিণ কৰিছিল। যিবিলাক ভণ্ড ফকীৰ বা 'দৰবেশে' মানুহৰ দুৱাৰে দুৱাৰে এজোলোকা আশীৰ্ব্বাদৰ বলেৰেই একেবাৰেই স্বৰ্গৰ জখলাত তুলি দিবলৈ আগবাঢ়ে, সেইবিলাকক তেওঁ দুচকুৰে দেখিব নোৱাৰিছিল। তেওঁৰ প্ৰাণ বৰ উদাৰ আৰু



মহৎ আছিল। ধৰ্ম্ম জগতত যি সকলে স্বাধীনচেতা আৰু সকলো সংস্কাৰৰ বান্ধোন মোকোলাই মুক্তৰাজ্যত বিহাৰ কৰে সেইসকলৰ প্ৰতি তেওঁৰ আন্তৰিক শ্ৰদ্ধা আছিল। তেওঁ এঠাইত লিখিছে—

"All we see above around,
Is but truth on fairy ground ;
All we trust is empty shade,
To deceive our reason made ;
Tell me not of Paradise,
Or the beans of Huries' eyes,
Who did truth of tale can tell,
Cunning priests invent them so well."

এতিয়া কথা উঠিব পাৰে ওমৰ খায়াম নাস্তিক আছিল নেকি ? এই কথা ঠিক কৰি কোৱা টান, মাজে মাজে কিছুমান কবিতা পঢ়ি বুজা যায় যে শাস্ত্ৰীয় আচাৰ ব্যৱহাৰত তেওঁৰ বিশ্বাস নাথাকিলেও, অনন্ত সৃষ্টিৰ মূলশক্তি পৰমেশ্বৰৰ ওপৰত তেওঁৰ বিশ্বাস আছিল আৰু সেই বিশ্বৰ মূলীভূত মহাশক্তিকে তেওঁৰ শিষ্যসকলৰ উপাসনাৰ শিক্ষা দিছিল আৰু বুঢ়াকালত তেওঁ ধৰ্ম্ম কাৰ্য্যত মনোনিবেশ কৰিছিল বুলিও শুনা যায়। তেওঁৰ লিখাত আছে—

"Allah, our Lord is merciful,
though just ;
Sinner despair not, but his
mercy trust !
For though today you perish
in your sins
Tomorrow He will absolve your
crumbling dust"

* * *

"Sure of thy grace, for sins why
need I fear :
How can the pilgrim faint whilst
thou art near ;
On the last day thy grace will
wash me white,
And make my black record
to disappear".

ইয়াৰ পৰাই জানো বুজিব নোৱাৰি যে ওমৰ খায়াম প্ৰকৃততে নাস্তিক নাছিল ?

খৃষ্টীয় ১১২৩ চনত ওমৰ খায়ামৰ নিচাপুৰত মৃত্যু হয়। সেই যুগত খোৰাচান প্ৰদেশত বিজ্ঞান-চৰ্চ্চাত তেওঁৰ সমকক্ষ কোনোৱেই নাছিল। সেইকাৰণে বহুতে বৰ আগ্ৰহেৰে নিচাপুৰলৈ আহি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। তেওঁৰ প্ৰিয় শিষ্য নিজামিয়ে লিখি থৈ গৈছে,—"মই বহুত সময়ত তেখেতৰ সতে এখন ফুলনী বাৰীৰ মাজত বহি নানা বিষয়ে আলোচনা কৰোঁ। এদিন কথায় কথায় তেখেতে মোক কৈছিল, "মোৰ মৰণ এনে ঠাইত হব য'ত দক্ষিণৰ বতাহ পলে পলে বলি গোলাপেৰে সেই ঠাই ডোখৰ ঢাকি থব।" ইয়াৰ কিছুমান দিনৰ পাছত মই নিচাপুৰলৈ যাওঁতে তেখেতৰ শেষ বিশ্ৰামৰ ঠাই ডোখৰ দেখিবলৈ পাইছিলোঁ। দেখিলোঁ ফুলনিৰ দাঁতিত তেখেতৰ সমাধি আছে আৰু তাৰ ফুল আৰু ফুলৰ গছবিলাকৰ ডাল পাত বাঢ়ি গৈ সেই সমাধিক ছাঁৰে আবৰি থৈছে আৰু বতাহত হালি জালি প্ৰতি মুহূৰ্ত্ততে নতুন নতুন ফুলপাত ভক্তি আৰু শ্ৰদ্ধাৰ অঞ্জলি স্বৰূপে কবিৰ শেষ বিশ্ৰামৰ ঠাইত ঢালি দিছে।"

য়ুৰোপৰ এনে এখন ঠাই নাই য'ত কবিৰ "ৰুবায়ত"ৰ আদৰ নাই আৰু এনে ভাষা নাই য'ত ইয়াৰ একাধিক অনুবাদ পোৱা নাযায়। আকাশত এটি নতুন তৰাৰ আবিষ্কাৰ হলেই গোটেই বৈজ্ঞানিক জগত যেনেকৈ চঞ্চল আৰু উৎফুল্ল হৈ উঠে মনোৰাজ্যত এই তৰাটিৰ আবিষ্কাৰ হোৱাত য়ুৰোপৰ কবি সমাজ ঠিক

তেনেদৰেই চঞ্চল আৰু উৎফুল্ল হৈ উঠিছিল। ইয়াত কি এনে তত্ত্ব আছে যাৰ কাৰণে তেওঁ-লোকৰ এনে উন্মাদনা আহিছিল? ইয়াত প্ৰেমালাপ নাই, প্ৰেমত আত্ম-বিসৰ্জ্জন নাই। প্ৰাচ্যদেশৰ ৰীতি অনুযায়ী ঈশ্বৰৰ আৰতি নাই। কিন্তু ইয়াত আছে মানুহৰ প্ৰাণৰ কথা, মানুহৰ অন্তস্থল ভেদি উঠা চিৰকলীয়া জীৱন-মৰণৰ গভীৰ সমস্যা। ইয়াত যি প্ৰশ্ন আছে সৃষ্টি পাতনিৰে পৰা আজিলৈকে কোনেও তাৰ মীমাংসা কৰিব পৰা নাই,—দৰ্শন বিজ্ঞানে তাৰ গভীৰতম প্ৰদেশত গৈ বাট বিচাৰি উলিয়াব নোৱাৰি নিজেই নিজক হেৰুৱাই পেলাইছে। মানুহৰ পৰিণাম, স্বৰ্গ নৰক সৃষ্টিৰ উদ্দেশ্য, পাপ-পুণ্যৰ প্ৰায়শ্চিত্ত আৰু পুৰস্কাৰ—এইবিলাক জটিল সমস্যাই সকলোৰে জীৱনত এবাৰ নহয় এবাৰ ভুমুকি মাৰিছে,—মানুহ যিমান বয়সত আগবাঢ়ে সিমানে এই সমস্যাই তেওঁবিলাকক বেচি উদ্বিগ্ন কৰে; এই ৰহস্য ভেদৰ কাৰণে মানুহৰ প্ৰাণ আকুল হৈ উঠে। ৰুবায়তত এই প্ৰশ্নবিলাকৰে এজন মুক্তপ্ৰাণ সাধকৰ অন্তস্থল ভেদি উঠা প্ৰতিধ্বনি আছে। মৃত্যুৰ পাছত কি হয় সকলোৱে এই প্ৰশ্নৰ উত্তৰৰ কাৰণে বলিয়া। যদি কেতিয়াবা এই প্ৰশ্নৰ প্ৰকৃত সমাধান পোৱা যায়, তেতিয়াৰ পৰাই বোধহয় জগতত আৰু ধৰ্ম্মৰ আৱশ্যক নাথাকিব আৰু ধৰ্ম্ম বিপ্লৱৰো শেষ হব। একো একোটি মতবাদে কিছুকাল-লৈকে মানুহৰ মনত বিশ্বাস জন্মাব পাৰে, কিন্তু জ্ঞান বুদ্ধি আৰু স্বাধীন চিন্তা বাঢ়ি যোৱাৰ লগে লগে যেতিয়া ধৰ্ম্মৰ ঢাকনি তুলিলে মনত শূন্যতা অনুভৱ কৰে তেতিয়াই মানুহৰ প্ৰাণ নিৰাশাত উতলা হৈ উঠে, তাৰ ফলতেই জগতত যুগে যুগে ধৰ্ম্ম বিপ্লৱ ঘটি আহিছে। মধ্যযুগত য়ুৰোপতো ঠিক এনে অৱস্থাই হৈছিল। যেতিয়া সেই যুগৰ পুৰোহিতবিলাকে আচাৰ আৰু অনুষ্ঠানেৰে প্ৰকৃত ধৰ্ম্মৰ তত্ত্বক ঢাকি পেলাইছিল, তেতিয়া স্বাধীনচেতা বৈজ্ঞানিকসকলৰ অন্তৰাত্মা বিদ্ৰোহী হৈ উঠিছিল আৰু সেই বিদ্ৰোহী ভাৱ লাহে লাহে জনসাধাৰণৰ মাজত ব্যক্ত হৈ পৰিছিল, ঠিক তেনে সময়তে য়ুৰোপত "ৰুবায়ত"ৰ প্ৰচাৰ হৈছিল, যিটো প্ৰশ্নই ইমানদিন তেওঁলোকৰ অন্তৰ আকুল কৰিছিল, ওমাৰৰ কবিতাত তাৰ স্পষ্ট প্ৰতিধ্বনি পাই তেওঁক সেইসকলে প্ৰাণেৰে বৰণ কৰি লৈছিল।

ওমৰৰ মতৰ নতুনত্ব এই যে যি প্ৰশ্ন মানুহে চিৰকাল কৰি আহিছে, বিশ্বই তাৰ উত্তৰ নিদিয়ে, কাৰণ দিবও নোৱাৰে। তেওঁ এইটো বুজিছিল যে এই বিশ্বৰ হৃদয় নাই, অন্তৰ নাই,—এই জগতক অন্ধ নিয়তিয়ে চলাই ফুৰিছে, গতিকে ভিতৰ বাহিৰ দুয়ো অৰ্থহীন আৰু মিছা—

কোনোবা বলিয়া সুখ সুখ কৰি
এই পৃথিৱীকে সাৰটি ধৰি।
কোনোৱে ভাবিছে মৰণৰ পাছে পাব
সঁচাকৈয়ে সুখৰ পুৰী॥
তইতৰ সুখ নাই ক'তো হেৰ',
নিঠুৰ মৰণে চিঞৰি কয়।
মূৰ্খ তইও অলীক ভাৱনা ভাবি
কৰ কিয় জীৱন ক্ষয়॥

ওমৰৰ মতে বৰ্ত্তমানেই সকলো, এই জীৱনতে যিমান পাৰা উপভোগ কৰি লোৱা, কাৰণ কোনে জানে এক মুহূৰ্ত্ততে জীৱনৰ শেষ হব পাৰে, আৰু শেষ হলেই সকলো শেষ। এই জীৱনৰ কোনো এটা অৰ্থ নাই, "নিত্য" বুলি একো নাই, সকলো অনিত্য। "Eat, drink and be merry, for tomorrow you die."



অথবা "যাৱজ্জীৱেৎ সুখং জীৱেৎ ঋণং কৃত্বা ঘৃতং পিবেৎ। ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ" বুলি যি সকলে কয় তেওঁলোকৰে সৈতে ওমৰৰ মাত্ৰ প্ৰভেদ এই যে তেওঁলোকে যিবোৰ ইন্দ্ৰিয়-গোচৰ তাকেই সন্তুষ্ট চিত্তেৰে সাৱটি ধৰিছিল, কাযে কাযে তেওঁলোকে শান্তিৰে আছিল, কিন্তু ওমৰৰ অন্তৰত চিৰ অশান্তি বিৰাজ কৰিছিল, জীৱন মৰণৰ সমস্যাটো যে অভেদ্য এই কথাটো যদিও তেওঁ স্বীকাৰ কৰিছে তত্ৰাচ ইয়াক তেওঁ সন্তুষ্ট চিত্তেৰে মানি লব পৰা নাই, আৰু ইয়াৰ বিৰুদ্ধে তেওঁৰ অন্তৰাত্মা বিদ্ৰোহী হৈ উঠিছিল। তেওঁৰ কবিতাত যদিও উপহাস আৰু বিদ্ৰূপৰ চলেৰে এই কথা ফুটি উঠিছে, তত্ৰাচ সকলো কবিতাৰ গুৰিতেই যে এটি সুৰ বাজি উঠিছে এয়ে ওমৰৰ বিশেষত্ব। ওমৰৰ কবিতাই আমাৰ অন্তৰক সজাগ কৰি তোলে, কাৰণ সৃষ্টিৰ আদি আৰু অন্তৰ কাহিনী আমি জানো বুলি কোনেও বুকু দাঠি কব নোৱাৰে আৰু সেই কাৰণেই ইয়াক প্ৰাণে প্ৰাণে অনুভৱ কৰো।

ওমৰৰ বীণ নীৰৱ হোৱা আজি প্ৰায় আঠশ বছৰ পাৰ হৈ গ'ল; কিন্তু এতিয়াও তাৰ মধুৰ ঝঙ্কাৰে, প্ৰাণৰ উচ্ছ্বাসে, আকুল আবেগে জগতক অমৃত বিলাই আছে। কাৰ অকাল বিয়োগে তেওঁৰ হৃদয় বীণাৰ তাঁৰ জোকাৰি তেওঁক সকলো আশা-উৎসাহৰ কাষৰ পৰা দূৰ কৰি দিছিল কব নোৱাৰো, কিয় তেওঁ গোটেই জগতত মাথোন শ্মশান চিত্ৰকে দেখিছিল কোনে জানে? ফুলৰ হাঁহিয়ে তেওঁৰ মনক বিষাদেৰে ঢাকি পেলাই-ছিল। তেওঁৰ কবিতাৰ শাৰীয়ে শাৰীয়ে অভিমান আৰু কাতৰতা জিলিকি উঠিছে। প্ৰকৃতিৰ নিৰ্ম্মম বিধানৰ প্ৰতিহিংসা লবৰ কাৰণেই নিজক সুৰা আৰু সঙ্গীতৰ মাজত ডুবাই থৈছিল।

"ক'ত আজি সেই এৰেম ফুলনি
হাজাৰ গোলাপ ফুলিছে য'ত,
জাম ছৈয়দৰ সাত ৰৰণীয়া
ভুৱন বিজয়ী পিয়লা ক'ত?
এতিয়াও আছে আঙুৰৰ বন
ঢালে এতিয়াও ৰাঙলী ধাৰা,
আছে তটিনীৰ কুলু কুলু গান,
নাই সেই প্ৰাণ উলাহ ভৰা।
মাৰ গ'ল আজি দায়ুদৰ সতে
অতীত ছন্দ পুৰণি তান,
মাথো কেতেকীৰ আকুল কণ্ঠত
বাজি উঠে সেই পাহৰা গান।
কয় কাণে কাণে গোলাপী সখীক
কওঁ কওঁ বোলা গুপুত কথা,
আঙৰ ৰসৰ ৰাঙলী ৰসৰে
পাহৰোৱা সখী অতীত বেথা।"

অতীত ভাৱনাত একো লাভ নাই, মাথোন সময় নষ্ট। প্ৰকৃতিৰ ৰীতি এই যে একালে মোহিনী মূৰ্ত্তিৰে জগতক মুগ্ধ কৰিছে, আনকালে ভৈৰৱী মূৰ্ত্তিৰে জগতক সংহাৰ কৰিছে,

"পুৱা কিৰণত লাখে লাখে ফুল
ফুলিছে মলয়া পৰশ পাই।
তাৰ কাষতেই আৰু কত শত
নীৰৱে লেৰেলি শুকাই যায়॥
যাৰ পৰশত লাজুকী গোলাপে
হাঁহিছে ৰঙত ভৰনি থই।
সেই পৰশতে শত "জামছেদ"
শত "কৈকোবাদ" কালত লয়॥"

কাযে কাযে সেই অতীত ভাৱনাৰ প্ৰয়োজন নাই।

"পাহৰি সকলো খায়ামৰ সতে
ওলোৱা উদাস পৰান লই।
বুৰঞ্জী পাতত থাকক নিশবদে
খচ্‌ৰু কোৱাদে ৰঙেৰে শুই॥

কত্তমৰ কথা ভাবিলে কি হব,
ভাবিলে ভাবনা বাঢ়ি হে যায়।
এৰি দিয়া সেই বিষাদ ৰাগিণী,
হেবাল যিদৰে হাতেমতাই॥
সউ যে দেখিছো দূৰ দুৰণিৰ,
মৰুৰ দাঁতিত এখনি গাম।
সেউজীয়া গছ-লতাই বেৰিছে,
সেয়ে মোৰ চিৰ পবিত্র ধাম।
ৰজা প্রজা তাত সকলো সমান
নাই বাদ্‌চাৰ গজনীপুৰ।
তাতে বহি আমি আকাশ তলত
নীল অসীমত মিলাম সুৰ॥

কবি উদাসীন। তেওঁক ধন, যশ, মান নালাগে, ৰজা মহাৰজাৰ সঙ্গ নালাগে, মাথো লাগে সেউজীয়া মুকলি পথাৰ, ছবৰি বনেৰে ঢাকি থোৱা তটিনীৰ পাৰ—য'ত সকলো সমান, ৰজা প্রজাৰ ভেদ নাই, আছে মাথো মুক্ত প্ৰাণেৰে মুক্ত মনৰে মুক্ত মিলন—

সেই নিৰলাতে থাকিম নিজানে,
কাষত তোমাৰ মধুৰ গান।
কটি এটুকুৰা সুৰাৰ পিয়লা,
কবিতা কুঁৱৰী আকুল প্রাণ॥
সি সুৰপুৰীৰ এয়েই সপোন,
এয়ে হৃদয়ৰ বাসনা মোৰ।
মৰুৰ মাজত নামিব সৰগ,
জীৱন যাতনা পৰিব ওৰ॥

কবিয়ে নিৰ্জ্জনত বহি লগৰীৰ মধুৰ সঙ্গীত শুনিব, সুৰত বিভোৰ প্ৰাণেৰে গীতৰ তৰঙ্গে তৰঙ্গে নাচি নাচি কোনোবা মায়াপুৰীত বিহাৰ কৰিবগৈ, সেই সুখৰ কাষত ৰাজসুখ কি তুচ্ছ পদাৰ্থ!

এই পৃথিবীৰ আলিহী ঘৰত,
দিন ৰাতি দুয়ো দুৱৰী যাৰ।
সুখ দুখ ভৰা অতীত ৰাগিণী,
বাজিছে কতনো বুকুত তাৰ॥
ত্ৰিভুবন জয়ী কত ৰজা আহি,
কালৰ কোলাত মিহলি হ'ল।
জলিল চাকিটি মুমাল আকৌ,
পোহৰৰ মাথো স্মৃতিটি ৰ'ল॥
আছিল যি ঠাইত "জামসৈয়দ"ৰ
আলোক শোভিত অলকাপুৰী।
বাঘ ভালুকৰ ধেমালিৰ ঠাই
ফুৰে আজি তাত ৰঙেৰে ঘূৰি॥

ক'ত গুলে আজি ৰজা বেইৰাম
নিপুণ চিকাৰী বধুৱা বীৰ—
বনৰীয়া থোৱা গাধই বিহৰে,
সুখেৰে আজি সি তটিনী তীৰ॥

এয়ে মানুহৰ পৰিণাম, ইয়াৰ কাৰণেই দুদিনীয়া গৰ্ব্ব অহঙ্কাৰ। তুমি এতিয়া যি ডোখৰ ঠাইত ঠিয় হৈ আছা কোনে জানে তাত কত ৰজা-মহাৰজা ধূলিৰ লগত মিহলি হৈ গ'ল। সৌ গছ জুপিয়ে যৰ পৰা ৰস টানিছে হয়তো সেই ঠাইতে কত মানুহৰ দেহ মাটিত মিহলি হৈ গৈছে,

ভাবো কেতিয়াবা ফুলিছে গোলাপ,
কাৰনো তেজেৰেনো ৰাঙলী হই।
কোন প্রেমিকৰ ব্যথিত হিয়াৰ,
নিৰাশ প্রেমৰ চানেকী লই।
ফুলনি শুৱাই ফুলে যত ফুল
হৰিষে মলয়ে চুমিছে যাক।
কোন কুঁৱৰীৰ অধৰ পৰশে
কৰিছে এমুৱা ধুনীয়া তাক॥
তটিনী তীৰৰ এই যে কোমল
দুবৰি বাঁহৰ দলিচা খনি।
বঁহা সখা মোৰ বঁহা ধীৰে তাত
নিদিবা চৰণ আঘাত আনি॥



কোন সুন্দৰীৰ অতৃপ্ত বাসনা
নীৰৱ চকুলো বুকুত লই
কৰুণ ৰসৰ সেউজীয়া সাজে
মাটি ভেদি চোৱা উঠিছে অ'ই॥

মানুহৰ অন্তিম অৱস্থাৰ কথা ভাবিলে কিহৱ, এদিন নহয় এদিন জীৱনৰ অভিনয় শেষ হবই।

আহিলে মৰণ যাবই লাগিব
আন্ধাৰ-পুৰীৰ কোনোবা দেশ।
নাই যত সুৰা, নাই যত গান,
অজান দেশৰ কতনো শেষ॥

তেন্তে যি কেইদিন জীয়াই থাকা বৰ্ত্তমানক উপভোগ কৰা।

ধৰা প্রিয়তম প্রাণৰ পিয়লা
জীৱন মদিৰা ভৰাই দিয়া।
অতীত ভবিষ্য শোক দুখ ভয়
আজিৰ ভাবনা উঠাই নিয়া॥
আজিয়েই দিয়া কালিলই কিয়
কোনে জানে মোৰ কালি কি হব।
হাজাৰ হাজাৰ বছৰ বিষপা
হয়তো অতীতে সামৰি থব॥

ক'ব পৰা আহিছো কলৈ যাম একোকে নাজানো।

ধৰণীৰ এই সেউজীয়া কোলা
ইয়াতে জনম লভিলো মই।
কিয়বা আহিলো কিহৰ সোঁতত
কি কাম ইয়াত সাধিম মই,
এই কোলাখনি উদঙাই পুনু
কাৰনো উদ্দেশ্য উধাও মই,
মৰুৰ মাজত বতাহৰ দৰে
কোন অসীমত মিলিম মই॥

কোনেও ক'ব নোৱোৰা, মিছাকৈয়ে বুজিব নোৱাৰা লীলাৰ কাৰণে চিন্তা ভাবনা সকলো এৰি দিয়া।



ঢালা তেন্তে সখা জীৱনৰ সুধা
চিন্তা ভাবনা দূৰতে ৰক।
ধৰিব নোৱাৰা নিয়তিৰ খেলা
পিয়লা ভৰাই পাঁহৰা যক॥

নিয়তিয়েই জগত চলাইছে। আমি তেওঁৰ পুতলা মাথোন। তেওঁ কি ভাবে কোনেও বুজিব নোৱাৰে। সৰগ-মৰত সকলো নিমাত!

ভুৱি ছুই কৰ সৰগ দিয়াই
সুধিলো কাতৰে জীৱন স্বামী।
কোন পোহৰত যাওঁ আগবাঢ়ি
তিমিৰ পথৰ যাত্ৰী আমি॥
গৰ্জ্জিলে সৰগে গহীন সুৰেৰে
"নাই নাই ক'তো আলোক পথ।
অন্ধ নিয়তিৰ অন্ধ বিশ্বাসত
চলে মানুহৰ জীৱন ৰথ॥"

যেতিয়া সংসাৰৰ অন্যায় আৰু কল্পিত বান্ধোনে আমাক উৎপীড়িত কৰে, যেতিয়া বিবেক আৰু সংস্কাৰৰ সংঘৰ্ষণে হৃদয়ত তোলপাৰ লগাই দিয়ে, যেতিয়া পাপ-পুণ্যৰ তিৰস্কাৰ আৰু পুৰস্কাৰৰ ভেদ ধৰিব নোৱাৰি প্ৰাণ বিব্ৰত হৈ উঠে, যেতিয়া জীৱন-মৰণৰ সমস্যাই অন্তৰ কঁপাই তোলে, তেতিয়া আমাৰ ওমৰৰ দৰ্শনৰ ছাঁত জুৰাবলৈ আগবাঢ়ি আহিবৰ মন যায়, তেতিয়া যেন প্ৰাণে শান্তি পায়, সেই সঙ্গীতেই মূৰ্ত্তিমতী হৈ প্ৰাণত শান্তিৰ ধাৰা বোৱাই দি জগতক মুগ্ধ কৰি দিয়ে, তেতিয়া ভাৱত বিভোৰ হৈ তেওঁৰ স্মৃতি লক্ষ্য কৰি আবেগভৰা অন্তৰেৰে আমাৰো কৰৰ মন যায়—

"Dear, dear Sultan of
Persian Song,
Familiar friend whom
I lored so long,
Whose volumes made by
Pleasant hiding place,

From this fantastic world of
right and wrong.
Alas ! for me alas !
for all who weep
And wonder at the silence
dark and deep
That girdle round this
little lamp in space
No wise than when Omar fell
asleep ;—Mc-Carthy.

ওমৰৰ ধৰ্ম্ম-মতৰ সম্বন্ধে এটি টোকা :—ওমৰ খায়ামৰ মূল পাৰ্শী ৰুবায়তত আস্তিক আৰু নাস্তিক দুই ভাবৰেই কবিতা পোৱা যায়। Fitzerald আদি কিছুমান ইউৰোপীয় পণ্ডিতে মাথোন নাস্তিকতামূলক কবিতা বিলাক লৈ এটি সুসংশ্লিষ্ট কাব্যৰ অৱতাৰণা কৰিছে। Whinefield অৰ literal অনুবাদত দুইবিধৰে অলপ আভাস পোৱা যায়। ৰুবায়ত কোনো এটা বিশেষ সময়ত সীমাবদ্ধ নহয়, কাৰণ ই একেবাহে লিখি যোৱা কবিতা নহয়। তেওঁৰ জীৱনত যেতিয়া যি ভাবৰ অভিব্যক্তি হৈছিল তেতিয়া তাকেই লিখিছিল আৰু সেই খিনিৰেই সমষ্টি তেওঁৰ ৰুবায়ত। "Immediately before his death he was reading in the shifa of 'Avicenna' the chapter treating on the one and the many—and his last words were :—O, God, verily I have striven to know Thee according to the range of my power, therefore forgive me, for indeed such knowledge of Thee as I possess, is my only means of approach to Thee"—*Literary History of Persia* by E. G. Browne—P. 251.

---

# কামাখ্যাত শিখগুৰু তেগবাহাদুৰ

**শ্ৰীৰাজমোহন নাথ, বি-ই, তত্ত্বভূষণ**

১৬৬৬ খৃষ্টাব্দত দিল্লীৰ সম্ৰাট ঔৰঙজেবৰ নিৰ্দ্দেশত ৰাজপুত বীৰ ৰাজা মানসিংহই অসম আক্ৰমণ কৰিবলৈ আহোঁতে তেওঁৰ লগত শিখগুৰু তেগবাহাদুৰো আহিছিল। তেৰাৰ লগত শাহ আকবৰ, শাহ বাগমৰ, শাহ শৰণ, শাহ সুফি আৰু শাহ কামাল নামৰ পাঁচজন মুছলমান দৰবেশ আহিছিল। তেগবাহাদুৰে শিখ-সম্প্ৰদায়ৰ আদি গুৰু নানক চাহাবে আগতে অসমলৈ আহি যি ঠাইত বাহৰ কৰিছিল, সেই ঠাইত—বৰ্ত্তমান ধুবুৰী চহৰত মাটিত এটি ওখ দৌল সজাই তাৰ ওপৰত এটি গুৰুদ্বাৰ মন্দিৰ প্ৰতিষ্ঠা কৰে। সেই ভেটি আৰু মন্দিৰ এতিয়াও শিখসম্প্ৰদায়ৰ পৱিত্ৰ ঠাই।

অসমত থাকোঁতে গুৰু তেগবাহাদুৰ কামাখ্যাৰ মন্দিৰ চাবলৈ আহিছিল, আৰু তাতে কেইদিন মান বাস কৰিছিল। কামাখ্যাৰ পাণ্ডাসকলে শিখগুৰুক বৰ আদৰ যত্ন কৰিছিল। গুৰুজীয়ে তেৰাৰ কামাখ্যা দৰ্শন আৰু অসমবাসীৰ প্ৰতি প্ৰীতিৰ নিদৰ্শন স্বৰূপে কামাখ্যাৰ আতিথ্যকাৰী পাণ্ডাৰ হাতত তুলাপাত-কাকতত লিখি এটি বাণী দি যায়। সেই ফলিখন এতিয়াও কামাখ্যাৰ এজন পাণ্ডাৰ হাতত আছে—



ফলিৰ কাকতখন—দীঘলে ১৮ ইঞ্চি আৰু বহলে ৬ ইঞ্চি ; তাতে ৪৭ শাৰি লেখা আছে। লেখাৰ ওপৰত ১½ × ১ ইঞ্চি এটি চিলমোহৰৰ ছাব আছ—কিন্তু বৰ্ত্তমানে অপাঠ্য হৈ পৰিছে। এটি শব্দৰ বাহিৰে গোটেই খিনি ফলিৰ পাঠ উদ্ধাৰ কৰা হৈছে। লেখাৰ আখৰ আৰু ভাষা গুৰুমুখী ( পঞ্জাবী )। তলত পাঠ আৰু তাৰ অসমীয়া ভাঙনি দিয়া হল :—

আগে সাখী সৎগুৰুকে পৰম চলিত্ৰকী
যো পুৰবদেশমো সৎগুৰুকা ধ্যান কৰ
দৰ্শন বাঞ্ছা কহে—তবে বড় বড় প্ৰেমসো
সংযোগ থা—তেন কো দৰ্শন দেনে কা
সংযোগ কৰেঙ্গে। সো কথা নিৰূপণ
হয়েগী। দোহৰা :—অৱগত লীলা
দয়ালকী—কতক লখে না যায়ে।
মানুখ বেখতন ধৰে বে প্ৰভু তনতে পৰে
বহায়ে ॥

অৰ্থ :—ভগৱন্ত এক, আৰু গুৰুৰ কৃপাত ভগৱন্তক পোৱা যায়। মই এতিয়া গুৰুৰ চৰিত্ৰ বৰ্ণনা কৰোঁ। পূবদেশৰ যিকোনো মানুহে যদি সৎগুৰুৰ ধ্যান কৰে আৰু তেৰাঁৰ দৰ্শন বাঞ্ছা কৰে, তেনেহলে গুৰুৱে তেওঁক দৰ্শন দিবলৈ এটা অৱস্থাৰ সৃষ্টি কৰিব, আৰু এই ভাবে তেওঁৰ কামনা পূৰ্ণ হব।

দোহাৰ ( ধুৱা—ধ্ৰুং ) :—

ভগৱন্তৰ লীলাৰ অনেকাংশ বুজা নাযায়। মানুহে দেহাৰ বেশভূষাৰ কাৰণে বহুত কৰিব পাৰে, কিন্তু ভগৱন্ত এইবোৰৰ বহুত আঁতৰত থাকে।

চোপেই :— বীৰ বেখ তেজ তপ ভাণা
হিৰদে ত শূণ আকাশ সমানা।
দেখত সতৰ তেজ বল ভাঙ্গা
অন্তৰ লেৱলীনা আপন্ জেবেঙ্গা ॥

অৰ্থ ( চৌপদী ) :—মনত বল, সাহস, বিক্ৰম, আৰু তপস্যাৰ ভাব লৈ, হৃদয়ক আকাশৰ দৰে শূন্য কৰি যদি একাগ্ৰচিত্তে ধ্যান কৰা যায়, তেনে হলে পৰমাত্মাৰ সাযুজ্য লাভ কৰি মহান্ হোৱা যায়।

দিশত্ ৰাজমান ৰস ভোগী
অন্তৰ বৈৰাগ ত্যাগ দিঢ় যোগী।
পাৰবিৰৎ ব্যৱহাৰ কাৰ সব কৰতা
অন্তৰৱ অক্ৰিৱ চিৎ বিৰতন্ ধৰতা ॥

অৰ্থ :—ৰাজ্য, মান, আনন্দ ভোগ—সকলো বাহিৰৰ জাকজমক। অন্তৰত ত্যাগ আৰু বৈৰাগ্যৰ ভাৱ দৃঢ়ভাৱেৰে ৰাখি যোগীৰ দৰে হব লাগে। দৈনিক কাজকৰ্ম্ম নিয়ম অনুসৰি কৰি যাবা, কিন্তু অন্তৰখনক ভগৱন্তত নিবিষ্ট কৰি ৰাখিবা।

যো শিখ স্বৰূপ গুৰু সেৱন কৰে
গুৰু দৰশন কি আব্‌লাখা ধৰে।
জিত্ কিত ৰত্তবিদ্ তিৰ্ দৰশ দেখাওয়ে
হোৱে বিখম বাট তাহাঁ আপ চল যাওয়ে ॥

অৰ্থ :—যদি কোনোৱে শিষ্যৰ দৰে ( শিষ্য = শিষ = শিখ ) গুৰুৰ সেৱা কৰে, আৰু মনশ্চক্ষুৰে তেৰাঁৰ দৰ্শন কামনা কৰে, তেনে হলে গুৰুৱে তেওঁৰ আগত উপস্থিত হবলৈ যেনে তেনে এটা ব্যৱস্থা কৰিবই। যোৱাৰ বাট বিষম হলেও তেৰাই চলি যাব।

পৰাণ পালন বিৰিধ ধাৰণ সব জানে
শিখ প্ৰাতকাল মুখ সুযশ বিখানে।
দীন দয়াল গুৰু তেগবাহাদুৰ সিমৰে
তে হাজাৰ নাজৰ ॥

ভগৱন্তই জানে কি ভাৱেৰে কথাৰ মূল্য ৰাখিব লাগে আৰু শিষ্যক মান কৰিব লাগে।

শিষ্যই ৰাতিপুৱা ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিব লাগে। তেগবাহাদুৰে কয়—তেনে হলে দীন দয়াল গুৰু তেনে ভাৱেৰে প্ৰাৰ্থনাকাৰীৰ ওচৰত দৰ্শন দিয়াৰ কাৰণে হাজিৰ হবহি।

দোহেৰা :—

দোহাৰ :—পূৰবদেশ সঙ্গত সকল মন দৰশন আবলাখা।
দূৰদেশ দুৰ্গম সুথান যৰ যান প্ৰতিজ্ঞা ৰাখা॥

পূৰবদেশবাসী সকলো সমাজে গুৰুৰ দৰ্শন কামনা কৰিছিল। দূৰণি দেশ আৰু দুৰ্গম বাট হলেও গুৰুৱে তেৰাৰ প্ৰতিজ্ঞা ৰক্ষা কৰিছে।

চো-পেই :—

যো যো শিখ সৎগুৰুকে পিয়াৰে
তিন প্ৰেম যুগুত পৰতিজ্ঞা ধাৰে।
কিন্‌হো সিংহাসন গুৰু সাজে
আওৱে সৎগুৰু ইচ্‌পৰ ৰাজে॥

( চৌপদী ) :—যি সকল শিখ ( শিষ্য = শিখ) সৎগুৰুৰ চেনেহৰ পাত্ৰ, তেওঁলোকে গুৰুৰ কাৰণে প্ৰেম আৰু অনুৰাগ আগ বঢ়ায়। কোনোৱে সিংহাসন সজাই দিয়ে, আৰু কামনা কৰে যে গুৰু আহি ইয়াৰ ওপৰত বহিব।

ধূপদীপ পূজা নিত্‌ কৰে
সৎগুৰু দয়াল * * *।
বহু ভাঁত প্ৰেম কৰ দিশদিন সেৱে
হোৱে দয়াল গুৰু দৰশন দেৱে॥

কোনোৱে ধূপ-দীপ জ্বলাই নিতৌ পূজা কৰে। দয়াল সৎগুৰু * * *। যিজনে দিবাৰাতি নানা উপায়েৰে ভগৱন্তৰ সেৱা কৰে, সেইজনক দয়াল গুৰুৱে আহি দৰশন দিয়েহি।

কৌ সুন্দৰ বস্তৰ বনাৱে
হাম আপনে সৎগুৰু পহাৰাৱে।
কিনহো গুৰু-দুৱাৰো বড়কিনা
হামৰে ঘৰ আওৱে গুৰুপৰবিনা॥

কোনোৱে সুন্দৰ কাপোৰ বই ইচ্ছা কৰে নিজে গুৰুক কাপোৰ পিন্ধাব। কোনোৱে ডাঙৰ গুৰু-দুৱাৰা ( মন্দিৰ—গুৰুগৃহ ) সজাই ভাবে গুৰু মোৰ ঘৰলৈ আহক।

কিনহো সুন্দৰ বাগ লগাৱে
গুৰুনিমিত্ত কিন ফৰেস বনাৱে।
ভয়ে দয়ালগুৰু অন্তৰযামী
আশা পূৰে ছেহো বেঙ্গামী॥

কোনোৱে সুন্দৰ ফুলৰ বাগান সজায়, কোনোৱে গুৰুৰ নিমিত্তে গদি সজায়। অন্তৰ্য্যামী দয়াল গুৰুৱে প্ৰতিজনৰ বাঞ্ছা পূৰ্ণ কৰে।

দোহেৰা :—

ইয়ে যুগুত শিখ পূজা কৰে ধৰ পৰতিজ্ঞা প্ৰেম
বিবিধ লাজ সৎগুৰু দয়াল প্ৰাণ ৰাখন্ সদা নেইম॥

যি শিষ্যই প্ৰেম আৰু প্ৰতিজ্ঞাৰে সৈতে বিধি অনুসৰি গুৰুৰ পূজা কৰে, সেই জনৰ প্ৰতি দয়াল গুৰুৱে সদাই যথাৰীতি নিজৰ কথা ৰাখে।

ছুৱেইয়া :—

যো প্ৰেম কিয়া সঙ্গত মনমে
সোই অন্তৰযামী সদগুৰু জানা।
জিম্ বনফুল শিউৰীকে অৰ্পে
ৰঘুবংশ তিলক কিয়া প্ৰেম সোপানা॥

ছবি :—মেলৰ মাজত কাৰ মনত কেনেবিধৰ প্ৰেম আছে, দয়াল গুৰুৱে সিটো জানে। হাবিৰ মাজত শবৰীয়ে প্ৰেমেৰে সৈতে ফল অৰ্পণ কৰিছিল, আৰু ৰঘুবংশ-তিলক ৰামচন্দ্ৰই তাকেই গ্ৰহণ কৰিছিল।

বিদুৰ দাস প্ৰেম কৃষ্ণ চেনেহ
ৰাখিয়ো সাগ কৰ ক্ষীৰ সমান।
ইম্ দীনদয়াল সৎগুৰু কৃপানিধ
সঙ্গত প্ৰেম নেম মন মান॥

বিদুৰ দাসৰ প্ৰেমৰ কাৰণে তেওঁৰ প্ৰতি শ্ৰীকৃষ্ণৰ চেনেহ আছিল বুলি শাকো ক্ষীৰ বুলি



গ্ৰহণ কৰিছিল। এনেদৰে দীনদয়াল কৃপানিধি সংগুৰুৱে মেলৰ ( সংহতিৰ ) প্ৰতিজনৰ মনৰ প্ৰেম জুখি অনুৰূপ মান ৰক্ষা কৰে।

জিম্ মধুসূদন গিৰবৰধাৰী
কেতিকো চিত চিতৱন জান।
যোগৰাজ শুক পাণ কীয়া, শ্ৰীক্ৰুপদ
যুধিষ্ঠিৰ পৰণ পৰমান॥

যেনেকৈ মধুসূদনে তেৰাঁৰ সঙ্গীসকলৰ মনৰ কামনা জানি পৰ্ব্বত ধাৰণ কৰিছিল, যোগীৰাজ শুকদেৱে নিজৰ প্ৰতিজ্ঞা ৰক্ষা কৰিছিল, আৰু যুধিষ্ঠিৰে ক্ৰুপদৰ প্ৰতিজ্ঞা কাৰ্য্যকৰী কৰিছিল।

জিম্ পাৰথ পৰে বেট ৰাখা কিউ
জগমোহে সাৰ্থী নাম ৰাখান।
ইন্ দীনদয়াল গুৰু কিৰপা-নিধ্‌
সঙ্গত প্ৰেম নেম মন মান॥

যিদৰে মহান জনে কালৰ পৰশ পাথৰত নিজৰ নামৰ ৰেখ ৰাখি নিজৰ মহিমা প্ৰকাশ কৰিছে আৰু জগতত সাৰথি নামেৰে প্ৰসিদ্ধি লাভ কৰিছে, সেইদৰে, দীনদয়াল কৃপানিধি গুৰুৱে মেলৰ প্ৰতিজনৰ মনৰ প্ৰেম জুখি অনুৰূপ মান ৰক্ষা কৰে।

জিম্ জগ-সিন্ধুসে ধৰম সৰমধৰ
ভীম হেত্‌ নিজ নিত্‌তে জান।
ভাৰত মে ভীষ্ম পাণ ৰাখিয়ো
ভকতে হিত্‌ ৰথচকৰ উনান॥

যেনে দৰে ভীমক অতল সাগৰৰ পৰা ৰক্ষা কৰিছিল, সেই দৰে গুৰুৱে নিজৰ ভকতক ভৱ-সাগৰৰ পৰা ৰক্ষা কৰে। যেনে দৰে ভাৰত সমৰত ভীষ্মই প্ৰতিজ্ঞা ৰক্ষা কৰিছিল আৰু ভকতৰ মঙ্গলৰ কাৰণে শ্ৰীকৃষ্ণই ৰথ চালনা কৰিছিল।

দ্ৰৌপদী লাজ ৰাখি কৰ্ণানিদ্
অম্বৰকোট দিয়ে তেঁহে দান।
ইম্ দীন দয়াল গুৰু কিৰপানিধ
সঙ্গত প্ৰেম নেম মন মান॥

যেনে দৰে সেই সৰ্ব্বজ্ঞ গুৰুৱে অফুৰন্ত বস্ত্ৰ জোগাই দ্ৰৌপদীক লাজৰ পৰা ৰক্ষা কৰিছিল, —সেই দৰে এই দীনদয়াল কৃপানিধি গুৰুৱে মেলৰ প্ৰতিজনৰ মনৰ প্ৰেম জুখি অনুৰূপ মান ৰক্ষা কৰে।

দশৰথ কুমাৰ ৰঘুবংশতিলক
মান্ মোন্ জগহিত লে যায়ক বন।
তাড়কা মাৰ অহল্যা তাৰি ৰাখ
গোতমকো মান পৰমান॥

ৰাজসিংহাসনৰ উত্তৰাধিকাৰী, ৰঘুবংশতিলক দাশৰথিয়ে জগতৰ মঙ্গলৰ অৰ্থে বনলৈ গৈছিল, তাড়কাক বধ কৰিছিল, আৰু অহল্যাক উদ্ধাৰ কৰি গোতমৰ প্ৰতিজ্ঞাৰ সন্মান ৰক্ষা কৰিছিল।

তোড়ো শিৱ-ধনুক জনক প্ৰাণ-পূৰণ
সীতা-স্বয়ম্বৰ যশ-জগমান।
ইম্ দীনদয়াল কিৰপানিধ্‌
সঙ্গত প্ৰেম নেম মন মান॥

হৰধনু ভঙ্গ কৰি জনকৰ প্ৰতিজ্ঞা ৰক্ষা কৰিছিল আৰু স্বয়ম্বৰত সীতাক লাভ কৰি জগৎজুৰি নিজৰ যশস্যা প্ৰচাৰ কৰিছিল। এই দৰে দীনদয়াল কৃপানিধি গুৰুৱে মেলৰ প্ৰতিজনৰ মনৰ প্ৰেম জুখি অনুৰূপ মান ৰক্ষা কৰে।

---

# কেৱল ঘোষা আৰু সম্প্ৰদায়*

শ্ৰীলীলা গগৈ

কেৱল ঘোষা কেৱলা সম্প্ৰদায়ৰ ধৰ্ম্মগীত। এই সম্প্ৰদায়ক মানুহে বাহিৰত ৰাতিখোৱা সম্প্ৰদায়, গুপ্ত সম্প্ৰদায়, অৰীতিয়া, ভিতৰপন্থীয়া, থেকেৰাফুলীয়া আদি নামেৰে অভিহিত কৰে। উক্ত সংজ্ঞা কেইটা উক্ত সম্প্ৰদায়ৰ লোকে স্বীকাৰ নকৰে আৰু তেওঁবিলাকে তেওঁবিলাকৰ ভক্তি-মাৰ্গক কেৱলা ভক্তি বুলি কয়। গুণ অনুসৰি এবিধ ভক্তিক তিনিভাগত ভাগ কৰা হৈছে যেনে —নিৰ্গুণা, কেৱলা আৰু সপ্ৰেমা। "কেৱলা ভক্তিৰ ওচৰত আশ্ৰয়, কৃষ্ণত শৰণ, পঞ্চতত্বজ্ঞান মূলমন্ত্ৰ জপি আত্মাবিচাৰ, জীৱৰ বিচাৰ, শ্ৰৱণ-কীৰ্ত্তন, সাধুত প্ৰীতি ৰাখিলে তাকে কেৱলা ভক্তি বোলে। (ভক্তিতত্ব দৰ্পণ পৃঃ ৮২)। উক্ত ভিতৰ-পন্থীয়া লোকে নিজকে কেৱলা ভকতি পন্থৰ বুলি পৰিচয় দিয়ে।

কেৱল ঘোষাৰ অৰ্থ আৰু কেৱলা ভক্তিৰ উদ্দেশ্য গভীৰ দাৰ্শনিক ৰহস্যাবৃত। সমগ্ৰ অসমতে তথাকথিত ৰাতিখোৱা সম্প্ৰদায়ৰ লোক আছে। তেওঁবিলাকৰ আটাইবে লোকাচাৰ একে নহয়; সেইদৰে গীত-পদো একে নহয়। আমি এই প্ৰবন্ধত উজনি অসমত, বিশেষকৈ কেইখনমান সত্ৰত ভজন লৈ এই ধৰ্ম্ম আচৰা লোকসকলৰ বিষয়েহে আলোচনা কৰিম। শ্ৰীমন্ত শঙ্কৰদেৱৰ দিনতে ভাগৱতী বৈষ্ণৱ ধৰ্ম্মক কাষ্ঠা অনুসৰি তিনি সংহতিত ভাগ কৰিছিল বুলি ভকতসকলে কয়। তাৰে এটা সংহতি হল কাল-সংহতি। কালসংহতিৰ গুৰিতে ভবানীপুৰীয়া গোপাল আতা। এইজনা পুৰুষৰ আজ্ঞাপৰ সত্ৰ কেইখন মানতে উক্ত কেৱলা ভক্তিৰ ধাৰাটোৰ পোখা মেলে। এই পন্থৰ এখন পুৰণি সাঁচি-পতীয়া পুথিত এটা ভণিতা পোৱা হৈছে—

"কহে মূঢ়মতি ভূমিধৰ মায়াত পাগল
কিছু কৃপা কৰা ভবানিপুৰীয়া গোপাল॥
কৰ্ণধাৰ গুৰুৰূপী হয়োক প্ৰসন্ন।
পুনৰপি নমো সন্ত গুৰুৰ চৰণ॥"

কালসংহতিৰ সত্ৰ সমূহৰ এটা অংশত উক্ত পন্থটো চলিছিল আৰু কোনো কোনো সত্ৰত চলিয়ে আছে। অৱশ্যে ভালেমান সত্ৰই এই পন্থৰপৰা আঁতৰি যোৱাও দেখা গৈছে। এই সম্প্ৰদায়ৰ কাৰ্য্যকলাপসমূহ আদিৰে পৰাই অতি গুপুত। এতিয়াও সেই গোপনীয়তা ৰক্ষা কৰিবলৈ যাওঁতে বাহিৰত এই পন্থ সম্পৰ্কে অপপ্ৰচাৰ হৈছে আৰু এই পন্থৰ প্ৰতি তাচ্ছিল্যপূৰ্ণ মনোভাৱৰ সৃষ্টি হৈছে। এই সময়তে সত্যৰ পৰাকাষ্ঠা দেখুৱাই সেই মতত প্ৰৱৰ্ত্তিত লোকসকলে তেওঁবিলাকৰ মতবাদৰ দাৰ্শনিক আৰু উচ্চ আধ্যাত্মিক গূঢ়াৰ্থ ব্যাখ্যা কৰিবলৈ আগ বাঢ়ি অহাটো উচিত হব।

কেৱলা ভক্তি তেওঁবিলাকৰ মতে শুদ্ধ

* এই প্ৰবন্ধত উদ্ধৃতি দিয়া কথাসমূহ উক্ত পন্থত চলা সত্ৰ আৰু ভকতৰ হাতৰপৰা উদ্ধাৰ কৰা সাঁচিপতীয়া পুথিৰপৰা আৰু ভকতৰ মুখে শুনি লিখি ৰখা টোকাৰপৰা ব্যৱহাৰ কৰা হৈছে।



ভাগৱতী ধৰ্ম্ম। শিৱই সতীৰ আগত এই ভক্তি-তত্ব ব্যাখ্যা কৰিছিল।

"শুনা প্ৰাণ-সতী　　কহিলো যুগুতি
মই গুৰু স্বৰূপত।
মনুষ্য দেহত　　থাকি নিজৰূপে
প্ৰৱৰ্ত্তাওঁ ত্ৰিজগত॥
(ভক্তি-প্ৰেমাৱলী পৃঃ ১১০)

শুদ্ধমনে শুদ্ধচিত্তে ঈশ্বৰ কৃষ্ণত প্ৰেম-ভক্তি ওপজাব নোৱাৰিলে সকলো মিছা। গতিকে এওঁবিলাকৰ ভক্তি প্ৰেমপ্ৰধান।

"সকলো ভক্তিৰ　　মাজে শিৰোমণি
প্ৰেম ভক্তিতত্ব সাৰ।
হেন প্ৰেম ভক্তি　　যিজনে জানয়
আপুনি হোৱে ঈশ্বৰ॥
নাম সমে প্ৰেম　　যিটো পুৰুষৰ
ভৈলা জানা ঈশ্বৰক।
কেৱল কৃষ্ণক　　ভকতিত বশ্য
কি কৈবো তাৰ ভাগ্যক॥"
(ভক্তি-প্ৰেমাৱলী পৃঃ ১৭২-১৭৩)

এই পন্থত নিন্দা, ঘৃণা, হিংসা, অসূয়াৰ স্থান নাই। সকলো সমান ব্ৰহ্মজীৱ। পূৰ্ণ ঈশ্বৰ পৰমাত্মাৰপৰা জীৱৰূপে আহি পৃথিৱীত আছেহি। গতিকে সকলোকে সেই পূৰ্ণ ব্ৰহ্মৰ অংশৰূপে ভাবি শুণহে লব লাগে।

"কেৱল গুণক　　লৈবাৰ নিমিত্তে
কেৱলা বোলয় তাক।
কেৱলা ভকত　　সাক্ষাত ঈশ্বৰ
কহিলোঁ মুনি তোমাত॥"

এইয়া নাৰদক শিৱই কেৱলা ভক্তি সম্পৰ্কে তত্ব ব্যাখ্যা কৰিছে। পাঞ্চভৌতিক দেহতেই ব্ৰহ্মাণ্ডখন আছে। পঞ্চতত্বজ্ঞানীয়ে মূলমন্ত্ৰ জপি আত্মাক চিনিব পাৰিলেই পূৰ্ণ ঈশ্বৰক লগ পায়। এই ভক্তি ভাগৱতৰ সৃষ্টিতত্বৰ ওপৰতে প্ৰতিষ্ঠিত। এই সৃষ্টিতত্বযুক্ত ভক্তিৰ কথা সতীৰ আগত শিৱই কৈছিল আৰু নাৰদেও ইয়াৰ ভাগ-পাইছিল। উক্ত পন্থত সদাশিৱই যথেষ্ট প্ৰাধান্য লাভ কৰিছে। অৱশ্যে শ্ৰীশঙ্কৰদেৱেও শিৱ আৰু বিষ্ণুক অভেদ জ্ঞান কৰিবলৈ কৈছে। উক্ত দুয়োজনক ভেদ জ্ঞান কৰাটো নামাপৰাধ।

"শুণ নাম যত বিষ্ণু-শিৱৰ।
তাক ভিন্ন-বুদ্ধি কৰে যি নৰ॥
নামৰ সিও মহা-অপৰাধী।
নৰকত পৰে দৈৱে নৰাধি॥"　(কীৰ্ত্তন)

সেই বাবেই শিৱই উক্ত সম্প্ৰদায়ৰ অনুষ্ঠান নিজ বিহাৰ বা ৰৰসেৱাত ভক্তিতত্ব ব্যাখ্যা কৰাৰ নিয়ম আছে। শিৱ-সতীৰ অনুৰূপে এওঁবিলাকে প্ৰকৃতি আৰু পুৰুষেই যে সৃষ্টিৰ মূল তাক স্বীকাৰ কৰে আৰু সেই বাবেই উক্ত ভক্তিপন্থত পুৰুষ আৰু তিৰোতাই সমান ভাগ লব পাৰে।

অসমলৈ নৱবৈষ্ণৱ আন্দোলনৰ ধাৰা বোৱাই আনোতা, ব্ৰহ্মাণ্ড ভেদি যোৱাকৈ পাৰ ভাঙি দি হৰিনাম ৰস, প্ৰেম অমৃতৰ নদী বোৱাই দিওঁতা শ্ৰীশঙ্কৰদেৱেই এহাতে উক্ত পন্থটো দি গ'ল বুলি ভকতসকলে কয়। তেওঁবিলাকৰ মতে সাক্ষাৎ ভগবান শ্ৰীকৃষ্ণই পূৰ্ণৰূপে শঙ্কৰ হৈ জন্ম লৈছিল।

"দ্বাপৰ যুগত　　দৈৱকী নন্দন
কলিত কুসুম ঘৰে।
কৃষ্ণেসে শঙ্কৰ　　স্বৰূপ ধৰিয়া
জগত উদ্ধাৰ কৰে॥" (ভক্তি-প্ৰেমাৱলী)

তেওঁবিলাকৰ এই গীত সমূহতো এই বিষয়ে পোৱা যায়।

"অপৰ থানৰ　　কেৱল ভকতি
শঙ্কৰ-মাধৱ দুই।
দেহ ভৈলে বৃক্ষ　　জীৱ পৰমাত্মা
পক্ষীৰ আকাৰ হুই॥

অপৰ থানৰ কেৱলা ভকতি
নমাইলা শঙ্কৰদেৱ।
ভক্ত দুইজনে ভকতি কৰিলে
মাধৱক কৰিছে সেৱ ॥"

* * *

"পূৰ্ণ শঙ্কৰ পূৰ্ণ মাধৱ
পূৰ্ণ পুৰুষোত্তম।
পূৰ্ণ ঈশ্বৰত শৰণে পশিলে
অধমো হোৱে উত্তম ॥"

* * *

"শঙ্কৰ মাধৱ গোপাল যাদৱ
হাড়ক টানি ৰস পিলে।"

* * *

"পূৰ্ণ শঙ্কৰে ভকতি আনিয়া
দিলে ভাৰন্ততে দেখা।
স্থাৱৰ জঙ্গম ধুলা সীমা কৰি
ললে ভকতৰে লেখা ॥
হেনয় শঙ্কৰে বৈকুণ্ঠে চলিলা
সাক্ষী থলে ভাগৱত।
সমস্ত তত্ত্বক বুজিয়া বুলিয়া
ললে ভকতিৰ মত ॥"

* * *

"আদি পূৰ্ব্বাপৰে সত্য দ্বাপৰে
এহিমতে গৈল চলি।
শঙ্কৰে মাধৱে দুজনা গুৰুৱে
নামৰে কঠীয়াতলী ॥"

এই পন্থতো নামেই প্ৰধান। কিন্তু এই পন্থৰ লৌকিক আচাৰ-ব্যৱহাৰ আদিলৈ চালে ইয়াত কেইবাটাও পৌৰাণিক ধৰ্ম্মৰ সাঁচথকা যেন লাগে। শিৱক প্ৰাধান্য দিয়া আৰু ৰুদ্ৰাক্ষৰ মালা পিন্ধালৈ চাই শৈৱধৰ্ম্মৰ প্ৰভাৱ পৰা যেন লাগে। ৰুদ্ৰাক্ষৰ গছ হেনো শিৱৰ চকুৰপৰা জন্ম হৈছিল আৰু ৰুদ্ৰাক্ষৰ মালা সাধাৰণতে শিৱ-উপাসকে পিন্ধে। কোনো কোনোৱে সাপৰ কাঁইটৰ মালাও পিন্ধে। এই দুয়োটালৈ চাই শৈৱ প্ৰভাৱ পৰা যেন লাগে। তদুপৰি উক্ত ভক্তি-পন্থ শিৱই কৈছে বুলি স্বীকাৰ কৰিছেই। দ্বিতীয়তে মন্ত্ৰত বিশ্বাস। উক্ত পন্থৰ সকাম-নিকামত দিয়া জীৱ আদি মন্ত্ৰেৰেহে মৰা হয়। মন্ত্ৰক প্ৰাধান্য দিয়া বাবে তন্ত্ৰৰ আৰু জীৱই 'নিৰ্ব্বান' লাভ কৰে বুলি ভবাটোৱে বৌদ্ধ সহজীয়া মাৰ্গৰ কিঞ্চিৎ প্ৰভাৱ পেলোৱা যেন লাগে। কিন্তু পৰমাত্মা বিশ্বাস কৰালৈ চাই বৌদ্ধ প্ৰভাৱ নাই পৰা যেন লাগে।

এই সম্প্ৰদায়ে তেওঁবিলাকৰ অনুষ্ঠানত 'ৰস' ব্যৱহাৰ কৰে। এই ৰস ভকত সকলে সৃষ্টিৰস বা নিজৰস বুলি গণ্য কৰে। লিঙ্গ, যোনি আৰু বীৰ্য্য যেনেকৈ জীৱ সৃষ্টিৰ আদিমূল ; পূৰ্ণ, ভকত আৰু ৰস এই তিনিও ভক্তিৰ আদিমূল। ভক্তি ৰসময়ী। স্বয়ং শ্ৰীকৃষ্ণৰ যদুবংশত এই ৰসৰ ব্যৱহাৰ আছিল বাবে সেই পূৰ্ণ কৃষ্ণ ঈশ্বৰৰ নামত ভকতি কৰোঁতে ৰস ব্যৱহাৰ কৰাটো অপৰিহাৰ্য্য বুলি ভাবে। এই ৰস কোনে আনিলে ?

"সৰগৰে পৰা ৰসে নমাই আনি
ৰাধা আই পাতিলে হাট।
বালি চাহীৰপৰা হস্তী সীমা কৰি
সৰেও লুকাইছে তাত ॥"

* * *

"মই পূৰ্ণ ৰসকে চাওঁ হৰি হৰি
মই পূৰ্ণ ৰসকে চাওঁ।
ইটো বাৰ ৰস কোনে আসি ভৈলা
ইহাৰ অন্ত নেপাওঁ ॥
বাৰেও মহন্ত ভৈলে বাৰ ৰস
তিনি ৰস গৰ্ভতে থলে।



শঙ্কৰ মাধৱ গোপাল যাদৱ
হাড়ক টানি ৰস পিলে।"

* * *

"কোন নামে ভকত কোন নামে ৰস
ইহাৰ বাতৰি কোৱা।
ইহাৰ বাতৰি আগতে কহিয়া
পাচতে ৰসকে লোৱা ॥
শিৱ নামে ভকত ৰাধা নামে ৰস
কেৱল ভকতৰ হিয়া।
ভকতৰ ৰসৰ বাতৰি কহিলো
মাতৃ ৰসে দাড়ি ধৰা ॥"

এই সম্প্ৰদায়ৰ গুৰুজনক পূৰ্ণ, সাধু বা গুৰু বোলে। তিৰোতাক ভক্তি-মাতৃৰূপে জ্ঞান কৰে আৰু 'মাতৃআই' বুলি সম্বোধন কৰে। সম্ভাৰক 'সাজ' বোলে আৰু যি বাটি-কাঁহীত থয় তাক 'থাল' বোলে। যি সাজৰ যোগান ধৰে তেওঁ-বিলাকক 'দোকানী' বা 'পোহাৰী' বোলে। ৰস কেনৈ থায়—

"ৰসত প্ৰেম বাঢ়ে প্ৰেমত ভক্তি বাঢ়ে
নেথালে প্ৰেমত ভক্তি নাই।
ইটো খাৰপানী প্ৰেম ৰস মানি
কেৱলা ভকতে খায়।"

কেৱলা ভকতি আৰু ৰসৰ লগত নিগূঢ় সম্বন্ধ আছে। সেইমতে ৰসবিচাৰৰ গীতো আছে।

"কিহতে জন্মিছা কিহতে ভুঞ্জিছা
ইহাৰ বাতৰি কোৱা।
ইহাৰ বাতৰি কৰ নোৱাৰিলে
কেৱল ভকত নোহোৱা ॥
ৰসতে জন্মিছোঁ ৰসক ভুঞ্জিছোঁ
ৰসকে কৰিছোঁ লয়।
কেৱলাৰ বিচাৰে সাধু-সদাচাৰে
আমাক ভকত বোলয়।
ৰসক কোন থানে পাই মোৰ বান্ধৱ
ৰসক কোন থানে পাই।
কেনেনো মুকুতি কেনেনো তৃপিতি
কহিও আমাক বুজাই ॥
কেৱলাৰ থানে ঈশ্বৰ নিৰমানে
আলাসতে আছে যাই।
বায়ু যেন মুকুতি অমৃত যেন তৃপিতি
তহিতে ৰসক পাই ॥
কিমতে ছুঁহিবা ৰসক মোৰ বান্ধৱ
কিমতে ছুঁহিবা ৰস।
কোনে হৰ গাই শঙ্কৰ গুৱাল
হৰিনামে ছুঁহিব ৰস।
কেৱলা ভকতে ভকতি বেহাওঁতে
ৰসক লৈ যাব লথ ॥
গুৰুৱে কি বুলি ৰসক দান কৰিব
ভকতে কি বুলি লৈব।
এনো ৰসকে ভকতে ভুঞ্জিলে
ভকতৰ কি ফল হৈব ॥
মহৌষধ বুলিয়া গুৰুৱে ছুঁহিয়া
ভকতক ৰসে দান দিবা।
নিজ ৰস বুলিয়া ভকতে ভুঞ্জিয়া
পাতকী যাইবো তৰি।"

এই ৰসৰ যোগান ধৰা দোকানীনো কোন ? গীতৰ মাজতে তাৰ পৰিচয় দিয়া আছে।

"আমি নৱ ভনী ৰসৰে পোহাৰী
ৰসেপুৰ নগৰত ঘৰ।
যাওঁ ৰাজবাটে বেহাওঁ গৰুৰ হাটে
কাহাকো নকৰোঁ ডৰ ॥"

* * *

"কাহাৰ জীয়াৰী কাহাৰ বোৱাৰী
স্বৰূপ বাতৰি কোৱা।
স্বৰূপ বাতৰি কহিৰে নোৱাৰা
উলটি ঘৰকে যোৱা ॥"
আমি নৱ ভনী ৰসৰে পোহাৰী
ৰসপুৰ নগৰত ঘৰ।

মাধৱৰ জীয়াৰী শঙ্কৰৰ বোৱাৰী
কাহাকো নকৰোঁ ডৰ ॥

এই 'শঙ্কৰ', 'মাধৱ'ৰ নিশ্চয় গুপুত অৰ্থ আছে। সঙ্গৰ বাহিৰৰ লোকে ইয়াক বুজা টান।

উজনিত এই সম্প্ৰদায়ৰ চাৰিটা বিশেষ অনুষ্ঠান আছে। ইয়াকে বিহাৰ বোলে। বিহাৰ শব্দটো ব্যৱহাৰৰপৰা অহা। মাধৱদেৱৰ 'ভোজন ব্যৱহাৰ' বা 'ভোজন বিহাৰ' যেনেকৈ এখন অঙ্ক বা নাট এই বিহাৰ কেইখনো একোখন অঙ্ক বা নাট। কিন্তু ই গীতপ্ৰধান। অঙ্কীয়া নাটৰ দৰেই ইয়াতো সূত্ৰ আৰু বচন আছে। বিহাৰ চাৰিখন হল (১) নিজ বিহাৰ বা ৰৰসেৱা (২) ফুল বিহাৰ (৩) গোপীবিহাৰ আৰু (৪) নগা বিহাৰ। অঙ্কীয়া নাটৰ মূল উদ্দেশ্যে যেনেকৈ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতি মানুহৰ মন আকৰ্ষণ কৰা এই বিহাৰ কেইখনৰো উদ্দেশ্য ভক্তি প্ৰচাৰ কৰা। ইয়াৰ অন্তৰ্নিহিত অৰ্থ পূৰ্ণ ভকতি। বিহাৰ কেইখন অঙ্কীয়া নাটৰদৰেই ৰাতি কৰা হয়। ভক্তি-পন্থত সোমোৱা লোকৰ বাবেহে এই বিহাৰ কেইখন কৰা হয়। গতিকে তাত আনৰ প্ৰবেশ নিষেধ। আদিৰেপৰাই ই অতি গোপন আছিল আৰু আছে আৰু বাহিৰত এই কেইখন যে যে একোখন নাট এই পৰ্য্যন্ত নজনাৰ দোষত এই বিহাৰ-অনুষ্ঠানবোৰৰ প্ৰতি মানুহে বেয়া মনোভাব পোষণ কৰা দেখা যায়। ভকতসকলে এই সম্পৰ্কে কয়—"গজলাত গজিলে, বাৰেঘৰত বাঢ়িলে, কাটনিত কাটিলে, ম'ৰামৰাত মাৰিলে মূৰা।" আদিতে বিহাৰ তিনিখন আছিল। বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীৰামদেৱ আৰু নগাৰ নৰোত্তমৰ মিলনৰপৰা নতুনকৈ নগাবিহাৰ হল।

"প্ৰথমে বলমী আদিত ম'ৰামৰা
ৰসে কাটনিপাৰ।
বলমীৰ পৰা আহিল গুৰু বাপে
শ্ৰীৰামদেৱ পাতে বিহাৰ ॥
অতি সুখে-দুঃখে সুকোমল কায়া
পাতে ধৰমৰে মূল।
সাপেখাতীৰ পৰা ভকত চপাই আনি
মেলে ধৰমৰে মূল ॥"

বিহাৰনো কি ?

"কলীয়া কানাই বিনন্দ বিহাৰ
যোগায় গোপীসবে সাজ।
চাৰিও যুগৰে চাৰিটি বিহাৰ
চাৰিও বেদৰে বাজ ॥"

নিজ বিহাৰ বা ৰৰসেৱাই এই সকলৰ ঘাই অনুষ্ঠান। ভকতসকলৰ মতে শ্ৰীশঙ্কৰদেৱৰ চিহ্নযাত্ৰা নাটৰ আহিৰে সপ্তবৈকুণ্ঠ ইয়াতো আছে। শিৱই মেৰুপৰ্ব্বতত পূৰ্ণ ঈশ্বৰক ভক্তি কৰি বৈকুণ্ঠ লাভ কৰাৰ কাহিনী ভক্তিৰসাপ্লুত কৰি দাঙি ধৰা হৈছে।

"মেৰুমূলে ধৰ্ম্ম প্ৰকাশিলা চাৰিবিধ ৰূপে প্ৰচাৰিলা
মূলধাৰা সঙ্গ ব্ৰহ্মক হৃদয়ে ধৰি।
মূল নাম আদি প্ৰকাশিলা জগমাতা সমে সেৱা কৈলা
আপুনি আত্মাত কৰনি কীৰ্ত্তন স্মৰি ॥"

* * *

"মাতাৰ আগত বিনাই কথা কহে
তাহাৰ নাম শিৱ।
অপৰ থানত আছে একজন
কেৱল ভকতৰ জীৱ ॥"

এই বিহাৰত শিৱৰ ভাও লৈ এজন ওলায়। তেওঁৰ লগত সঙ্গ-ভকতো আছে আৰু শিৱই ভক্তিগীত গায়।

"ব্ৰহ্মা নামিছে বিষ্ণু নামিছে
নামিল সীতাদেৱী আই।



কৈলাসৰপৰা মহাদেৱ নামিছে
ত্ৰিশূল ডম্বৰু বায় ॥
সত্য থানৰপৰা বিষ্ণুসে নামিছে
জীৱলৈ মৰমে কৰি।
বৈকুণ্ঠৰ পৰা ঈশ্বৰ নামিছে
কায়ে পাৰিষদ লৈ ॥"

* * *

"শিৱ প্ৰৱৰ্ত্তিলে দিগম্বৰী ভাগে
কটিত কিঙ্কিনী নাই।
সবেও ঘটে মতে ভাঙিল মহাদেৱে
দিলে ভাৰন্তলৈ নমাই ॥"

নগাবিহাৰ। বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীৰামদেৱৰ আৰু নগাৰ নৰোত্তম আতৈৰ আধ্যাত্মিক মিলনৰ পটভূমিতে নগাবিহাৰ ৰচিত। শ্ৰীৰামদেৱ আগৰ জন্মৰ শ্ৰীমন্ত শঙ্কৰ আৰু নৰোত্তম ৰজা নৰনাৰায়ণ। পিছৰ জন্মত দুয়ো জন্ম ললে কিন্তু পৃথিৱীৰ মায়া-মোহ আৰু বিষয়-বাসনাই দুয়োৰে আত্ম-পৰিচয় পাহৰাই পেলালে।

"পূৰ্ব্বৰেপৰা আহোঁ একেলগে
বাটত হেৰুৱালোঁ লগ।
সত্য, দ্বাপৰ, ত্ৰেতাত বিচাৰি নেপালোঁ
কলিত মুই পালোঁহি লগ ॥"
"দেখিলে শুচি হওঁ দুই পাৱৰ ধূলা লওঁ
বৈ আছোঁ থৰমৰ ভাব।
সচাঁ গুৰু মানি তোমাক সেৱা কৰোঁ
নিগমত কৰিবা পাৰ ॥"

নগাবিহাৰত এজনে নগা নৰোত্তমৰ ভাও লয়। তেওঁ নগাই পিন্ধাৰ দৰে কাঠৰ মানুহৰ মূৰৰ মালা পিন্ধে। এই বিহাৰৰ শেষত গায়—

"নগাৰ নৰোত্তমে গোঁসাই শ্ৰীৰামে
লগে বৈকুণ্ঠলৈ গল।"

নগাবিহাৰ আৰু নিজবিহাৰ এই দুয়ো বিহাৰ বিশেষ গোপনীয়।

ফুলবিহাৰ। বৃন্দাবনত ৰাধাসহ ছগৰাকী গোপীয়ে কৃষ্ণপ্ৰেমত আপ্লুত হৈ কৃষ্ণক বিচাৰি ফুৰোঁতে যি ভক্তি ৰস নিগৰি ওলাইছিল আৰু পিছত বিচাৰি পাই যে ফুল পিন্ধাইছিল সেয়ে ফুলবিহাৰ।

"চান্দে সৰুয়ে সোলান পৰি গৈছে
হৃদিত পৰিছে গান্ধ।
ৰসৰ ভাণ্ড লৈ ৰাধাৰ ছয় গোপী
পূৰ্ণক ধৰা যোগান ॥
পূৰ্ণ বহিছে পূৰ্ণ মূলতে
পূৰ্ণ পূৰ্ণলৈ চাই।
আমি দাসীসৱে আনো অমৃতক
পূৰ্ণ বদনে খাই ॥"
"আজি ভিতৰ ঘৰত পদ্মফুল ফুলিছে
ভকতে আছিলে বেৰি।
হিয়ে হিয়ে কৰি অমৃত বৰষিছে
যাম কোন সতে এৰি।"

* * *

"কি ফুল সেউতী কি ফুল মালতী
কি ফুল আছে বৰণ।
একেটি ডালতে ফুলে চাৰিপাহি
চাৰিও চাৰি বৰণ ॥"

গোপীবিহাৰ। ফুলবিহাৰৰে অনুৰূপ অনুষ্ঠান। সিমান গোপনীয় নহয়। বৃন্দাবনৰ গোপীয়ে পতি-পুত্ৰ এৰি কায়-বাক্য-মনে কৃষ্ণক ভক্তি কৰাৰ দৰে ভক্তি কৰাৰ আদৰ্শৰ ওপৰতে গোপীবিহাৰ ৰচিত।

"পূৰ্ণ ঈশ্বৰে ভকতি কৰিলে
ভকতি কৰিলে ৰাধা।
যোল শ গোপীয়ে ভকতি কৰিলে
ইসৱে নেপালে কথা ॥"

* * *

"সেৱা আনন্দিয়া সেৱা বিনন্দীয়া
সেৱা পৰিপূৰ্ণ কাচ।

আমি পৰিপূৰ্ণ স্বামী সেৱা কৰোঁ
নিৰ্ম্মল সঙ্গৰে মাজ ॥"

* * *

"হে পূৰ্ণ স্বামী ইটো দেৱসাজ
পূৰ্ণতে আহিলে নামি।
আপোনাৰ সেৱা আপুনি লৈবাহা
আপুনি গুৰু স্বামী ॥
চাকিয়া বাকিয়া সৃচন কৰিয়া
যোগাইছো স্বামীৰ সঙ্গে।
দোষ চাই এৰিবা গুণ চাই লম্ভিবা
সাজকো লৈবন্ত ৰঙ্গে ॥"

এই সম্প্ৰদায়ৰ কামসমূহৰ ক্ৰম আছে। ঘাই-জনক পূৰ্ণ, লগৰ ভকত সকলক সঙ্গ, পূৰ্ণসহ ভকতমণ্ডলীক সঙ্গ বা মূল বোলে। পূৰ্ণই আসন গ্ৰহণ কৰিবৰ সময়ত আহৰণ, পক্ষালন, গুৰা-নিমন্ত্ৰণ, আসনশুদ্ধি অনুষ্ঠান কৰা হয়। প্ৰত্যেকতে গীত বা বিচাৰ আছে। ৰহনি নাম গালে সঙ্গত পূৰ্ণ বহে। পূৰ্ণক সোধে—

"কোন নাম ধৰি গোপীৰ সেৱা লোৱা
কোন নাম ধৰি খোৱা।
কোন নাম ধৰি গোপীক খুৱাইছা
ইহাৰ পৰিচয় দিয়া ॥
কৃষ্ণ নাম ধৰি গোপীৰ সেৱা লওঁ
ভকত নাম ধৰি খাওঁ।
পুত্ৰ নাম ধৰি গোপীকে খুৱাইছোঁ
গোপীকে মাতৃ আই পাওঁ ॥"

পূৰ্ণৰ আগত চাকি-বন্তি লগায়। চাকিৰো বিচাৰ আছে।

"সঙ্গতে কোনজন সচঙ্গত কোনজন
প্ৰদীপত কোনজন থাকে।
এইনো তিনিজনে ক'তেৰা মিলাইছে
কোনে কৰি গৈছে সেৱ ॥
সঙ্গতে শঙ্কৰ ভোজনত মাধৱ
প্ৰদীপত গোপালদেৱ থাকে।
এইনো তিনিজনে সঙ্গতে মিলাইছে
সদায়ে কৰিছোঁ সেৱ ॥"

তাৰ পিছত তামোল-পান দি কৰণি পাতে। সত্য, শৌচ, ক্ষমা, দয়া এই চাৰি গুণ অনুসৰি কৰণিৰ চাৰিটা খুৰা। কৰণি পতাৰো নাম আছে।

"ভকতো আহিছে সাজে আগ বাঢ়িছে
দোকানী আহিছে চলি।
কৰণি আসনে যোৰে কলাপাতে
পাতো কৃতাঞ্জলি কৰি ॥
কৰণি পাতিয়ে কৰো নমস্কাৰ
কৰো সাধু-গুৰুক সেৱা।
শ্ৰীৰামদেৱে যোগেশ্বৰৰ ধৰম
কিঞ্চিত নপৈৰো বেৱা ॥"

তাৰ পিছত সাজ বা সাজৰ থাল। ইনো কি?

"কোন হৈ আহিছে বাছনি বাটিটি
কোন হৈ আহিছে থাল।
কোন হৈ আহিছা থালৰে দোকানী
আমাক শিকাই গলে ভাল ॥
ব্ৰহ্মা হৈ আহিছোঁ বাছনিৰ বাটিটি
বিষ্ণু হৈ আহিছোঁ থাল।
আমি যে আহিছোঁ থালৰে দোকানী
ধৰোঁ বন্ধু-গুৰুক আৰ্ল ॥"

নিজ বিহাৰত শঙ্কৰক ৰসৰ যোগান ধৰা নামো বেলেগ।

"ৰহনী গহনী পাঞ্চকৈ গোপিনী
ৰসৰে পাতিছোঁ খেলা।
পঞ্চকৈ গোপিনী ৰসকে আনিছোঁ
তুমি শঙ্কৰ হৈ লোৱা ॥
তুমি শঙ্কৰৰূপী আমি মনিচৰূপী
মনিচৰ শৰীৰৰ দেহা।
কিবা বচা-টুটা দোষ ক্ষমা কৰা
চৰণে আদৰি ধৰা ॥"



সঙ্গ-মূলক এওঁবিলাকে বৈকুণ্ঠৰং জ্ঞান কৰে গতিকে ইয়াত কুল-জাতিৰ বিচাৰ থাকিব নোৱাৰে।

"ভৈল এক জাত নাহি কুল-জাত
কেৱল পূৰ্ণ ঈশ্বৰ।"

ব্ৰাহ্মণ-পুত্ৰয়ো 'সোণৰ লগুণ' ছিঙি এই পন্থত সোমোৱাৰ কথা গীতত আছে:

"তুমি যে নাজানা বামুণ তনয়
হলা চাৰিবেদৰ ৰাজ।
আজুৰি ছিঙিলা সুৱৰ্ণৰ লগুণে
ধৰিলা কেৱলাৰ ভাগ ॥"

কেৱলা গীতবোৰ দীঘলে-পুতলে একোটা বৰগীতৰ সমান। অন্নবিচাৰ, দেহবিচাৰ, আত্ম-বিচাৰ, আস্থাপৰিচয়, জীৱবিচাৰ আদি বিভিন্ন বিভিন্ন বিষয়ৰ গীতবোৰৰ কেইবাজনো পুৰুষৰ ভনিতা পোৱা যায়। আমি পোৱা গীতবোৰৰ ঘাইকৈ শ্ৰীৰামদেৱ, শ্ৰীসুন্দৰদেৱ, শুকদেৱ আৰু ৰমানন্দৰ নাম পাইছোঁ। তদুপৰি বহুতো গীতত সাধাৰণৰ লোকগীতৰ নিচিনাকৈ ৰচকৰ নাম উল্লেখ কৰা নাই।

ভবানিপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ ৰমানন্দ। ৰমানন্দৰ আজ্ঞাপৰ শ্ৰীকৃষ্ণ। শ্ৰীকৃষ্ণৰ পুত্ৰ সুদৰিশন, বিজয়ানন্দ আৰু সুনন্দ। সুদৰিশন বাৰেঘৰ সত্ৰৰ, বিজয়ানন্দ বুদবাৰী সত্ৰৰ আৰু সুনন্দ কাঠনিপাৰ সত্ৰৰ প্ৰতিষ্ঠাপক। একালত "চেঁচা, চলিহা ( বাৰেঘৰ ), বুদবাৰী, কাঠনি" এই চাৰিও সত্ৰ এই ভক্তিমাৰ্গৰ প্ৰধান পৃষ্ঠপোষক আছিল। শ্ৰীৰামদেৱ ১৫৮৭ শকত জন্ম গ্ৰহণ কৰিছিল। শুকদেৱ চেঁচাসত্ৰৰ আৰু ৰমানন্দ ম'ৰামৰা সত্ৰৰ গোঁসাই আছিল। সুনন্দদেৱৰ ভনিতাসমূহত আছে—

"কৈছে সুনন্দদেৱে শুনা বন্ধুসৱে
দিয়া সচঙ্গতে ঠাই ॥"

* * *

"জীৱৰ আৱৰণ কৈছে সুনন্দদেৱে
তোমাতে আমাৰ সেৱা।"

* * *

"সুনন্দদেৱে মতি অচিন পীৰিতি
ভক্তৰ পূৰ্ণ ওহি কাম।"
"শ্ৰীসুনন্দদেৱৰ যোগেশ্বৰ ধৰ্ম্ম
কিঞ্চিতো নথলে আৰ।"

সেইদৰে শ্ৰীৰামদেৱৰ ভণিতাত আছে—

"ক'ৰপৰা আহিলা আজুৱা জীৱটি
নিত্যানন্দৰ আজ্ঞা পাই।
কৈছে শ্ৰীৰামদেৱে শুনা বন্ধুসৱে
জীৱক ৰাখি ভুঞ্জয় ॥"

* * *

"শ্ৰীৰামদেৱৰে হাড়ক টানি আনি
পূৰ্ণ জোখেৰে খোৱা।"

* * *

"কৈছে ৰমানন্দে ৰসৰ আনন্দে
যন্থদেৱ শিৰৰে মণি।"

* * *

"কৈছে শুকদেৱে শুনা বন্ধুসৱে
এই গীত শঙ্কৰে গায়।"

এই গীতসমূহৰ সাঁচিপতীয়া পুথি আছে। কিন্তু সংশ্লিষ্ট দুই-এখন সত্ৰত বিচাৰ কৰোঁতে সত্ৰ-কৰ্তৃপক্ষৰপৰা জানিব পৰা গল যে এই গীতৰ আটাইবোৰৰ ভণিতাত উপৰোক্ত পুৰুষ কেই-জনৰ নাম উল্লেখ থাকিলেও তেওঁবিলাকে ৰচনা কৰা নহব পাৰে। অনুগত শিষ্যই নিজে ৰচনা কৰি গুৰুৰ নামত ভণিতা পেলাব পাৰে আৰু সাধাৰণতে তেনে কৰা দেখা যায়। তদুপৰি মুখ বাগৰি, কাণ বাগৰি আহোঁতে বহুত ঠাইত

প্ৰক্ষিপ্ত হোৱা দেখা গৈছে। আগৰ কালসংহতি আৰু কেৱলাভাগৰ সত্ৰ আৰু ভকতে নতুনকৈ নতুনকৈ আন সংহতিলৈ যোৱা দেখা গৈছে আৰু তেওঁবিলাকেই সাধাৰণতে কেৱলা বুলি কলে আজিকালি খণ্ডত টিভিৰি-তুলা হয় আৰু বহুতো সময়ত এই গীত আদি নষ্ট কৰি পেলোৱা বুলিও জনা গৈছে।

সংশ্লিষ্ট সত্ৰসমূহত এই ভক্তিমাৰ্গৰ মূল শাস্ত্ৰ আৰু বিহাৰ কেইখন এতিয়াও অপ্ৰকাশিত হৈ আছে। সমগ্ৰ অসমতে বিয়পিপৰা নৱবৈষ্ণৱ আন্দোলনৰ লগতে লৌকিক আচাৰ আৰু ভাগৱতৰ স্বকীয়া দৃষ্টিভঙ্গীত গ্ৰহণ কৰা স্বকীয়া মতবাদ আদিৰ কথা জানিবলৈ এই গোপন শাস্ত্ৰ-সমূহ উদ্ধাৰ কৰিব লাগিব। এইটো সত্য যে এই শাস্ত্ৰসমূহৰ আৰু গীতবোৰৰ অৰ্থ ব্যাখ্যা কৰা থূলৰ ভকতৰ বাহিৰে আনৰ বাবে দুঃসাধ্য আৰু বহুতো ক্ষেত্ৰত অসাধ্য।

তেওঁবিলাকৰ অনুষ্ঠানত ৰস স্বৰূপে মদ আদি ব্যৱহাৰ কৰাটো ভাগৱতসন্মত বুলি কয়।

"যদ্‌ঘ্ৰাণভক্ষো বিহিতঃ সুৰায়া
স্তথা পশোৰালভনং ন হিংসা
এবং ব্যবায়ঃ প্ৰজয়া ন ৰত্যা
ইমং বিশুদ্ধং ন বিদুঃ স্বধৰ্ম্মম্।
(ভাগৱত ১১।৫।১৩)

অৱশ্যে এওঁবিলাকৰ উপদেশ আদি সহজ-বোধ্য নহলেও বহল দৃষ্টিভঙ্গী এটা থকা দেখা যায়। স্থানীয় প্ৰভাৱ আৰু লোকাচাৰ সংমিশ্ৰিত ইও এক নৱবৈষ্ণৱ আন্দোলনৰে ফল। উজনি অসমত ব্ৰহ্মসংহতি আৰু পুৰুষসংহতিত শৰণ লোৱা শিষ্যবো গোপনে ভক্তিপন্থত কেৱলা ভাগত ভজন লোৱা দেখা যায়। আত্মসংযম, আত্মশুদ্ধি, প্ৰেম আৰু সৰ্ব্বজীৱক সমব্ৰহ্মজ্ঞান আদি তেওঁ-বিলাকৰ মূলমন্ত্ৰ। "যজ্ঞাৰ্থে পশুবধ" তেওঁবিলাকে কৰে কিন্তু সেই মুহূৰ্ত্তত মৃত্যু হলে জীৱই নিৰ্ব্বাণ পায় বুলি ভাবে। তেওঁবিলাকৰ ধ্যান-ধাৰণা হৈছে কৃষ্ণমূৰ্ত্তি পূৰ্ণ ঈশ্বৰৰ চৰণত নিজক মিলাই দি বৈকুণ্ঠ লাভ কৰা। কেৱলা ভক্তিয়েই সেই বৈকুণ্ঠত উপনীত কৰাব পাৰে বুলি তেওঁবিলাকৰ গভীৰ বিশ্বাস।

"বাৰেও স্কন্ধে বিচাৰি কহিলোঁ
কেৱল ভকতি পাই।
কেৱল ভক্তিত শৰণে পশিলে
সংসাৰ বন্ধন এৰাই।"

---

# অহল্যাজাৰ ইন্দ্ৰ ঃ

[ কন্দলী ৰামায়ণত অহল্যা আখ্যান আৰু চৰিত্ৰ ]

—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, এম. এ.

অহল্যাৰ আখ্যান পুৰাণ-প্ৰসিদ্ধ। মহৰ্ষি গৌতমৰ ভাৰ্য্যা অহল্যাক দেৱৰাজ ইন্দ্ৰই গৌতমৰ অনুপস্থিতিত ধৰ্ষণ কৰে। পিছত এই কথা জানিব পাৰি গৌতমে দুয়োকো অভিশাপ দিয়ে। কিছুকাল শাপগ্ৰস্ত হৈ থকাৰ পিছত ইন্দ্ৰই পূৰ্ব্বৰ অৱস্থা লাভ কৰে আৰু অহল্যাও শাপমুক্তা হয়।

এই কথাখিনি বাল্মীকি ৰামায়ণ আৰু কেবাখনো পুৰাণত একোটা আখ্যায়িকাত পৰিণত হৈ বিভিন্নৰূপত প্ৰকাশ পাইছে। বিভিন্ন পুৰাণত আৰু ৰামায়ণত এই আখ্যানৰ বৰ্ণনাত বহুত পাৰ্থক্য আছে। বৰ্ণনাৰ পাৰ্থক্যৰ বাহিৰেও এটা মূল বিষয়তো পাৰ্থক্য আছে। সেইটো হৈছে অহল্যাৰ ইন্দ্ৰৰ প্ৰতি থকা কামনা। ৰামায়ণৰ আদি কাণ্ডত অহল্যাক সকামা ৰূপেই চিত্ৰিত কৰা হৈছে। কোনো পুৰাণে আকৌ অহল্যাৰ ইন্দ্ৰিয়ালুতা আৰু কামনাৰ প্ৰাবল্য দেখুৱাইছে। আনহাতে ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত আকৌ অহল্যাচৰিত্ৰ ইয়াৰ বিপৰীতে অঙ্কিত হৈছে। এনে বিৰুদ্ধমত থকা সত্বেও প্ৰৱাদ মতে অহল্যা পঞ্চকন্যাৰ অন্যতমা। [ মন কৰিব লগীয়া এইটোহে যে অহল্যা, দ্ৰৌপদী আদি পঞ্চকন্যাৰ প্ৰত্যেকেই অৱস্থাবিশেষে অনেক-ভৰ্ত্তৃকাৰ একোটা বেলেগ বেলেগ উদাহৰণ। ]

ইন্দ্ৰক অহল্যা-জাৰ ৰূপে উল্লেখ থকা দেখি ইয়াৰ এটা ৰূপক ব্যাখ্যাও অষ্টম শতিকাৰ বিখ্যাত দাৰ্শনিক কুমাৰিল ভট্টই দিছে। তেওঁৰ ব্যাখ্যাৰ মূল কথা হ'ল : ইন্দ্ৰ মানে আদিত্য আৰু অহল্যা মানে ( অহনি লীয়মানতয়া ) ৰাত্ৰি। আদিত্যৰ কিৰণ সম্পাতত অহল্যা ( ৰাত্ৰি ) জীৰ্ণ হোৱা বাবে ইন্দ্ৰক অহল্যাজাৰ বোলা হৈছে। [ সমস্ততেজাঃ পৰমৈশ্বৰ্য্যনিমিত্তেন্দ্ৰ শব্দবাচ্যঃ সবিতেবাহনি লীয়মানতয়া হেতুনা-ৰাত্ৰেৰেবাহল্যা শব্দবাচ্যায়াঃ ক্ষয়াত্মকজৰণ-হেতুত্বাদ্ জীৰ্য্যত্যামাদনেনৈবোদিতেন ইত্যাদিত্য এব অহল্যাজাৰঃ। ]

বিশেষ প্ৰণিধানযোগ্য এই যে এই বিখ্যাত দাৰ্শনিকজনে ইন্দ্ৰ বা অহল্যাৰ কোনো প্ৰকাৰ শোচনীয় পৰিণতিৰ কথা উল্লেখ কৰা নাই। আনহাতে কিন্তু প্ৰসঙ্গতে স্বৰ্গাধিপতি হৈ থকা নহুষে ইন্দ্ৰভাৰ্য্যা শচীক কামনা কৰা বাবে অজগৰত্ব লাভ কৰাৰ কথা উল্লেখ কৰি তাক অশিষ্ট কামনাৰ শোচনীয় পৰিণতি বুলি কৈছে। ইন্দ্ৰৰ বৃষণছিন্নৰ নিচিনা ( বাল্মীকি ৰামায়ণ মতে ) পৰিণতিৰ বিষয়ে জনা হ'লে ( ? ) এনে ব্যাখ্যাৰে সেই আখ্যানৰ সমাধান কৰিব লগীয়া নহলেহেঁতেন। তেনেহ'লে অষ্টম শতিকাত প্ৰচলিত ৰামায়ণ আৰু পুৰাণত ইন্দ্ৰৰ বৃষণছিন্ন হোৱা বা শৰীৰ ভগচিহ্নিত হোৱাৰ উল্লেখ নাছিল নে কি ? এই সন্দেহ সমৰ্থন কৰে এই প্ৰসঙ্গত উল্লেখ কৰা আখ্যান কেইটাৰ বিভিন্ন প্ৰকাৰ বিশ্লেষণে। কোনো শোচনীয় পৰিণতি নথকা

প্ৰজাপতিৰ দুহিতৃ কামনা, দ্ৰৌপদীৰ পঞ্চ-পতিত্ব আৰু ইন্দ্ৰৰ অহল্যাজাৰত্ব একে পৰ্য্যাতে ধৰি ৰূপক বা অন্য ব্যাখ্যা দিয়া হৈছে আৰু অন্যান্য বিলাকৰ পৰিণতি দেখুৱাই অকৰ্ত্তব্যতা বুজোৱা হৈছে। অহল্যা আখ্যানৰ আধুনিক ব্যাখ্যা এটাও হয়। সেই ব্যাখ্যামতে হলকৃষ্টা ভূমিয়েই হল্যা আৰু অকৃষ্টা ভূমি অহল্যা। গোতম (গো তমঃ) বা গৌতমৰ আশ্ৰয়ত অহল্যা আছিল অৰ্থাৎ অন্ধকাৰে সেই ভূমি কৰ্ষণৰ অনুপ-যোগী কৰি থৈছিল। ইন্দ্ৰ অৰ্থাৎ আদিত্যৰ কিৰণ সম্পাতত গোতম আতৰি গ'ল আৰু অহল্যা জীৰ্ণা হ'ল ; গতিকে ইন্দ্ৰ অহল্যা-জাৰ।

অহল্যা ইন্দ্ৰৰ পৌৰাণিক আখ্যান মাধৱ কন্দলীৰ ৰামায়ণত কেনেভাৱে প্ৰকাশ হৈছে তুলনা কৰা আৱশ্যক।

বাল্মীকি ৰামায়ণৰ অসমীয়া ভাঙনি কৰোঁতাৰ ভিতৰত মাধৱ কন্দলীয়েই প্ৰথম আৰু প্ৰধান। সম্ভৱ সকলো প্ৰাদেশিক ভাষাতে এই ভাঙনি পুৰণি। সম্প্ৰতি ছপাৰ আকাৰত পোৱা অসমীয়া ৰামায়ণৰ আদিকাণ্ড আৰু উত্তৰাকাণ্ড ক্ৰমে মাধৱদেৱ আৰু শঙ্কৰদেৱৰ ৰচিত। এনে হোৱাৰ যি কাৰণ আৰু যুক্তি সচৰাচৰ দেখুওৱা হৈছে সি বিচাৰ-সাপেক্ষ।

অসমীয়া ৰামায়ণ কেইটামান সৰু সৰু ঘটনাৰ বাহিৰে মূলানুগ বুলি কোনো সমালোচকে কৈছে ; কিন্তু প্ৰকৃততে ইয়াত বহুত যোগ-বিয়োগ আছে। অহল্যা আখ্যানো তেনে এটা যোগ-বিয়োগৰে উদাহৰণ।

বাল্মীকি ৰামায়ণৰ আদিকাণ্ডৰ ৪৮ অধ্যায়ত অহল্যা-ইন্দ্ৰ আখ্যান আছে। এদিন গৌতমৰ অনুপস্থিতিত ইন্দ্ৰই গৌতমবেশেৰে আশ্ৰমত প্ৰৱেশ কৰি অহল্যাক মনোভাৱ জনায় আৰু অহল্যাই মুনিবেশধাৰী ইন্দ্ৰক চিনিব পাৰিও দেৱৰাজৰ সঙ্গমাভিলাষিণী হৈ তেওঁৰ প্ৰাৰ্থনা পূৰ্ণ কৰিলে।

সন্তুষ্টচিত্তেৰে অহল্যাই তেতিয়া দেৱৰাজক আশ্ৰমৰ পৰা যাবলৈ কয়। ইন্দ্ৰ আশ্ৰমৰপৰা ওলাই যাওঁতে বাটতে গৌতমে দেখি অসদাচাৰী ইন্দ্ৰক তেওঁৰ বৃষণদ্বয় স্খলিত হবলৈ অভিশাপ দিয়ে। অহল্যাকো সকলো প্ৰাণীৰ অদৃশ্যা হৈ ভস্মশায়িনী হৈ থাকিবলৈ অভিশাপ দিয়ে। পিছত পিতৃগণৰ অনুগ্ৰহত ইন্দ্ৰ মেষবৃষণ হয়। (১) *

বাল্মীকি ৰামায়ণৰ উত্তৰাকাণ্ড ৩৭ অধ্যায়ত অহল্যা-ইন্দ্ৰ আখ্যান বেলেগে বহলাই বৰ্ণনা কৰা আছে। এই বৰ্ণনাত ইন্দ্ৰক শক্ৰৰ হাতত বন্দী হবলৈ আৰু অহল্যাক কুৰূপা হবলৈ গৌতমে অভিশাপ দিছে।

[ যস্মাত্তে ধৰ্ষিতা পত্নী ত্বয়া ৱাসৱনিৰ্ভয়াৎ।
তস্মাত্ত্বং সমৰে শক্ৰ শক্ৰহস্তং গমিষ্যসি ॥ ]

ৰামায়ণৰ এই আখ্যান দুটাৰ মাঁই পাৰ্থক্য এয়ে যে পিছৰ আখ্যানত অহল্যা নিষ্কামা আৰু প্ৰকৃত ঘটনাৰ বিষয়ে সম্পূৰ্ণ অজ্ঞ।

[ অজ্ঞানাদ্ ধৰ্ষিতা ৱিপ্ৰ তদ্ৰূপেণ দিৱৌকসা।
ন কামকাৰাদ্ ৱিপ্ৰৰ্ষে প্ৰসাদং কৰ্ত্তুমৰ্হসি ॥ ]

মাধৱ কন্দলীৰ ৰামায়ণৰ আদিকাণ্ডত অহল্যা আখ্যান আছে ; উত্তৰাকাণ্ডত নাই। অৱশ্যে এই দুয়ো কাণ্ড পিছত যোগ হোৱা বাবে মাধৱ কন্দলীৰ ৰামায়ণত কেনে আছিল কোৱা টান। সম্প্ৰতি পোৱা মতে আদিকাণ্ড মাধৱ দেৱৰহে ৰচিত। সেই আখ্যান এনে— : গৌতম ঋষিয়ে এসময়ত কঠোৰ তপস্যা কৰা বাবে শঙ্কাকুল দেৱৰাজ নিজে তপস্যা ভঙ্গ কৰিবলৈ গৌতমৰ আশ্ৰমলৈ আহিল। আশ্ৰমত থাকোঁতে

অহল্যাৰ ৰূপে বাসৱক পৰশিল।
কামে বিমোহিত হুয়া বুলিবে লাগিল ॥
গৌতমৰ তপ ভঙ্গ এখনে আছোক।
অহল্যাৰ ৰূপে আতি মোহিলেক মোক ॥

তাৰ পিছত গৌতমৰ অনুপস্থিতিত গৌতম বেশেৰে অহল্যাক ধৰ্ষণ কৰে। শেষত অহল্যাই বুজিব পাৰি খণ্ডত কোন বুলি পৰিচয় সোধাত ইন্দ্ৰই এনেদৰে পৰিচয় দিলে।

শুনিয়োক মহাসতি মই দেৱৰাজ।
আন কোনে কৰিবেক ইমত অকাজ ॥

তেতিয়া অহল্যাই ইন্দ্ৰৰ শাস্তিৰ ভাৰ স্বামীৰ হাতলৈ থৈ তেওঁক যাবলৈ ক'লে। বৃদ্ধ ব্ৰাহ্মণৰ বেশত ইন্দ্ৰ ওলাই যাওঁতে গৌতমৰ সাক্ষাত পায়। গৌতমে সকলো কথা জানিব পাৰি অভিশাপ দিলে।

সৰ্ব্বদাই তই যোনিতেসে মাত্ৰ ৰত।
সহস্ৰ হউক যোনি তোৰ শৰীৰত ॥
যেন আনক্ষণে নকৰস হেন দোষ।
এতক্ষণে ছিণ্ডিয়া পৰোক অণ্ডকোষ ॥

তাৰ পাছত অহল্যাকো অজ্ঞানকৃত দোষৰ দণ্ড দিলে।

অজ্ঞান দোষৰ তথাপিতো কৰো দণ্ড।
কতো কালমানে হুয়া থাক শিলা খণ্ড ॥

ইফালে শাপগ্ৰস্ত হৈ ইন্দ্ৰ লাজে অপমানে উত্তৰ দিশে পদ্মৰ তন্তুত লুকাই থাকিল গৈ। শচীয়ে ইন্দ্ৰৰ একো স্থিতি নাজানি বৃহস্পতিক সুধিলে। বৃহস্পতিয়ে শচীক দুৰ্গা পূজা কৰিবলৈ উপদেশ দিলে। উপদেশমতে শচীয়ে দুৰ্গা পূজা কৰি দুৰ্গাৰ পৰা স্বামীক লাভ কৰিবলৈ বৰ পায়। তেতিয়া শচী বৃহস্পতিৰ সৈতে গৈ ইন্দ্ৰক সৰো-বৰৰ পাৰত পালে। এহেজাৰ বছৰ পদ্মৰ তন্তুত থাকি ইন্দ্ৰ ওলাই আহিল। তেতিয়া বৃহস্পতিয়ে ইন্দ্ৰক দুৰ্গা আৰাধনা কৰিবলৈ কলে আৰু ইন্দ্ৰই দুৰ্গা আৰাধনা কৰি দুৰ্গাৰ বৰত সহস্ৰলোচন হয়। পিছত অশ্বিনীকুমাৰক মাতি বৃষণহীনতাৰ কথা কোৱাত অশ্বিনীকুমাৰে মেষ বৃষণ যোগ কৰি দিয়ে। উপকৃত দেৱৰাজে তেতিয়া—

খাসিক দিলন্ত বৰ সহস্ৰলোচন ॥
হৌক খাসি ছাগল পৱিত্ৰ সুকোমল।
লাগিবেক দেৱ পিতৃ কাৰ্য্যত সকল ॥

ইন্দ্ৰ এইদৰে শাপমুক্ত হ'ল। অহল্যা ৰামচন্দ্ৰৰ স্পৰ্শত শাপমুক্তা হ'ল আৰু তেতিয়াই গৌতম ঋষিও তাত উপস্থিত হ'ল।

বাল্মীকি ৰামায়ণৰ আদিকাণ্ডৰ আখ্যানৰ লগত অসমীয়া ৰামায়ণৰ আখ্যানৰ প্ৰধান

---

(১) * তস্যাস্তৱং ৱিদিত্বাচ সহস্ৰাক্ষঃ শচীপতিঃ।
মুনিৱেশ ধৰো ভূত্বা অহল্যামিদমব্ৰৱীৎ ॥

* * *

মুনিৱেশং সহস্ৰাক্ষং ৱিজ্ঞায় ৰঘুনন্দন।
মতিঞ্চকাৰ দুৰ্ম্মেধা দেৱৰাজকুতূহলাৎ ॥
অথাব্ৰৱীৎ সুৰশ্ৰেষ্ঠং কৃতাৰ্থেনান্তৰাত্মনা।
কৃতাৰ্থাস্মি সুৰশ্ৰেষ্ঠ গচ্ছ শীঘ্ৰমিতঃ প্ৰভো ॥
আত্মানং মাঞ্চ দেৱেশ সৰ্ব্বথা ৰক্ষ গৌৰৱাৎ।

* * *

মম ৰূপং সমাস্থায় কৃতৱানসি দুৰ্ম্মতে।
অকৰ্ত্তব্যমিদং যস্মাদ্বিফলস্ত্বং ভৱিষ্যসি ॥

* * *

ইহ ৱৰ্ষ সহস্ৰাণি ৱহূনি নিৱসিষ্যসি
ৱাতভক্ষা নিৰাহাৰা তপ্যন্তী ভস্মশায়িনী ॥
অদৃশ্যা সৰ্ব্বভূতানামাশ্ৰমেঽস্মিন্ ৱসিষ্যসি।

* * *

অয়ং মেষঃ সৱৃষণঃ শক্ৰোঽহ্যৱৃষণঃ কৃতঃ।
মেষস্য ৱৃষণৌ গৃহ্য শক্ৰায়াশু প্ৰযচ্ছত ॥

পাৰ্থক্য হ'ল। ইন্দ্ৰ সহস্ৰ-যোনি হ'বলৈ শাপগ্ৰস্ত হোৱা, দুৰ্গা আৰাধনা কৰি ইন্দ্ৰ সহস্ৰাক্ষ হোৱা, শচীয়ে দুৰ্গা আৰাধনা কৰি ইন্দ্ৰলাভ কৰিবলৈ বৰ পোৱা, অশ্বিনীকুমাৰৰ দ্বাৰা ইন্দ্ৰ মেষবৃষণ হোৱা আৰু আনহাতে অহল্যাৰ শিলাত্বপ্ৰাপ্তি (আৰু শ্ৰীৰামচন্দ্ৰৰ পাদস্পৰ্শত মুক্তি) আদি। কিন্তু আখ্যানৰ এই পাৰ্থক্যতকৈয়ো অহল্যা-চৰিত্ৰৰ স্বকীয়া ৰূপটোহে বেছি উল্লেখযোগ্য। বাল্মীকি ৰামায়ণৰ সকামা অহল্যাৰ ঠাইত অসমীয়া ৰামায়ণত দেৱৰাজৰ কপটবেশত সহজে প্ৰতাৰিতা অহল্যাই স্ত্ৰী আলাপৰ সময়ৰ বিষয়ে যুক্তি দেখুৱাইছে আৰু শেষত খঙত দেৱৰাজক কটূক্তি কৰিছে। ইয়াৰ বাহিৰেও অসমীয়া ৰামায়ণৰ বৰ্ণনাত গৌতমবেশী ইন্দ্ৰ আৰু অহল্যাৰ মৈথুন-কাল সম্পৰ্কীয় যুক্তিতৰ্ক আৰু ব্ৰাহ্মণক অৱজ্ঞা নকৰাৰ উপদেশ প্ৰণিধানযোগ্য।

"মহাহিত উপদেশ শুনিয়োক সৰ্ব্ব।
ব্ৰাহ্মণত অল্পো নকৰিবা অৱগৰ্ব্ব॥"
এৰিয়ো বিপ্ৰত অৱহেলা সৰ্ব্বদাই।
দেখা কেনমত ভৈল দেৱৰ বিলাই॥"

অসমীয়া ৰামায়ণত থকা অহল্যা আখ্যানৰ মূল হ'ল ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ শ্ৰীকৃষ্ণ জন্মখণ্ডৰ ৪৭ অধ্যায় আৰু ৫১ অধ্যায়ত এই আখ্যান আছে। দুয়ো অধ্যায়ত থকা আখ্যান প্ৰায় একে।

প্ৰথম আখ্যান মতে, দেৱৰাজ মন্দাকিনীত স্নান কৰিবলৈ গৈ অহল্যাক দেখি কামমুগ্ধ হয় আৰু এদিন গৌতমবেশে অহল্যাক ধৰ্ষণ কৰে। তপস্যাৰ পৰা উলটি অহা গৌতমে—

'গেহে মিথুনং মৈথুনে চ ৰতম্'

দেখি ইন্দ্ৰক অভিশাপ দিলে।

ৱেদং ৱিজ্ঞায় জ্ঞানী ত্বং যোনি লুব্ধোহসি কৰ্ম্মণা।
যোনীনাঞ্চ সহস্ৰঞ্চ তৱ গাত্ৰে ভৱিষ্যিহ।

অৱশ্যে কিছুকালৰ পিছত সূৰ্য্য আৰাধনা কৰি ইন্দ্ৰই এই শাপৰ পৰা মুক্ত হ'ব পাৰিলে। অহল্যা অজ্ঞানতা বশতঃ কৰা পাপৰ বাবে শ্ৰীৰামচন্দ্ৰৰ পাদস্পৰ্শ পৰ্য্যন্ত শিলা হৈ থাকিবলৈ শাপগ্ৰস্তা হ'ল।

দ্বিতীয় আখ্যানমতে পুষ্কৰ তীৰ্থত স্নানৰতা অহল্যাক দেখি ইন্দ্ৰ মুগ্ধ হয় আৰু অহল্যাৰ আগত নিজ অভিপ্ৰায় জনায়। অহল্যাই ঘৃণাৰে প্ৰত্যাখ্যান কৰে আৰু গৌতমৰ আগত ইন্দ্ৰৰ আচৰণৰ কথা কয়। পিছত গৌতমবেশেৰে ইন্দ্ৰই অহল্যা-ধৰ্ষণ কৰে। বাকী অংশ একে।

অসমীয়া ৰামায়ণৰ আখ্যানাংশ ব্ৰহ্মবৈৱৰ্ত্তৰ প্ৰথম আখ্যানৰ পৰা লোৱা হৈছে। কিন্তু বৃহস্পতিৰ উপদেশত শচীয়ে দুৰ্গাপূজা কৰি ইন্দ্ৰক পুনৰ লাভ কৰিবলৈ বৰ পোৱা কথা অতিৰিক্ত। আকৌ ইন্দ্ৰই সূৰ্য্য আৰাধনা কৰাৰ সলনি দুৰ্গা আৰাধনা কৰি সহস্ৰ-যোনিৰ পৰিৱৰ্ত্তে সহস্ৰাক্ষ হোৱাও নতুন কথা।

শচীয়ে দুৰ্গাপূজা কৰা আৰু ইন্দ্ৰই দুৰ্গা আৰাধনা কৰাৰ কথাই কেনেকৈ অসমীয়া ৰামায়ণত ঠাই পাইছে ভাবিবলগীয়া। আমি জনাত কোনো পুৰাণ বা উপপুৰাণত এই প্ৰসঙ্গত দুৰ্গাপূজাৰ উল্লেখ নাই। আনহাতে পৰমবৈষ্ণৱ মাধৱদেৱে মূল ৰামায়ণত নথকা আনকি আধাৰ গ্ৰন্থ ব্ৰহ্মবৈৱৰ্ত্ততো অন্যভাৱে থকা কথাৰ এনে কল্পনা কৰাৰ হেতু কি? হয়তো বা সেই সময়ৰ সামাজিক প্ৰভাৱ (?)

আখ্যানৰ দৰেই অহল্যা চৰিত্ৰও অসমীয়া ৰামায়ণত নতুনৰূপে চিত্ৰিত কৰা হৈছে। আনকি ব্ৰহ্মবৈৱৰ্ত্তকৈও অলপ আগবাঢ়ি অহল্যাক সবল-



বিশ্বাসিনী পতিপৰায়ণা নাৰীৰূপে অসমীয়া ৰামায়ণত চিত্ৰিত কৰা হৈছে। মূলৰ পৰা আঁতৰি গ'লেও এই চৰিত্ৰাঙ্কনত সামাজিক আদৰ্শৰ প্ৰভাৱত ই বেছি আকৰ্ষণীয় আৰু অনুভূতিৰেদ্য হৈছে। গতিকে এই চৰিত্ৰই সহানুভূতিৰ উদ্ৰেক কৰে।

অসমীয়া ৰামায়ণৰ তুলনামূলক অধ্যয়ন আৰু বিশ্লেষণে অনেক বিষয়ৰ সন্ধান দিব পাৰে।*

---

# আতন বুঢ়াগোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়া

ডাঃ সূৰ্য্যকুমাৰ ভূঞা

অসম বুৰঞ্জীৰ ভালেকেইজন ৰাজনীতিজ্ঞ পুৰুষৰ নাম আজি পাহঁৰণিৰ অতল গৰ্ভত। যি সকলে এদিন অতি সংকটপূৰ্ণ অৱস্থাত দেশৰ গুৰি ধৰি অসীম দক্ষতাৰ পৰিচয় দিছিল আৰু সমসাময়িক লোকৰ অন্তৰত মচিব নোৱাৰা প্ৰভাৱ পেলাইছিল তেওঁলোকৰ নাম আজি বহুতেই নাজানে। এই দুৰ্ভগীয়া অসম দেশত জন্ম নলৈ আনদেশত জন্মগ্ৰহণ কৰাহেঁতেন তেওঁ-লোকৰ সুকীৰ্ত্তিক কেন্দ্ৰ কৰি অসংখ্য সাহিত্যৰ সৃষ্টি হ'লহেঁতেন; কৱি, নাট্যকাৰ, বুৰঞ্জীবিদ, সকলোৱে মিলি তেওঁলোকৰ অতুল দেশভক্তি আৰু অগাধ ৰাজনীতিজ্ঞানৰ উজ্জ্বল চানেকি জগতৰ আগত দাঙি ধৰিলেহেঁতেন। পাহৰণিৰ গৰ্ভত লুপ্তপ্ৰায় অসমৰ ঐতিহাসিক আকাশৰ উজ্জ্বল নক্ষত্ৰবোৰৰ ভিতৰত আতন বুঢ়াগোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়া অন্যতম।

দেশৰ এক সঙ্কটপূৰ্ণ মুহূৰ্ত্তত আতন বুঢ়া-গোহাঁইৰ আৱিৰ্ভাৱ হয়। হিন্দুস্থানৰ পূৰ্ব্ব প্ৰান্তত এখন স্বাধীন ৰাজ্যৰ সত্তা মোগল সাম্ৰাজ্যবাদৰ অসহ্যৰ কাৰণ হৈ পৰিছিল। টাইমুৰ বংশীয় মোগল সম্ৰাটসকলৰ সুনিপুণ সঘন আক্ৰমণ প্ৰতিহত কৰি দেশ সুস্থিৰ হবলৈ নৌপাওঁতেই আত্ম-কলহ, কূট-ষড়যন্ত্ৰ আৰু ক্ষমতা-লোভী বিষয়াৰ ধ্বংসকাৰী কাৰ্য্যই অসম দেশত যি বিভীষিকাৰ সৃষ্টি কৰিছিল সেই বিভীষিকা-পূৰ্ণ মুহূৰ্ত্ততে আতন বুঢ়াগোহাঁয়ে শাসনৰ বাঘ-জৰি হাতত তুলি লৈ দেশখনক সুস্থিৰ আৰু সবল কৰি তোলাৰ প্ৰচেষ্টা চলায়।

১৬৬২-১৬৭৯ চনলৈকে, সোতৰ বছৰ আতন বুঢ়াগোহাঁয়ে অসমৰ প্ৰধানমন্ত্ৰী হিচাপে ৰাজ্য পৰিচালনাৰ গুৰিবঠা ধৰিছিল। উপদেশত ধীৰ, সমৰত বীৰ বুঢ়াগোহাঁইৰ ৰাজনীতিজ্ঞান আৰু দূৰদৰ্শিতাই মহাশক্ৰ মোগল সেনাপতিৰ পৰাও অশেষ প্ৰশংসা আদায় কৰিবলৈ সমৰ্থ

* অনন্ত কন্দলীৰ ৰামায়ণৰ আদিকাণ্ড এতিয়াও আৱিষ্কৃত হোৱা নাই, গতিকে অহল্যা-আখ্যানটো কেনে ধৰণে তেওঁ চিত্ৰিত কৰিছিল সেইটো জানিবৰ উপায় নাই। অনন্ত দাস বা হৃদয়ানন্দৰ শ্ৰীৰামকীৰ্ত্তনত অহল্যাৰ আখ্যানটো নাই, কথা-ৰামায়ণত ৰঘুনাথে মাধৱদেৱৰ অনুৰূপেই চিত্ৰিত কৰিছে। —সম্পাদক

হৈছিল। সেই সময়ৰ গোটেই অসমবাসীৰ কাৰণে আতন বুঢ়াগোহাঁই আছিল উদ্ধাৰকৰ্ত্তা। এবাৰ নহয় ছবাৰকৈ ৰাইজে যাচি দিয়া ৰাজমুকুট পৰিহাৰ কৰি ৰাজপদৰ পৰিবৰ্ত্তে ৰজাৰ আৰু ৰাইজৰ পৰামৰ্শদাতাস্বৰূপেহে দেশৰ সেৱা কৰিবলৈ তেওঁ ইচ্ছা প্ৰকাশ কৰিছিল। প্ৰসঙ্গক্ৰমে এই কথা উল্লেখ কৰিব পাৰি যে তেওঁৰ অসীম ক্ষমতা আৰু প্ৰভাৱ আত্মস্বাৰ্থ পূৰণৰ অৰ্থে প্ৰয়োগ নকৰি দেশৰ মঙ্গলৰ কাৰণেহে নিয়োগ কৰিছিল। পুৰণি অসম বুৰঞ্জীৰ পাতত সিচৰতি হৈ থকা দেশৰ একো একোটা সন্ধিক্ষণত উক্তি-কৰা বচনসমূহেই তেওঁৰ ৰাজনীতিজ্ঞান আৰু বিচক্ষণ বুদ্ধিৰ পৰিচয় দিয়ে। যুদ্ধৰ সময়তে হওক নাইবা শান্তিৰ সময়তে হওক তেওঁৰ একোটা উক্তিয়ে জটিল সমস্যা একোটাৰ সমাধান কৰি দিছিল আৰু দেশৰ বুৰঞ্জীৰ গতি পৰ্য্যন্ত সলনি কৰি দিছিল। ইয়াৰ উপৰিও আতন আছিল আক্ৰমণ আৰু প্ৰতিৰক্ষা ব্যৱস্থা জনা সুকৌশলী সামৰিক কাৰিকৰ। গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে তেওঁ এনে সুৰক্ষিত গড় নিৰ্ম্মাণ কৰাইছিল যাক "বিশ্বকৰ্ম্মাই নিৰ্ম্মাণ কৰা দেৱতাবো দুৰ্ভেদ্য" বুলি বুৰঞ্জী-লেখকে বৰ্ণনা কৰিছে। তদুপৰি বহিৰ্শত্ৰুৰ আক্ৰমণৰ পৰা ৰাজধানী গড়গাঁৱক ৰক্ষা কৰিবলৈ চিন্তামণি গড় নিৰ্ম্মাণ কৰাইছিল। ৰাজনীতি আৰু যুদ্ধনীতিত পাৰদৰ্শিতা থকাৰ উপৰিও আতন বুঢ়াগোহাঁই আছিল এজন অভিজ্ঞ বুৰঞ্জীবিদ।

১৬৬২ খৃষ্টাব্দৰ জানুৱাৰী মাহত লেচাম বুঢ়াগোহাঁইৰ অপ্ৰত্যাশিত মৃত্যুত আতন বুঢ়াগোহাঁই পদত অধিষ্ঠিত হয় আৰু তেতিয়াৰ পৰাই ক্ৰমে তেওঁ প্ৰসিদ্ধি লাভ কৰে। সাধাৰণতে বুঢ়াগোহাঁই পদৰ লগত জড়িত হৈ থকা সন্মানীয় ৰাজমন্ত্ৰী বাবটো সেই সময়ত ৰজাশহুৰ থামুন নাওবৈচা ফুকনে ভোগ কৰি আছিল। ১৬৬৪ খৃষ্টাব্দত ৰাজদ্ৰোহৰ অপৰাধত থামুন নাওবৈচা ফুকনৰ প্ৰাণদণ্ড হয়, তেতিয়া সেই সন্মানীয় ওপৰঞ্চি বাবটো আতনক অৰ্পণ কৰা হয়। বুঢ়াগোহাঁই হোৱাৰ আগতে আতন খনিকৰ আৰু বাঢ়ৈ খেলসমূহৰ তত্বাৱধায়ক খনিকৰ বৰুৱা ৰূপে কাম কৰিছিল। সেইসময়ত আতনৰ পিতাকে ৰাজহাউলীৰ সৈন্যবোৰৰ নিয়ামক বিষয়া ৰূপে নেওগ-ফুকনগোহাঁই বিষয় খাই আছিল।

বুঢ়াগোহাঁই পদত নিযুক্ত হোৱাৰ লগে লগেই আতনক দক্ষিণকুলৰ সৈন্যবাহিনীৰ অধিনায়ক পাতি গড়গাওঁ অভিমুখে বিজয় যাত্ৰা কৰা নবাব মিৰজুমলাৰ মোগল বাহিনীক প্ৰতিৰোধ কৰিবলৈ নিযুক্ত কৰা হয়। চামধৰা আৰু গড়গাৱঁৰ মাজত সেইসময়ত কোনো সুৰক্ষিত কোঠ বা দুৰ্গ নাছিল। মোগলক ভেটিবৰ কাৰণে বুঢ়াগোহাঁয়ে কৰা চেষ্টা পলম হোৱাৰ কাৰণে ব্যৰ্থ হয়। ১৬৬২ চনৰ মাৰ্চ্চ মাহত মিৰজুমলাই গড়গাওঁ অধিকাৰ কৰিলে আৰু নতুনকৈ পতা চকি সমূহত থানাদাৰ নিযুক্ত কৰে। তেতিয়া আহোমসকলে মোগলৰ বিৰুদ্ধে গৰিলা যুদ্ধ আৰম্ভ কৰিলে। আতন বুঢ়াগোহাঁই আৰু থামুন নাওবৈচা ফুকন ৰাজমন্ত্ৰীয়ে সেই যুদ্ধ পৰিচালনা কৰিছিল। অসমৰ প্ৰাকৃতিক দুৰ্য্যোগ আৰু আহোমৰ গৰিলা যুদ্ধৰ ফলত দহ মাহৰ ভিতৰতে মোগল সৈন্যৰ অৱস্থা কুলাই পাচীয়ে নধৰা হ'ল। বহুতো মোগল সৈন্য বেমাৰ হৈ মৰিল, বহুতে খাবলৈ নাপাই শুকাই মৰিল। বাকী থকাবোৰো অসম পৰিত্যাগ কৰিবলৈ উদ্বাউল হৈ উঠিল। ইপিনে অসমীয়াবোৰেও



জন্মভূমিক শত্ৰুৰ গৰাহৰ পৰা উদ্ধাৰ কৰিবলৈ উঠি পৰি লাগিল।

১৬৬৩ চনত মোগল আৰু আহোমৰ মাজত সন্ধি স্থাপন হয়। সেই সন্ধিৰ সৰ্ত্তমতে গুৱাহাটী আৰু কামৰূপ মোগলক এৰি দিবলগীয়া হ'ল আৰু বছৰি কিছুমান হাতী আৰু টকাকড়িৰ সৈতে মোগলক পেচকচ দিবলৈ গাত লোৱাৰ উপৰিও জয়ধ্বজ সিংহৰ কন্যা ৰমণী গাভৰুক মোগল সম্ৰাটলৈ দিব লগাত পৰিল। সন্ধিৰ সৰ্ত্তৰ প্ৰথম কিস্তিটো সোনকালে আদায় কৰি দিব পৰাত মোগল সেনাপতিয়ে অসমৰ বিষয়াবিলাকৰ শলাগ লৈ দেশৰ শান্তি আৰু সমৃদ্ধি কামনা কৰি গড়গাওঁ এৰি ভটিয়াই গ'ল। সন্ধি সম্পৰ্কীয় সকলো আলাপ-আলোচনা আতন বুঢ়াগোহাঁইৰ নিৰ্দ্দেশ মতেই অনুষ্ঠিত হৈছিল আৰু তেওঁ নিজে সন্ধিপত্ৰত চহী কৰিছিল। মিৰজুমলাই দেশ এৰি যোৱাৰ পাছত আতন বুঢ়াগোহাঁইৰ প্ৰথম আৰু প্ৰধান কাম হ'ল শত্ৰুৰ আক্ৰমণত পৰ্ব্বতে অৰণ্যে পলাই ফুৰা ভগনীয়াবোৰক মাতি আনি পূৰ্ণসংস্থাপন কৰি দেশত শৃঙ্খলা স্থাপন কৰা।

দেশত শান্তি স্থাপন হোৱাৰ পাছত কোচবেহাৰ, জয়ন্তীয়া আৰু কাছাৰৰ ৰজালৈ কটকী পঠাই মোগলৰ বিৰুদ্ধে সহায় সহযোগীতা কামনা কৰা হ'ল। ইয়াৰ অলপ পাছতে ৺জয়ধ্বজ সিংহ স্বৰ্গগামী হয়। মোগলৰ আক্ৰমণত হোৱা দেশৰ নাজল-নাথল অৱস্থা আৰু তেওঁৰ একমাত্ৰ ছয় বছৰীয়া কন্যা ৰমণী গাভৰুৰ বিচ্ছেদজনিত শোকেই জয়ধ্বজ সিংহৰ মৃত্যু ওচৰ চপাই নিলে।

জয়ধ্বজ সিংহৰ পাছত স্বাধীনচিতীয়া চক্ৰধ্বজ সিংহ সিংহাসনত উঠিল। ৰাজপাটত বহিয়েই মোগলক দিবলগীয়া যুদ্ধৰ খৰচ আৰু পেচকচ নিদিবলৈ তেওঁ স্থিৰ কৰিলে; লগে লগে গুৱাহাটীৰ পৰাও মোগলক বাহিৰ কৰি দিয়াৰ ইচ্ছাও তেওঁ ডাঙৰীয়াসকলৰ আগত প্ৰকাশ কৰিলে। যুদ্ধত নমাৰ আগতে বছদ-পাতি আৰু অস্ত্ৰ-শস্ত্ৰৰ যোগাৰ কৰাৰ প্ৰয়োজনীয়তালৈ স্বৰ্গদেৱৰ দৃষ্টি আকৰ্ষণ কৰি বুঢ়াগোহাঁয়ে স্বৰ্গদেৱৰ অত্যুৎসাহ সংযত কৰি দিয়ে। ১৬৬৭ চনৰ নৱেম্বৰ মাহত আহোম সৈন্যই গুৱাহাটী অধিকাৰ কৰি অসমৰ পুৰণি সীমা মানাহলৈকে ৰাজ্য বিস্তাৰ কৰে। ১৬৬৫ চনত মোগলৰ বিৰুদ্ধে শিৱাজীৰ প্ৰাৰম্ভিক কৃতকাৰ্য্যতাৰ সংবাদে আহোমশক্তিক দ্ৰুতগতিৰে শক্তিশালী পন্থা লবলৈ উদগণি দিছিল।

মোগল সম্ৰাট আউৰংজেবে এইবাৰ অম্বৰৰ ৰজা জয়সিংহৰ পুত্ৰ ৰজা ৰামসিংহক গুৱাহাটী উদ্ধাৰ কৰিবলৈ পঠালে। গুৱাহাটী মোগলক এৰি দিবলৈ ৰাজপুত ৰজাই দাবী কৰি দূত পঠালে। ৰামসিংহৰ দাবীৰ প্ৰত্যুত্তৰ স্বৰূপে আহোমে চতুৰালি কৰি এই ভাৱে উত্তৰ দিলে: "ঈশ্বৰে আমাক গুৱাহাটী দিছে, তেৱাৰ ইচ্ছা হলে এই ঠাই ভাই ৰজা দিল্লীৰ পাদছাহক দিব পাৰে। উদয়গিৰিৰ স্বৰ্গ মহাৰাজা আৰু অস্তগিৰিৰ পাদছাহ—এই দুজনাৰ প্ৰীতিপূৰ্ব্বক আজ্ঞা হলে আমাৰ ঠাই আমি এৰি দিব পাৰো আৰু ৰাজপুত ৰজায়ো বঙলা দেশ আমাক এৰি দিব পাৰে। মহাৰাজক সুবিজ্ঞ আৰু সুবুদ্ধিমন্ত কাৰণে দেশ জয় কৰিবলৈ বাদছাহে পঠাইছে, এই দেশত পৰাঙ্মুখ হৈ গলে তেওঁৰ কীৰ্ত্তি নষ্ট নহব জানো?' উক্ত প্ৰসঙ্গত এইদৰে বক্ৰোক্তিও কৰা হৈছিল: "ৰাজা ৰামসিংহ মোগলৰ দাস, তেওঁৰ মূৰত ৰাজছত্ৰ এতিয়া আৰু নাই।"

সম্পূৰ্ণ এবছৰ কটকী অহা-যোৱা কৰাৰ পাছত

আৰু দুই এখন ব্যৰ্থ খণ্ডযুদ্ধৰ শেষত গুৱাহাটীৰ ওচৰৰ শৰাইঘাটৰ জলযুদ্ধত ৰজা ৰামসিংহ আহোমৰ হাতত সমূলে ঘাটিল। অসমীয়াৰ জয়লাভৰ প্ৰধান কাৰণ হ'ল সেনাপতি লাচিতৰ অসীম সাহস, বিচক্ষণ নেতৃত্ব আৰু ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁইৰ বুদ্ধি-পৰামৰ্শ আৰু অতুলনীয় কাৰ্য্য-দক্ষতা। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সৈন্যবাহিনী আতন বুঢ়াগোহাঁয়ে নিজে পৰিচালনা কৰিছিল।

শৰাইঘাটৰ যুদ্ধৰ অলপ দিনৰ পাছতেই লাচিত বৰফুকনৰ মৃত্যু হোৱাত তেওঁৰ ককায়েক লালুক বৰফুকন হয়। শৰাইঘাটৰ যুদ্ধত হাৰি পুনৰ আক্ৰমণ কৰাৰ আশাৰে ৰজা ৰামসিংহই ৰঙামাটিত পূৰা ৫ বছৰ কাল গণি সুবিধা অপেক্ষা কৰি আছিল। তাকে দেখি আতন বুঢ়াগোহাঁয়ে আন কেইজনমান মুখ্য বিষয়াৰ সৈতে এটা শকত ফৌজ লৈ মোগল সাম্ৰাজ্যবাদীৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সাজু হৈ থাকিল।

বুঢ়াগোহাঁই আৰু আন আন মুখ্য বিষয়া সকল গুৱাহাটীত থাকিব লগা হোৱাত ৰাজধানীৰ দুৰাকাঙ্ক্ষী বিষয়া কিছুমানে নিজৰ স্বাৰ্থসিদ্ধি কৰিবলৈ উঠি পৰি লাগিল। ষড়যন্ত্ৰ আৰু গুপ্ত-হত্যাৰে গোটেই দেশ ভৰি পৰিল। স্বাৰ্থান্বেষী মন্ত্ৰীসকলৰ হাতত ৰজা পুতলা হৈ পৰিল। মানুহৰ জীৱন-মৰণ, বিষয়-সম্পত্তি একোৰে স্থিৰতা নোহোৱাত পৰিল।

গড়গাঁৱৰ দুৰ্য্যোগৰ বাতৰি শুনি গুৱাহাটীত থকা সামৰিক বিষয়াসকলে আতন বুঢ়াগোহাঁইৰ নেতৃত্বত গড়গাঁৱলৈ উজাই গ'ল, ৰাজধানী পাই ষড়যন্ত্ৰকাৰী বিষয়াসকলক ধৰি যথোচিত শাস্তি প্ৰদান কৰিলে। মাৎস্যন্যায় ৰাজত্বৰ নায়ক ডেৰেৰা বৰবৰুৱাক ধৰি অনেক যন্ত্ৰণা দি বধ কৰা হ'ল। বিচাৰ চ'ৰাত ডেৰেৰাই তেওঁৰ বিপক্ষে অভিযোগকাৰী আৰু বিচাৰক লালুক বৰফুকন সম্পৰ্কে ভৱিষ্যত বাণী কৰিছিল যে তেওঁ (লালুক) ৰাজহত্যাৰ ষড়যন্ত্ৰত অচিৰেই লিপ্ত হব। ডেৰেৰাই সিংহাসনত বহুৱা গোবৰ কোঁৱৰক সিংহাসনৰ পৰা নমাই বধ কৰা হ'ল। তেতিয়া ৰাজ্যৰ নেতৃবৰ্গই আতন বুঢ়াগোহাঁইকে ৰজা হবলৈ অনুৰোধ কৰাত বুঢ়াগোহাঁয়ে এই দৰে প্ৰত্যুত্তৰ দিছিল : "মন্ত্ৰীৰ বংশৰ মানুহ ৰজা হব নাপায়, গতিকে মই ৰাজমুকুট পিন্ধিব নোৱাৰো। ৰাজবংশৰ এজনহে ৰাজপাটত বহা উচিত। ম'হৰ খোজৰ হেচা বিৰিডাই বহন কৰিব পাৰে জানো ? শূদ্ৰে লগুণ পিন্ধিব পায় জানো ?"

উপযুক্ত ৰাজকোঁৱৰ অনুসন্ধান কৰি অৱশেষত বুঢ়াগোহাঁয়ে দিহিঙত থকা অৰ্জ্জুন কোঁৱৰক ৰাজপাটত বহুৱাই দিহা-পৰামৰ্শ দি ৰাজ্য চলাবলৈ ধৰিলে, শৰাইঘটীয়া সামৰিক বিষয়াসকলে আতনক ৰাজধানীত ৰাজ্য পৰিচালনাৰ কাৰণে থৈ গুৱাহাটীলৈ উভতি যায়। দেশত পুনৰ শান্তি প্ৰতিষ্ঠা হ'ল। এজন সমসাময়িক বুৰঞ্জীলেখকৰ ভাষাত কবলৈ গলে "দেশত পুনৰ শান্তি শৃঙ্খলা স্থাপিত হ'ল। ৰজা আৰু ৰাজমন্ত্ৰীয়ে অসমৰ পূৰ্ব্বাপৰ নীতি অনুসৰি ৰাজ্যশাসন কৰিবলৈ ধৰিলে।"

কিন্তু কিছুদিনৰ পাছত বিপদৰ সূচনা হ'ল। দুৰ্ব্বলমনা অৰ্জ্জুন দিহিঙীয়া ৰজাই অন্তেষপুৰৰ ভিতৰুৱা গুজৱত কৰ্ণপাত কৰি বুঢ়াগোহাঁই আৰু তেওঁৰ ফৈদৰ মানুহক সন্দেহ কৰিবলৈ ধৰিলে। তাৰ ফলস্বৰূপে ঘটা যুদ্ধত দিহিঙীয়া ৰজাই সিংহাসনৰ লগতে নিজৰ প্ৰাণো হেৰুৱালে। এতিয়া প্ৰজাৰ মনত বুঢ়াগোহাঁইৰ প্ৰতি সন্মান আগতকৈয়ো বৰ্দ্ধিত হ'ল, ৰাইজে পুনৰ ৰাজমুকুট বুঢ়াগোহাঁইলৈ আগবঢ়ালে। ৰাইজে বুঢ়া-



গোহাঁইক এই কথাও জনালে যে তেওঁ যদি ৰাজ্যভাৰ গ্ৰহণ নকৰি আকৌ আন এজন দুৰ্ব্বলী ৰজাক সিংহাসনত বহুৱায় তেন্তে আকৌ অশান্তি আৰু অৰাজকতাক মাতি অনা হব মাথোন। কিন্তু বুঢ়াগোহাঁয়ে দ্বিতীয়বাৰো সেই যাচি দিয়া সন্মান প্ৰত্যাখ্যান কৰি এই বুলি কলে—"ৰাজদণ্ড মন্ত্ৰীয়ে গ্ৰহণ কৰা অযুগুত, মই সেই কাৰণে আপোনালোকৰ দান গ্ৰহণ কৰিব নোৱাৰোঁ। ৰাজবংশৰ পৰাহে ৰজা হব লাগে, সন্তৰ সন্ততিহে সন্তৰ গাদীত বহিব লাগে।"

তাৰ পাছত বুঢ়াগোহাঁয়ে আন বিষয়া সকলৰ সহযোগত বহুত অনুসন্ধান কৰি এজন ৰাজলক্ষণযুক্ত কোঁৱৰক ৰাজপদৰ কাৰণে বাচি উলিয়ালে। এই নতুন ৰজা জন 'পৰ্ব্বতীয়া ৰজা' নামেৰে জনাজাত হ'ল। যাচি দিয়া ৰাজমুকুট প্ৰত্যাখ্যান কৰি তেওঁক ৰাজপাটত বহুৱাৰ কাৰণে পৰ্ব্বতীয়া ৰজাই আতনক বিশেষ সন্মানেৰে বিভূষিত কৰিলে। দিহিঙীয়া ৰজাৰ পতনৰ পৰা পৰ্ব্বতীয়া ৰজা সিংহাসনত উঠালৈকে এই কালছোৱাত বুঢ়াগোহাঁয়ে ন্যায় আৰু দৃঢ়তাৰে শাসনকাৰ্য্য পৰিচালনা কৰিছিল।

কিন্তু পৰ্ব্বতীয়া ৰজা ৰাজপাটত উঠাৰ কিছু দিনৰ পাছতে এটা নতুন ধুমকেতুৱে অসমৰ ভাগ্যাকাশত দেখা দিলে ; এই ধুমকেতু স্বৰূপ পুৰুষ জন হ'ল গুৱাহাটীৰ শাসনকৰ্ত্তা লালুক বৰফুকন। বৰফুকন পদত থকাৰ কাৰণে এওঁ এটা সুশিক্ষিত শকত ফৌজৰ অধিনায়ক আছিল। উজনিত বুঢ়াগোহাঁইৰ ক্ষমতা বাঢ়ি অহা দেখি লালুক ঈৰ্ষান্বিত হ'ল। নীচ মনোবৃত্তিৰ বিষয়া কেইজনমানে তেওঁৰ ঈৰ্ষানলত ইন্ধন যোগালে। জয়ধ্বজ সিংহৰ শহুৰেক থামুন নাওবৈছা ৰাজমন্ত্ৰী ফুকনৰ ৰাজদ্ৰোহ অপৰাধ বিচাৰ কৰোঁতে লালুকে যথেষ্ট কৌশল আৰু কাৰ্য্যদক্ষতাৰ পৰিচয় দি নাওবৈছা ফুকনৰ বংশ সমূলে উচ্ছেদ কৰিছিল। সেই কাৰ্য্যদক্ষতাৰ কাৰণেই লালুকক নাওবৈছা ফুকনৰ পদত নিযুক্ত কৰা হৈছিল।

লালুকে মোগলৰ সাহায্যত নিজৰ ক্ষমতা দৃঢ় আৰু অজেয় কৰিবলৈ স্থিৰ কৰিলে। সেই উদ্দেশ্যে তেওঁ সেই সময়ৰ বঙ্গদেশৰ মছনদৰ অধিকাৰী সম্ৰাট আউৰংজেবৰ পুত্ৰ চুলতান আজমতৰাৰ লগত গোপনে যোগাযোগ কৰিলে। এই কামত তেওঁক সহায় কৰিলে খুড়াক ৰাহুলি ফুকনে। সেনাপতি মিৰজুমলাৰ লগত মোগলৰ কটিখোৱা ৰাহুলি বঙ্গদেশলৈ যায় আৰু মোগলৰ আশ্ৰিতৰূপে থাকিবলৈ লয়। বৰফুকনে ঢাকালৈ প্ৰস্তাৱ কৰি পঠালে যে যদি মোগলে তেওঁক চাৰিলাখ টকা দি অসমৰ ৰজা পাতিব পাৰে তেন্তে তেওঁ গুৱাহাটী সহিতে অসমৰ পশ্চিমাঞ্চল মোগলক বিনা যুদ্ধে এৰি দিব। লালুকে আশা কৰিছিল যে তেওঁৰ প্ৰস্তাৱ সফল কৰি তোলাত তেওঁৰ ভাগিনীয়েক অৰ্থাৎ চুলতান আজমতৰাৰ বেগম ৰমণী গাভৰু ওৰফে ৰহমৎ বানুৱে যথেষ্ট সহায় কৰিব। কিন্তু দেশপ্ৰেমিকা অসম ৰাজকুমাৰীয়ে মোমায়েকৰ প্ৰস্তাৱক অনুচিত আৰু নিন্দাৰ্হ বুলি গৰিহণা দিলে। দুৰাকাঙ্ক্ষী বৰফুকনক কিন্তু ভাগিনীয়েকৰ নিন্দাবাণীয়ে বিশেষ বাধা দিব নোৱাৰিলে।

বঙ্গদেশৰ চুবেদাৰৰ শাসনভাৰ গ্ৰহণ কৰিবলৈ ঢাকালৈ আহোঁতে বাটত ৰাজমহলৰ ওচৰত তামিঘৰা তৰি আজমতৰাই গুৱাহাটী দাবী কৰি দূত পঠাইছিল। অসমীয়াক ভয় খুৱাবৰ কাৰণে চুলতানে এই কথাও জনাইছিল যে তেওঁৰ সৈন্যবাহিনীত তিনশ হাতী আৰু এক লাখ ঘোৰা

মজুত আছে। ৰজা ৰামসিংহক উত্তৰ দিয়াৰ দৰেই এইবাৰো চতুৰ বুঢ়াগোহাঁয়ে এই দৰে প্ৰত্যুত্তৰ দিছিল : "পাদছাহজাদাই দাবী কৰা স্থান সমূহত তেখেতৰ কোনো অধিকাৰ নাই। ঈশ্বৰে যাক দিছে তেৱেঁই প্ৰকৃত অধিকাৰী। একলাখ যুদ্ধৰ ঘোঁৰাৰ কথা যে কৈছে সেইবোৰ আমাৰ মনত হৰিণা পহুৰ তুল্য, কাৰণ সিহঁতে কাড়ো মাৰিব নোৱাৰে, ৰবটোপো চলাব নাজানে।" কিন্তু এতিয়া লালুক বৰফুকনে উপযাচি গুৱাহাটী এৰি দিয়াৰ প্ৰস্তাৱ দিয়াত পাদছাহজাদাই আনন্দসূচক সম্মতি জনাই অসমলৈ এটা ডাঙৰ ফৌজ পঠাবলৈ যা-যোগাৰ কৰিবলৈ ধৰিলে। এই উদ্দেশ্যে তেওঁ ঢাকাত থকা ফৰাচী আৰু ওলন্দাজ সৈন্যকো মোগল বাহিনীৰ লগত যাবলৈ অনুৰোধ কৰিলে।

গুৱাহাটীত বৰফুকনৰ কাৰ্য্যকলাপ সম্পৰ্কে বুঢ়াগোহাঁইক তলে তলে জনাই থকা হৈছিল যদিও, তেওঁ তাত বৰ গুৰুত্ব দিব খোজা নাছিল। কিয়নো সেই বিষয়ে হৈ-চৈ লগাই দিলে ষড়যন্ত্ৰশীল আন বিষয়াসকলক বৰফুকনৰ লগ থাবলৈ সুবিধা দিয়া হব আৰু অসমৰ সীমাতে থাপ লৈ থকা মোগল সৈন্যক প্ৰকাৰান্তৰে মাতি অনা হ'ব। তেওঁ এই প্ৰসঙ্গত কৈছিল : "শত্ৰুৱে আমাৰ কাষৰতে সুবিধা বিচাৰি থাপ লৈ আছে, আমাৰ মাজত যিমানেই মতভেদ নাথাকক বৰফুকনক এতিয়া বন্দী কৰিলে শত্ৰুক লাই দিয়া হ'ব।" তথাপি যদিস্যাৎ ষড়যন্ত্ৰকাৰীৰ দলে গড়গাওঁ আক্ৰমণ কৰে তাক বাধা দিবৰ কাৰণে আৰু প্ৰতিৰক্ষাৰ ব্যৱস্থাৰ স্বৰূপে চিন্তামণি নামে এটা ডাঙৰ গড় নিৰ্ম্মাণ কৰালে। বৰফুকনৰ বিৰুদ্ধে পোনপটীয়া তৎকালিক ব্যৱস্থা গ্ৰহণ নকৰাত বিষয়াসকলে বুঢ়া-গোহাঁইৰ কাৰ্য্যত অসন্তুষ্টি প্ৰকাশ কৰিছিল।

সিফালে বৰফুকনে তেওঁৰ কথামত কাম কৰি গ'ল। তেওঁৰ পৰোক্ষ সাহায্যত মোগলে কামৰূপৰ মাজেৰে গুৱাহাটীলৈ আগবাঢ়ি আহিল। ১৬৭৯ চনৰ ফেব্ৰুৱাৰী মাহৰ শেষৰ পিনে বৰফুকনে গুৱাহাটী এৰি দি কলিয়াবৰলৈ উজাই গ'ল। আজমতৰাৰ সহকাৰী মনচুৰ খাঁই গুৱাহাটী অধিকাৰ কৰিলে। দিল্লীত এই জয়বাৰ্ত্তা জনোৱা হ'ল আৰু সম্ৰাট আউৰংজেবে সংবাদ বহনকাৰী কটকীক পুৰস্কাৰ দিলে আৰু পুতেক আজমতৰালৈ বহুমূলীয়া উপহাৰ পঠালে।

এই খবৰ শুনি আতন বুঢ়াগোহাঁয়ে এদল সৈন্য লৈ কলিয়াবৰলৈ ভটিয়াই আহিল, বাটতে বৰফুকনৰ সৈন্যই তেওঁক আক্ৰমণ কৰি পৰাস্ত কৰে। ৰণত হাৰি বুঢ়াগোহাঁই পলাই যাওঁতে লালুকৰ অন্বেষণকাৰী সৈন্যই তেওঁক ধৰি বন্দী কৰি থয়। বৰফুকনে সসৈন্যে গড়গাওঁলৈ গৈ পৰ্ব্বতীয়া ৰজাক উপেক্ষা কৰি স্বেচ্ছাচাৰভাৱে বিষয়া ভঙা-পতা কৰিবলৈ ধৰে। লালুক বৰফুকনৰ এনে অপকাৰ্য্য বন্ধ কৰিবলৈ যাওঁতে পৰ্ব্বতীয়া ৰজাই সিংহাসন আৰু প্ৰাণ দুয়োটাকে হেৰুৱাব লগীয়া হ'ল।

ইয়াৰ পাচত লালুকে চৈধ্যবছৰীয়া ল'ৰা-মতীয়া চুলিক্ফাক সিংহাসনত বহুৱায়। বৰফুকন, ( এতিয়া বুঢ়াফুকন ) ৰাজ্যৰ ভাগ্য-বিধাতা হৈ পৰিল। বুঢ়াফুকনে ৰজাৰ পৰা আতন বুঢ়াগোহাঁই আৰু তেওঁৰ ভায়েক নাওবৈছা ফুকনৰ মৃত্যুদণ্ডৰ আদেশ আদায় কৰিলে। ১৬৭৯ খৃষ্টাব্দৰ নৱেম্বৰ মাহত আতন বুঢ়াগোহাঁই আৰু তেওঁৰ ভায়েক নাওবৈছা ফুকনক কলিয়াবৰত বধ কৰা হ'ল। এনেকৈ ৰাজনীতিজ্ঞ, বীৰ,



দেশপ্ৰেমিক কিন্তু হেমলেটৰ দৰে অতিশয় আগ-পিচ ভাবি তৎকালিক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰা আতন বুঢ়াগোহাঁয়ে এই দৰে শোচনীয় ভাৱে মৃত্যু বৰণ কৰিব লগাত পৰে।

ইয়াৰ আগতে লালুকে পৰ্ব্বতীয়া ৰজাৰ হতুৱাই চুলতান আজমতৰালৈ সম্মানসূচক সন্দেশপত্ৰ দি অসমীয়া কটকীক পঠাইছিল। সেই কটকীৰ হাতত লালুকে এখন ৰহস্য-পত্ৰও প্ৰেৰণ কৰিছিল। অসমীয়া কটকীয়ে ঢাকাত চুলতান আজমতৰাক নাপাই তেওঁৰ পৰৱৰ্ত্তী নৱাব শায়েস্তা-খানৰ হাততে সেই ৰহস্য-পত্ৰ দিয়ে। সেই কটকী উভতি আহি ল'ৰা ৰজাৰ ৰাজত্বৰ আৰম্ভণিতে গড়গাওঁ পায়হি, লগত আহে বঙ্গাল কটকী গোবিন্দৰাম। লালুকে নিজেই ৰাজ-আবোৱান আদি লৈ ৰজাৰ নিচিনাকৈ বঙ্গাল কটকীক চ'ৰাত তোলে।

ইয়াৰ পাচত লালুকে ৰাজসিংহাসন দাবী কৰিব পৰা সকলো ৰাজকোঁৱৰক হত্যা বা অঙ্গক্ষত কৰিবলৈ গুপ্তঘাতক নিয়োগ কৰে। এই ৰাজকোঁৱৰসকলৰ অন্যতম গদাপাণি কোঁৱৰে ৰাজধানীৰ পৰা পলাই গৈ আত্মৰক্ষা কৰে। কোঁৱৰৰ খবৰ উলিয়াবৰ উদ্দেশ্যে তেওঁৰ ভাৰ্য্যা জয়মতীক অশেষ নিৰ্য্যাতন দি মাৰে। জয়মতীৰ শাস্তি আৰু মৃত্যুয়েই লালুকৰ স্বেচ্ছাচাৰিতা আৰু অত্যাচাৰৰ চৰম পৰ্য্যায় বুলিব পাৰি। অত্যাচাৰী বৰফুকনক প্ৰজা-সাধাৰণে ভাল নাপাইছিল যদিও তেওঁৰ বিৰুদ্ধে যাবলৈ কোনেও সাহ নকৰিছিল। প্ৰজাৰ দুখ কুলাই-পাচিয়ে নধৰা দেখি আহোম জ্যোতিষীয়ে সদিয়াৰ কেচাইখাতী গোসাঁনীক নৰবলি দি দেশৰ সুখ-শান্তি ঘূৰাই আনিবলৈ ব্যৱস্থা দিলে। বৰফুকনে ভোটাই নামৰ হৃষ্ট-পুষ্ট সাহিয়াল ডেকা এটাক চক্ৰান্ত কৰি গোসাঁনীৰ বলিৰূপে আগবঢ়োৱাত সি বৰফুকনক ৰাতি যাঠিৰে খুচি হত্যা কৰে। বুঢ়াফুকনৰ অত্যাচাৰৰ পৰা এইদৰে ৰক্ষা পাই প্ৰজাসমূহে বিষয়াসকলক দেশত শান্তি আৰু শৃঙ্খলা প্ৰতিষ্ঠা কৰি মোগলক খেদি গুৱাহাটী পুনৰুদ্ধাৰ কৰিবলৈ অনুৰোধ কৰিলে।

কলিয়াবৰৰ বৰফুকনৰ চ'ৰাত বিষয়াসকলে অৰাজকতা আৰু ষড়যন্ত্ৰৰ সামৰণি পেলাবলৈ এজন কাৰ্য্যক্ষম, সাহসী আৰু বাহুবলী কোঁৱৰক ৰাজপাটত বহুৱাবলৈ স্থিৰ কৰে। পলৰীয়া কোঁৱৰ গদাপাণিক পাই তেওঁকেই সিংহাসনত বহুৱাবৰ উদ্দেশ্যে বিষয়াসকল সসৈন্যে গড়গাওঁলৈ যাত্ৰা কৰে আৰু দুৰ্ব্বলী ৰজা চুলিক্ফাক নমাই গদাপাণিক ৰাজদণ্ড প্ৰদান কৰে। ৰজা হৈ গদাপাণিয়ে দেশত শান্তি প্ৰৱৰ্ত্তন কৰে আৰু ইটাখুলিৰ ৰণত মোগলক হৰুৱাই গুৱাহাটী পুনৰ উদ্ধাৰ কৰে।

# অসমৰ ধৰ্ম্ম, সাহিত্য আৰু কলালৈ কাল-সংহতিৰ অৱদান

শ্ৰীমোহনচন্দ্ৰ মহন্ত বি-এল

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱে অসমৰ ধৰ্ম্ম, সাহিত্য আৰু কলাৰ ক্ষেত্ৰত যি অমূল্য অৱদান দি থৈ গৈছে তাৰ বাহিৰে আন কাৰো ৰচিত গীত, ঘোষা, পদ-পুথি আদিত কোনো কোনো লোকে একো মূল্য দিব নোখোজে। শ্ৰীশঙ্কৰদেৱৰ নাতি শ্ৰীপুৰুষোত্তম ঠাকুৰে 'ন-ঘোষা' বুলি এখনি পুথি ৰচনা কৰিছিল। এই পুথিখনি কেনে হৈছে বুলি মতামত প্ৰকাশ কৰিবলৈ কোৱাত সেইকালৰ এগৰাকী বিশিষ্ট লোকে "জুইক ভগা কুলাৰে ঢকাৰ নিচিনা হৈছে" বুলি মন্তব্য প্ৰকাশ কৰাত ঠাকুৰদেৱে অসন্তোষ পাই পুথিখনি নি জুইত পেলাই দিছিল। "নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে। নলাগে সম্ভৃত শাস্ত্ৰ বিস্তৰ জানিবে॥" আদি এনেকুৱা কেইটিমান পদৰ সঙ্কীৰ্ণ অৰ্থ কৰাৰ ফলত শঙ্কৰ-মাধৱৰ পিছত অসমীয়া ধৰ্ম্ম-সাহিত্যৰ ইতিহাসত এটি অন্ধকাৰ যুগ হবৰ সম্ভাৱনা হৈছিল। কিন্তু সৌভাগ্যৰ বিষয় এনে সঙ্কীৰ্ণ ভাৱে গোটেই অসমীয়া সমাজকে স্পৰ্শ কৰিব পৰা নাছিল। ব্ৰহ্ম-সংহতিৰ শ্ৰীভট্টদেৱে "ভক্তি বিবেক" পুথিত এটি নতুন বৈশিষ্ট্য প্ৰদান কৰিছিল। সি হৈছে শ্ৰুতিৰ বচন উদ্ধৃতীকৰণ। শ্ৰীশঙ্কৰদেৱ আৰু আৰু শ্ৰীমাধৱদেৱৰ পুথিবিলাকত স্মৃতি-শাস্ত্ৰ—বিশেষকৈ পুৰাণ আদিৰ বচনহে উদ্ধৃত কৰা হৈছিল। তেৰাসকলৰ গ্ৰন্থত শ্ৰুতি, উপনিষদ বা বেদান্তৰ উল্লেখ থাকিলেও তাৰপৰা বচন উদ্ধৃত কৰা হোৱা নাই। "কথা-গীতা" আৰু "কথা-ভাগৱতে"ও এইদৰেই অসমীয়া বৈষ্ণৱ সাহিত্যত এক নতুন অৱদান দিছে। শ্ৰীমদ্ভাগৱতৰ কোনো কোনো খণ্ডৰ অনুবাদকে আদি কৰি নাট আৰু শ্ৰীহস্তমুক্তাৱলী আদি নৃত্য-গীতৰ পুথি আৰু চৰিত্ৰ পুথি খনচেৰেক এই সংহতিৰ পণ্ডিত সকলে লিখা বা অনুবাদ কৰাৰ প্ৰমাণ পোৱা গৈছে।

মহাপুৰুষ শ্ৰীমাধৱদেৱৰ প্ৰিয়তম শিষ্য আৰু ধৰ্ম্মাধিকাৰী শ্ৰীগোপাল ( ভৱানীপুৰীয়া ) দেৱৰ কালঝাৰ সত্ৰত তিনিশ তিনিকুৰি তেৰজন শিষ্যৰ সৈতে যিটো সত্ৰীয়া সমাজ গঠিত হৈছিল সেয়ে কালক্ৰমত কালঝৰীয়া বা কাল-সংহতি নামেৰে পৰিচিত হবলৈ ধৰে। এই সংহতিৰ বিশেষত্ব হৈছে গুৰুত কাষ্ঠা। এওঁলোকে ধৰ্ম্মপ্ৰৱৰ্ত্তন কৰোঁতা কোনো এজন বা দুজন মহাপুৰুষকেই একমাত্ৰ গুৰু বুলি নেভাবে। সেইকাৰণে শ্ৰীশঙ্কৰ শ্ৰীমাধৱদেৱৰ দৰেই প্ৰতিজন গুৰুৰে ৰচিত গীতপদ আদিলৈ শিষ্যসকলৰ বিশেষ শ্ৰদ্ধা-ভক্তি আছে। ফলতঃ পৰৱৰ্ত্তী গুৰুসকলৰ হৰেক ৰকমৰ নতুন ৰচনা এওঁলোকৰ পন্থত পোৱা যায়। ইয়াৰ ভিতৰত কিছুমান হেৰাইছে যদিও শত শত পুথি এতিয়াও অপ্ৰকাশিত হৈ আছে।

প্ৰচলিত মহাপুৰুষীয়া সংহতি কেইটাৰ ভিতৰত শ্ৰীশঙ্কৰদেৱৰ দিনত প্ৰচাৰিত ধৰ্ম্মৰ কম-বেছি পৰিমাণে এতিয়া বহুতো যোগ-বিয়োগ হোৱাৰ প্ৰমাণ পোৱা যায়। শ্ৰীশঙ্কৰদেৱৰ দিনৰ



ধৰ্ম্মৰ মূলতত্ত্বত শ্ৰীমাধৱদেৱে কেনেকৈ অনেক কথা যোগ দিছিল এইটো অনেকৰ অবিদিত নহয়। বৰ্ত্তমান মহাপুৰুষীয়া ধৰ্ম্মৰ তাত্ত্বিক বিশ্লেষণ কৰি চালে ইয়াৰ ভিতৰৰ চাৰি ভাগৰ তিনি ভাগেই শ্ৰীমাধৱদেৱ আৰু তেৰাৰ পৰৱৰ্ত্তীসকলে যোগ দিয়া বুলি সিদ্ধান্তলৈ আহিবই লাগিব। বৰদোৱা থানকে কেন্দ্ৰ কৰি চলা বাৰজনীয়া বা পুৰুষ-সংহতিৰ লোকসকলে শ্ৰীশঙ্কৰদেৱৰ মতে অটুটভাৱে চলি আহিছে বুলি গৌৰৱ কৰে, অন্য সকলে ধৰ্ম্মত ভাঁজ দিছে বুলি অৱজ্ঞা কৰে। কিন্তু ভালকৈ পৰীক্ষা কৰি চাবলৈ গলে বৰদোৱাৰ মততো শ্ৰীশঙ্কৰ-মাধৱৰ পিছত নতুনকৈ যোগ দিয়া ধৰ্ম্মনীতি, নামকীৰ্ত্তন প্ৰথা আদিৰ বৈশিষ্ট্য স্পষ্ট হৈ ওলাই পৰে। পৰিবৰ্ত্তনশীল জগতত একেবাহে একো চলি থাকিব নোৱাৰে। পুৰুষ-সংহতিৰ সৌভাগ্য যে বৰদোৱা থানকে কেন্দ্ৰ কৰি ইসকলৰ সকলো কথা চলি থকাৰ কাৰণে এই থানৰ পৰিৱৰ্ত্তিত আহিয়েই সকলো সত্ৰতে চলিব লাগিছে। কিন্তু অন্যকেইটা সংহতিৰ এনে কোনো কেন্দ্ৰীয় স্থান নথকাত বিকেন্দ্ৰীকৃত ধৰণে প্ৰতি সত্ৰই স্বতন্ত্ৰ-ভাৱে চলি অহা কাৰণে এনেকুৱা আৱশ্যকীয় পৰিৱৰ্ত্তনবিলাক কাৰো লগত কোনোৰে নিমিলা হৈ পৰিল। কোৱা বাহুল্য যে পুৰুষ-সংহতিৰ বাহিৰে বাকীকেইটা সংহতিৰ প্ৰতিখন সত্ৰয়েই বাস্তবিকতে একোটাইত পৃথক সংহতি হৈ উঠিল। প্ৰত্যেক সত্ৰতে সুবিধামতে বহুতো নিজা নিজা সংস্কাৰ ঘটিবলৈ ধৰিলে। অসমত বিকেন্দ্ৰীকৰণৰ এটা প্ৰধান নমুনা আমাৰ এই সত্ৰানুষ্ঠানবিলাক। কোনো সংহতি বা কোনো সত্ৰই ধৰ্ম্মবিষয়ত কি কি যোগ-বিয়োগ কৰিলে সেইটো আলোচনা কৰিবলৈ গ'লে প্ৰৱন্ধৰ আকাৰ ডাঙৰ হৈ যাব। এনে অনুসন্ধানমূলক বিশদ আলোচনা কৰিলেহে অসমৰ ধৰ্ম্ম-সংস্কৃতিমূলক যথাৰ্থ ইতিহাস ৰচিত হব।

আমি আগতে কৈ অহা মতেই বৰদোৱা থানৰ দৰে ঐক্যবন্ধনৰ কোনো কেন্দ্ৰ নথকাৰ কাৰণেই কাল-সংহতিৰ সত্ৰ-সমূহো পৰস্পৰে বহুতো বিষয়ত অমিল হৈ পৰিল। এই অমিল ভাৱৰ কাৰণে আন নহলেও দিহিং আৰু মোৱামাৰা সত্ৰসমূহ কাল-সংহতিৰ ভিতৰতেই একোটাইত উপসংহতি হৈ পৰিল। এনেকৈ পৰস্পৰে সকলো সত্ৰ অমিল হৈ পৰিল যদিও কেইটামান বিষয়ত এই সংহতিৰ ভিতৰত মিল আছে। সকলোৱেই শ্ৰীগোপালদেৱক পূৰ্ণবস্তু বুলি ভাবে, প্ৰতিমা বা তীৰ্থতকৈ গুৰু-ভকতক শ্ৰেষ্ঠ আৰু সেৱ্য বুলি ভাবে। এওঁলোকৰ নাম-কীৰ্ত্তন আৰু গুৰু-সেৱাৰ প্ৰণালী চমু। কীৰ্ত্তন বা ঘোষা অনেকবাৰ দোহাৰি দীঘলীয়াকৈ গোৱা আৰু মালা জপ কৰি বহুসময় ধৰি গুৰুসেৱা কৰা প্ৰথা এওঁলোকৰ নাই। খোৱা-বোৱা বিষয়ত মাছ, কাছ আৰু বনৰীয়া চৰাই, পহুৰ দৰেই হাঁহ-পাৰ-খাচীৰ মাংস ভোজন কৰাটো এওঁলোকে দোষৰ কথা বুলি নধৰে। অনেক সত্ৰত শৰাইৰ প্ৰচলন নাই আৰু বস্থি নলগোৱাকৈয়ো নাম-কীৰ্ত্তন কৰিলে দোষণীয় বুলি গণ্য কৰা নহয়। নাম-কীৰ্ত্তন কৰোঁতে ভকতলৈ পিঠি দি বহাটো এওঁলোকৰ মতে দোষৰ কথা বুলি ধৰা হয় আৰু সেইকাৰণে নামঘৰৰ দুফালে দুশাৰী হৈহে নাম গোৱা হয়। এই সংহতিত গুৰুৰ প্ৰাধান্য থকাটোৱে জ্ঞানত প্ৰাধান্য দিয়াটো বুজায়। আচাৰতকৈ বিচাৰৰ প্ৰাধান্যটোহে এওঁলোকৰ বেছি। তত্ত্ব বিচাৰ কৰিবলৈ হলে জ্ঞানৰ পোহৰ বেছি নহলে নহয়। জ্ঞানৰ পোহৰ বৃদ্ধি কৰিবৰ কাৰণেই শাস্ত্ৰ আৰু গুৰুৰ আৱশ্যকতা বেছি হয়।

শ্ৰীগোপালদেৱ নিজে এগৰাকী কবি আৰু কলাকাৰ আছিল। তেৰাৰ ৰচিত নাট, গীত, ঘোষা আদি ইতিপূৰ্ব্বে প্ৰকাশিত হৈ গৈছে। তেৰাৰ প্ৰধান ব্ৰাহ্মণ শিষ্য আৰু উত্তৰাধিকাৰী শ্ৰীৰামদেৱৰ আৰু ৰামানন্দৰ গীত-ঘোষাও প্ৰকাশ হৈছে। শ্ৰীগোপালদেৱৰ অন্যতম মুখ্য ধৰ্ম্মাধিকাৰী "ভূঞাৰ পো" শ্ৰীঅনিৰুদ্ধদেৱ আৰু তেখেতৰপৰা বঢ়া মোৱামৰা সম্প্ৰদায়ৰ গুৰুসকলৰ ৰচিত অলেখ গীত, ঘোষা, ভাগৱতৰ ভাঙনি আদি পুথি আছে। শ্ৰীঅনিৰুদ্ধদেৱৰ পৰৱৰ্ত্তী গুৰুসকলৰ প্ৰত্যেক জনৰেই ৰচিত গীত-ঘোষা আছে। তেখেতৰ সঙ্গী অন্যতম ভূঞাৰ পুত্ৰ "বৰআতা" শ্ৰীযদুমণি বা "বৰযদুমণিদেৱ"ৰ ৰচিত বাৰকুৰি গীত, ফল্গু যাত্ৰা নামে এখন নাট আৰু বহুত ঘোষা আছে। তেখেতৰ বংশধৰ সকলৰ পৰা হোৱা দিহিং, লেংদি, বাঁহবাৰী, তেলপানী, ধল, নমাটি আদি সত্ৰ আৰু আজ্ঞাপৰ সকলৰপৰা হোৱা কঁহাৰপাৰ, চেঁচা, চালিহা, বুধবাৰী, কাটনীপাৰ, জকাই আদি সত্ৰৰ গোঁসাইসকলে ৰচনা কৰা অসংখ্য গীত-ঘোষা, পদ-পুথি, চৰিত্ৰ-পুথি আদি আছে। শঙ্কৰী সাহিত্যত উল্লেখ কৰা "বৈষ্ণৱানন্দ লহৰী" নামৰ পুথি মূল শ্লোকৰপৰা ভাঙি পদ ৰচিছিল শ্ৰীবৰযদুমণিদেৱৰ নাতি শ্ৰীউদিৎৰামদেৱে।

অসমৰ সত্ৰসমূহত শ্ৰীশঙ্কৰদেৱৰ দিন ধৰি খুলীয়া বাজনাৰ গায়ন-বায়ন চলি আছিল। শ্ৰীবৰযদুমণিদেৱ আৰু শ্ৰীঅনিৰুদ্ধদেৱে খোলৰ পৰিবৰ্ত্তে মৃদঙ্গীয়া গায়ন-বায়নৰ প্ৰচলন কৰে। এই দুজনা "আতা"ৰ বাহিৰেও তেখেতসকলৰ সঙ্গী "বাৰ-আতা" সকলৰ দ্বাৰা প্ৰতিষ্ঠিত অনেক সত্ৰত মৃদঙ্গীয়া বাজনাৰ প্ৰচলন হয়। এওঁলোকৰ মতে মৃদঙ্গহে শাস্ত্ৰীয় আৰু দেৱবাদ্য। এই মৃদঙ্গীয় গায়ন-বায়নৰ সহযোগত বৰগীতৰ চৰ্চ্চা কৰাটো অসমৰ সঙ্গীত-কলালৈ এই সংহতিৰ এটি অপূৰ্ব্ব অৱদান।

বৰগীত বুলিলে আমি শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱৰ ৰচিত তথাকথিত বাৰকুৰি গীতকে বুজো। প্ৰকৃততে বৰগীত বুলিবৰ কোনো এবিধ গীত প্ৰচলিত নাই। তথাকথিত বৰগীতৰ পুথিবিলাকতো বৰগীত বুলি অৰ্থাৎ "বৰগীত—ৰাগ আশোৱাৰী, বসন্ত ইত্যাদি" বুলি প্ৰত্যেক গীতৰ আগত উল্লেখ কৰি উক্ত দুজনা মহাপুৰুষে ক'তো লেখি থৈ যোৱা পোৱা নেযায়। প্ৰকৃততে দুজনা মহাপুৰুষৰ চৰিত্ৰ-পুথিক "বৰ চৰিত্ৰ" বুলি অন্য-চৰিত্ৰৰপৰা পৃথক কৰাৰ দৰেই কালক্ৰমত "বৰগীত" বুলি তেৰাসকল দুজনাৰ ৰচিত গীত-বিলাকক আনৰ ৰচিত গীতৰপৰা পৃথক কৰা হৈছে মাত্ৰ। মৃদঙ্গীয়া গায়ন-বায়নৰ তাল-মান, ৰাগ-সুৰ, ঘাত-লাগ সকলো বেছি আৰু জটিল। শ্ৰীবৰযদুমণিদেৱে নিজে অকলেই বাৰকুৰি গীত ৰচনা কৰাটোৱেই প্ৰমাণ কৰে যে তেৰাৰ দিনত মৃদঙ্গীয়া গায়ন-বায়ন কিমানদূৰ লোকপ্ৰিয় হৈ উঠিছিল। আহোম ৰজাসকলে মৃদঙ্গীয়া গায়ন-বায়নৰ নিমিত্তে বিশেষ উৎসাহ দিয়াৰ কথা পোৱা যায়।

বৰগীত অৰ্থাৎ শ্ৰীশঙ্কৰ-মাধৱৰ ৰচিত গীত-বিলাকত নোহোৱা কিছুমান ৰাগো ( যেনে, ৰাম-গিৰি, ৰাম-কেলী, ছালেঙী, মুলতানী, মধ্যালী, ভূপালী, ব্যাহ, জয়-শ্ৰী-গন্ধৰ্ব্ব-গান, পীতাম্বৰী আদি ) কাল-সংহতিৰ গুৰুসকলে ৰচনা কৰা গীত বিলাকত পোৱা যায়। ইয়াৰ দ্বাৰায়ো এইটো পৰিলক্ষিত হয় যে এই সংহতিৰ ভিতৰত সঙ্গীতৰ চৰ্চ্চা বেছি ৰকমেই হৈছিল।

সত্ৰীয়া চৰিত্ৰ-পুথিবিলাক অসমৰ সামাজিক আৰু প্ৰজাঘৰীয়া ইতিহাসৰ অতি আৱশ্যকীয়



সম্বল। কাল-সংহতিৰ বহুতো সত্ৰত গুৰুসকলৰ চৰিত্ৰ-পুথি লিখা আৰু সেইবিলাক গুৰু-চৰিত্ৰ ধৰ্ম্মজীৱনৰ আহি-চৰিত হিচাপে অধ্যয়ন কৰা ৰীতি প্ৰচলিত হৈ আহিছে। শ্ৰীগোপালদেৱৰ চৰিত্ৰ-পুথি প্ৰধানতঃ চাৰিখন আৰু তাৰ বাহিৰে তেৰাৰ আজ্ঞাপৰ "বাৰ-আতা" সকলৰ বিভিন্ন চৰিত্ৰ-পুথিত উল্লেখ কৰা তেখেতৰ চৰিত্ৰও আছে। শঙ্কৰোত্তৰ কালৰ চৰিত্ৰ-পুথিবিলাকত শঙ্কৰী ধৰ্ম্ম, আদৰ্শ কেনেকৈ পালিত আৰু প্ৰতিষ্ঠিত হৈ উঠিছিল এই বিষয়েও বঢ়িয়াকৈ জানিবলৈ পোৱা যায়। এই চৰিত্ৰ-পুথি সম্পৰ্কে কাল-সংহতি অন্য সংহতিৰ তুলনাত বেছি চহকী। কাল-সংহতিৰ ৰচিত সাহিত্য অনেক স্থলত হয়তো শঙ্কৰী সাহিত্যৰ পুনৰাবৃত্তিকে বুলিব পাৰি; অৱশ্যে অনেক ক্ষেত্ৰত নতুনত্বও আছে। শঙ্কৰী সাহিত্যৰ মূল্যাঙ্কন কৰিও কোনো কোনো গীত-ঘোষা আদি ৰচিত হৈছিল। মানৰ দিনৰ এগৰাকী সত্ৰাধিকাৰ শ্ৰীপঙ্কজনাথ দেৱে ৰচনা কৰা তলত দিয়া ঘোষাটিত শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তন-ঘোষাৰ পঞ্চবিধ কীৰ্ত্তন, দশম স্কন্ধৰ দশ-ৰস, শ্ৰীমাধৱদেৱৰ নাম-ঘোষাৰ ছয় ৰস, "গীতে গতিসাৰ" বুলি দুয়োজনা মহাপুৰুষৰে গীতসমূহত গুৰুত্ব প্ৰদান আৰু লীলা, শোক, প্ৰেম আৰু কাম এই চাৰিপ্ৰকাৰে গীতৰ বৈশিষ্ট্য প্ৰকাশ, দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলী আৰু গীতৰ সহযোগত হৰি-মূৰ্ত্তি লাভ আৰু সবাৰে উপৰি অমূৰ্ত্তক হৰিৰ মূৰ্ত্তি "নাম"ৰ চৰণত আশ্ৰয় লোৱাৰ আৱশ্যকতা প্ৰকাশ কৰা দেখিবলৈ পোৱা যায়। ঘোষাটি হৈছে এই—

"শুন মন ভাই হৰি কৈত পায়
বিচাৰিয়ো মন ভাই।
হৰিৰ মূৰ্ত্তিক নিৰিচাৰি তই
কেনে আছ বাট চাই॥
শুন মন ভাই কীৰ্ত্তন সদায়
কীৰ্ত্তনৰ পঞ্চবিধ।
উচ্চ, উপাঙ্গ, মানস, বিৰত,
নিবিড় কৈলোঁ প্ৰসিদ্ধ॥
শুনিয়ো আৰৰ দশম স্কন্ধৰ
দশ ৰস ভাগ কৰি।
হাস্য, ৰোদন, শৃঙ্গাৰ সহিতে
বীৰত্ব, বীভৎস হৰি॥
অদ্ভুত, ভয়ান (ক), ভক্তি, প্ৰেম, দান
এহি দশ ৰস নাম।
আত অনন্তৰে ঘোষা-ৰস সাৰ
শুনিয়ো তাহান কাম॥
ভক্তি-ৰস, প্ৰেম- ৰস, নাম-ৰস,
সেৱা-ৰস, ফল-ৰস।
কৃপা-ৰস সমে এহি ষড় ৰস
হেন মনে কৰা আশ॥
দশম-কীৰ্ত্তন, ঘোষা-ৰত্নাৱলী,
গীতে গতি সাৰোদ্ধাৰ।
এহি পঞ্চনামে মূৰ্ত্তি ধৰিলন্ত
কৰিয়ো মনে বিচাৰ॥
গীতে গতি সাৰ, কৰিয়ো বিচাৰ
লীলা, শোক, প্ৰেম, কাম।
নামৰ চৰণে ধৰিয়ো মনাই
অমূৰ্ত্তক মূৰ্ত্তি নাম॥
হেন জানি এৰা চিত্ত দৃঢ় কৰা
আন কাম পৰিহৰা।
কহয় পঙ্কজ নাথ মাথে মজ
হৃদয়ে ধৰিয়ো

শ্ৰীমাধৱদেৱৰ নাম-ঘোষাত নোহোৱা "ঝুমুৰি" ছন্দৰ ঘোষা এটি শ্ৰীবৰযদুমণিদেৱে এইদৰে ৰচনা কৰি থৈ গৈছে—

ঘোষা। "ভাৱক ভাই, তৰিয়ো সুখে
হৰি গুণ গাই, শুনুল সজ্জন এ।
পদ। হৃদিসে নিজ গুৰু ইষ্টদেৱ।
তাহান চৰণে কৰিয়ো সেৱ।
আপোন কুশল সাধনি জানি।
নেৰিবা মুখে ৰাম-কৃষ্ণ বাণী॥
লৈয়োক সদায় সন্তৰ সঙ্গ।
কৰিয়ো জানি আন আশা ভঙ্গ।
দৃঢ়মনে ধৰা হৰিৰ পাৱ।
সংসাৰ সাগৰে এহিসে নাৱ॥

নিশ্চয় কাল-অজগৰে গিলে।
কৈত কেতিক্ষণে মৰণ মিলে॥
লভিয়ো চেতন কৰি যতন।
চিত্তত চিন্তিয়ো হৰি চৰণ।
সকল শাস্ত্ৰৰ এহিসে সাৰ।
ধৰা উপদেশ কৰি বিচাৰ॥
যদুমণি কহে পামৰ মতি।
হৰি গুণ নাম কৰিয়ো ৰতি॥"

ধৰ্ম্ম-প্ৰচাৰ বিষয়তো কাল-সংহতিৰ প্ৰচাৰে মিৰি, নগা, কছাৰী আদি আদিম জাতি আৰু অনেক তথাকথিত তপছিলভুক্ত জাতিৰ মাজত দকৈ শিপাই আছে। নিকপ্ কপীয়া মহাপুৰুষীয়া-সকলে এইবোৰ জাতিৰ মাজলৈ গ'লে জাত-কুল যোৱাৰ ভয়ত আৰু অস্পৃশ্যতাৰ ভাব বেছিকৈ ৰখাৰ কাৰণে এইবিলাক জাতিৰ মাজত কাল-সংহতিৰ দৰে প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। নগাপাহাৰৰ কেবাহাজাৰো নগা শিৱসাগৰৰ চলিহা (বাৰেঘৰ) সত্ৰ আৰু অন্যান্য কাল-সংহতিৰ সত্ৰৰ শিষ্য। নগাৰ নৰোত্তমৰ কথা মহাপুৰুষীয়া সমাজত প্ৰচলিত। কিন্তু এই নৰোত্তম শ্ৰীশঙ্কৰদেৱৰ পোনপটীয়া শিষ্য নাছিল। চলিহা সত্ৰৰ শ্ৰীৰামদেৱৰ (শিৱসিংহ ৰজাৰ সমসাময়িক) হে তেওঁ শিষ্য আছিল। তেওঁৰ বংশধৰসকল নগাপাহাৰত এতিয়াও ৰজা হৈ আছে আৰু চলিহা সত্ৰৰ শিষ্য বুলি তেওঁলোকে গৌৰৱ কৰে। উক্ত নগাৰ নৰোত্তম এজন বিদ্বান ৰজা আছিল। তেওঁ অসমীয়া ভাষাত ৰচনা কৰা ধৰ্ম্ম পুথিও আছে বুলি শুনিবলৈ পোৱা যায়।

---

# অসমীয়া জন-সাহিত্যত সাধুকথাৰ ইঙ্গিত

**শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস**

বৰ্ত্তমান ১৯৫৭ খৃষ্টাব্দ, উন্নত কুৰি শতিকাৰ আধা দিন পাৰ হৈ গ'ল। এই সময়ত পৌৰাণিকতা আৰু আধুনিকতাৰ মাজত তুমুল সংগ্ৰাম চলিছে। আধুনিকতাই যেন পৌৰাণিক তাক ধৰাধামৰ পৰা চিৰ বিদায় দিবলৈ চেষ্টা কৰিছে। সেইবুলি পৌৰাণিকতাইও নিজৰ খুটি এৰি দিয়া নাই। এই সমৰত শেষত গৈ কাৰ জয় হয় কব পৰা নাই।

নিচেই কম হলেও আমাৰ দেশত একশ্ৰেণীৰ লিখক আৰু সংগ্ৰাহক বাহিৰ হৈছে। তেওঁ-লোকে পুৰণি জন-সাহিত্য চৰ্চ্চা কৰে, আৰু তাক দেশৰ প্ৰাণ বুলিয়েই ভাৱে। এনে সাহিত্যিক পৃথিৱীৰ সকলো দেশৰ সকলো ভাষাতেই আছে। বাস্তৱতে কিছুমান অনাখৰী লোকৰ মুখত গভীৰ তত্ত্বমূলক গীত-পদ আৰু ফকৰা-যোজনা শুনিলে তবধ হব লাগে।

আজি সৰহ দিনৰ কথা নহয়। আমি পাঠ-শালাত পঢ়া কালতেই গাৱঁৰ চুবুৰিয়ে চুবুৰিয়ে বুঢ়া-বুঢ়ীসকলে চোতালত বা জুহালৰ ওচৰত বহি শিশুসকলৰ আগত নানা ধৰণৰ সাধু কৈছিল আৰু সাঁথৰ দিছিল। আমাৰ সত্ৰৰ নাম-ঘৰৰ পশ্চিম ফালে এজোপা ধুনীয়া বকুল আছিল। তাৰে দক্ষিণে মহাপুৰুষ শঙ্কৰদেৱৰ ভাৰ্য্যা আই গোঁসানীৰ থান। সেই বকুল জোপাৰ তলতেই



জহকালি ভকতসকলে বহি পুথি পঢ়িছিল। আজৰি মতে গাৱঁৰ শিশুসকলক তেখেতসকলে নানা গীত-পদ আৰু সাধু-কথাও শিকাইছিল। এনে সুনিয়ম আজিৰ গাৱঁত প্ৰায় নাইকিয়া হৈছে। লাহে লাহে গাওঁবিলাকো বৰ আধুনিক হৈ আহিছে যেন পাওঁ। তেনে ধৰণৰ আধুনিকতা ভালনে ?

সংগ্ৰহৰ কামত ফুৰাত আমি কিছুমান এনে সুন্দৰ যোজনা পাইছোঁ যে তাৰ প্ৰত্যেকৰে ভিতৰত একোটা সাধুকথা সোমাই আছে। এই সাধুকথাবিশিষ্ট যোজনাবোৰ কোনে কেতিয়া ৰচনা কৰিলে কব নোৱাৰি। গোটেই দেশৰ চুকে-কোণে ভালকৈ অনুসন্ধান কৰি চালে এনে যোজনা আৰু অনেক ওলাব। ইয়াত প্ৰকাশ কৰা যোজনাৰ অন্তৰালত থকা এটা সাধু চমুকৈ ৰাইজৰ আগত দাঙি ধৰা হ'ল—

এখন গাৱঁত এহাল মতা-মাইকী আছিল। মতাজন খেতিয়ক, হোজা। মাইকীজনী বিলাসিনী—তাইক আধুনিক ধৰণৰ সকলো সাজ-পাৰ আৰু গহনা-পাতি লাগে। সেইকাৰণে দুয়োৰো ভিতৰত কাজিয়া লাগি থাকে।

মতাজনে নিলগত কাম কৰি খেতি-বাতি কৰে। মাইকীজনী ঘৰতেই থাকে।

হঠাৎ পামত হাইজা হোৱাত সেই বেমাৰত পৰি মতাজন ঢুকাল। সেই খবৰটো আন মানুহ এজনে আহি ঘৰত দিয়াত তাই মনতে ভাল পাই কলে—

পামত মৰিল আমাৰ সি।
কান্দোন নাহিলে কৰিম কি ?
তোক দিওঁ এক দোণ ধান।
মোৰ হৈ তয়েই কান্দ॥

খবৰ দিওঁতা মানুহজনে কলে—

তই বা দিয় কি দোণে ?
মই বা কান্দিম কি গুণে ?

মাইকীজনী—

তোক দিম কুৰি আড়লীয়া দোণে।
তই কান্দ কুচি-কুচলীয়াক (১) শুনে॥

পিছত সি তাইৰ কথামতে লোকক শুনাই কান্দোন এটা মাৰি ডাঙৰ দোণেৰে ধান এদোণ লৈ গুচি গল। এই সাধুটোৰ ভিতৰত নাৰী চৰিত্ৰৰ ফাল এটি সোমাই আছে। (২)

এনেকুৱা ধৰণৰ সাধুকথা থকা যোজনা কেইটিমান প্ৰকাশ কৰা হল—

(১) এক অধম কলা কমাৰ।
এক অধম শহৰ আমাৰ॥
এক অধম ঘাৰ জমী।
এক অধম আমাৰ তুমি॥

ওপৰৰ যোজনাত এগৰাকী বোৱাৰীৰ সতীত্ব সোমাই আছে।

(২) ঠংকো ঠং বিঠং ঠং।
কি বেচা ভাই সু বং বং॥
বুজিলোঁ তাই কথাৰ ভাব।
চাৰি গণ্ডা এনেই লৈ যা॥

(৩) নাক কাণ কাটিলে প্ৰভু
আহিব ডালে-মূলে।
চুলিকোচা কাটিলেনো
আহিব কোন কালে ?

(৪) তলৰ যোজনাটোৰ ভিতৰত নাৰী-মনৰ দৃঢ়তা প্ৰকাশ পাইছে—

দাঁত জেং জেং কুঁহিয়াৰ বাৰী,
গাৱঁতো নাকান্দে লোকে।

---

(১) কুচি-কুচলিয়া = ওচৰ-চুবুৰীয়া

(২) লিখকৰ "আমি শুনা সাধু" নামৰ হাতে-লিখা অৱস্থাত থকা কিতাপত সাধুটো বহলাই লিখা আছে।

—দাস

মৰা মানুহৰ বুকত টাঙোন
ভাল দেখা নাই তোকে ॥
পালোঁ পালোঁ জয়-সুন্দৰী
জয় মাধৱক লই ।
মধু সুন্দৰৰ কঁকাল ভাগিল—
টপ্‌লা চেল্‌কা খাই ॥

(৫) চিৰাম চন্দ্ৰক (৩) পেলালোঁ পানীত,
তীমৰ ভাঙিলোঁ মূৰ ।
বডা সুকযলৈ হাত মেলোঁতে
কথমপি নপৰিলোঁ চোৰ ॥

(৬) কিংকৰী মিংকৰী,
পৰমেশ্বৰী আই ।
দুৱাৰ মুখক ওলাই আহা,
সেৱা কৰি যায় ॥
বেলি হৈছে ভৰ দুপৰ
মোৰো উঠিছে জ্বৰ ।
সেৱা কৰিব লাগে যদি
তাৰে পৰাই কৰ ॥

(৭) আৰিৰ মূৰা ঘিউৰ চপৰা
জোঁৱাইৰ পাতত দিবি ।
বৌৰ মূৰা শুদা খোলা
মোৰ পাতত দিবি ॥

(৮) এটা ম'হৰ দুজনী ঘৈণীয়েক । এজনী লাগী, আনজনী এলাগী । মতাজনক দেখিলে লাগীজনীয়ে কয়—

সোণামুৱা বাপু তোৰ ৰূপৰ চাৰিখন ভৰি ।
কোনোবা পুৰুষে মাৰি থব পৰ্ব্বত আকাৰ কৰি ॥

আকৌ এলাগীজনীয়ে কয়—

মাৰিব চাপৰ ৰতিৰ জৰী ।
গৰীয়া পিপাৰে নিব লেৰফেৰ কৰি ॥

(৯) কুটীৰ মূৰা মুনিহে নেখায় ।
মাজৰ ছোৱা মোকেই লাগে ॥
ফিচা ছোৱা যাচি চাম ।
নাখায় যদি তাকো খাম ॥

(১০) পানী পালে চেকুৰ, বাম পালে কেকুৰ ।
এতিয়া তোক লাগে নিমখ তেল ॥

(১১) নিত শামুকী কাহিনী ভুকুকী
বছৰে কলহী গাই ।
চকুত সেপ দি গিৰিহঁতে কান্দিলে
কলৈ যোৱা কামধেনু বাই ॥

(১২) তলৰ যোজনাত এজন গণ্ডপী ডেকাৰ মনৰ ভেম ফুটি ওলাইছে । ডেকাজনে মাকক কৈছে—

মূৰখৰ ভাৰ্য্যা পণ্ডিতৰ মাৰ ।
কেকোঁৰাদি আছে, ইটো কিহৰ ছাৱ ॥

তাৰ উত্তৰত মাকে সৰলভাৱে কলে—

থলে জলে খায় পিছলা ।
ইয়াকে বোলে মাছৰ নিছলা ॥

(১৩) তলৰ যোজনা দুটাৰ ভিতৰত আখ্যান সোমাই আছে—

সাধুৰ লগত সংগতি কৰিলোঁ ।
মধু কৰিলোঁ পান ॥
বিক্ৰমাদিত্য ৰজাৰ কান্ধত উঠিলোঁ ।
গঙ্গাত কৰিলোঁ স্নান ॥

(১৪) লঙ্কা দহিলা যে তাৰ নাম কি ?
তুমি লোৱা দহ অনা আমি জানো কি ?
আজিৰ পৰা হব ভাগ সমান সমান ।
লঙ্কা দহিলা সেই বীৰ হনুমান ॥

(১৫) শিয়াল :— তিলিং তালাং সদাশিৱ ।
হাত নাই ভৰি নাই ইনো কি জীৱ ॥
কাছ :— চকু থাকোঁতে নহবা কণা ।
খাব মন আছে যদি তিয়াই আনা ॥

এনে ধৰণৰ যোজনাবিলাক সৰল ভাষাত ব্যাখ্যা কৰিলে ভাল কিতাপ এখন হব । এই ৰচনাক লঘু-সাহিত্যৰ ভিতৰত ঠাই দিলেও আমাৰ দেশৰ ভাবী বংশধৰ শিশুসকলৰ কাৰণে উপাদেয় সাহিত্য হব ।

(৩) চিৰাম চন্দ্ৰ = শ্ৰীৰামচন্দ্ৰ

# বৰগীত আৰু শাস্ত্ৰীয় সঙ্গীত*

( আলোচনা—শ্ৰীলক্ষ্মীনাথ দাস, শ্ৰীদেৱেন্দ্ৰনাথ চাংকাকতী, শ্ৰীমহেশ্বৰ নেওগ )

নেওগ :—আজি বহুত দিনৰপৰা বৰগীতৰ সাঙ্গীতিক মূল্যৰ বিষয়ে মাজে মাজে আলোচনা হোৱা দেখা গৈছে । এই সম্পৰ্কে গৱেষণা কৰিব লাগে, আৰু গায়ন-পদ্ধতি এটা ৰূপত নিৰ্দ্ধাৰণ কৰি দিব লাগে, এনে ধৰণৰ কথাও ঘনাই উঠিব লাগিছে । গৱেষণাৰ আঁচনি প্ৰকৃততে হাতত লোৱা হৈছে আৰু তাৰ ফলাফল কি হয় তালৈ সকলোৱে আগ্ৰহেৰে বাট চাইছে । এই বিষয়ত কেইবাটাও কথাই খেলি-মেলি লগোৱা দেখা গৈছে । পুথিত বৰগীত আৰু অঙ্কীয়া গীতসমূহত পোনতে ভাৰতীয় সঙ্গীত-শাস্ত্ৰত উল্লেখ থকা কিছুমান ৰাগৰ নাম স্পষ্টকৈ লিখা থাকে। ইয়াৰ উপৰি দুটিমান বৰগীত আৰু সকলো অঙ্কীয়া গীতত এক বা একাধিক তালৰ নামো আছে ! এই গীতসমূহৰ ৰাগৰ নামবোৰ সকলোখিনিয়েই বিবিধ সঙ্গীত-শাস্ত্ৰৰ ৰাগৰ নামৰ লগত মিলে । মাথোন বৰগীতত পোৱা দৰে কৌ নামৰ ৰাগ এটি সংস্কৃত সঙ্গীত-শাস্ত্ৰত পোৱা নাযায় ! অৱশ্যে এই শব্দটো সংস্কৃতৰ কৌশিক বা ককুভ নামৰ পৰা ওলোৱা একো অসম্ভৱ নহয় । কিন্তু এই বিষয়ে আমাৰ বেছি চিন্তা কৰিব লগীয়া নাই । সঙ্গীত শাস্ত্ৰীয় সাধাৰণ কিছুমান নীতি লৈহে পোনতে আমাৰ ভাবিবলগীয়া হৈছে । কথাটো মুকলিকৈ কওঁ । ভাৰতবৰ্ষত হিন্দুস্থানী আৰু কৰ্ণাটকী—এই দুটা বহল সঙ্গীত সম্প্ৰদায় আছে । এই সম্প্ৰদায় বিভাগ হোৱাৰ মূল কথা হল দুইটাৰে বিশিষ্ট গায়ন-পদ্ধতি, আৰু ৰাগৰ একে নাম হোৱা সত্ত্বেও দুই শ্ৰেণীত সিহঁতৰ বিভিন্ন ৰূপ হোৱাটো । আনফালে আকৌ, কোনো—কোনোৱে দুটা সম্প্ৰদায়ৰ ঠাইত, কলিকতা, লক্ষ্মৌ, পুণা, কৰ্ণাটক আৰু তান্‌জোৰক কেন্দ্ৰ কৰি ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতক ৫টা সম্প্ৰদায়ত বিভক্ত কৰিবলৈ বিচাৰে । এই বোৰৰ মাজত কিছুমান মূলগত প্ৰভেদ আছে বা বিচাৰি পোৱা গৈছে কাৰণেই এনে সম্প্ৰদায় বিভাগৰ কথা ভৱা হৈছে । এতিয়া, বৰগীত আৰু অঙ্কীয়া গীতৰ শাস্ত্ৰীয় ৰাগ তালবোৰৰ নামৰপৰা ইবিলাকো যে শাস্ত্ৰীয় সঙ্গীতেই আছিল, বা এতিয়াও শাস্ত্ৰীয় সঙ্গীতেই হয়, এই কথা বোধহয় কৰ পৰা যায় । কিন্তু আমাৰ দেশত সম্প্ৰতিকে উত্তৰ ভাৰতীয় সঙ্গীতৰ প্ৰচলন বেছি হোৱা বাবেই হওক, বা আন কোনো কাৰণতে হওক, উত্তৰ ভাৰতীয় অৰ্থাৎ হিন্দুস্থানী সঙ্গীতক মানদণ্ড ৰূপে লৈ অনেকেই কবলৈ বিচাৰে যে, বৰগীত আৰু অঙ্কীয়া গীত শাস্ত্ৰীয় সঙ্গীতৰ মহলৰ পৰা কালক্ৰমত খহি পৰিছে । গতিকে, এই সমালোচকসকলে ইয়াকো কবলৈ নাপাহৰে যে, বৰগীত আৰু অঙ্কৰ গীতৰ সত্ৰীয়া গায়ন পদ্ধতি পৰিহাৰ কৰি হিন্দুস্থানী সঙ্গীতৰ আহিৰে সিবোৰ গোৱা উচিত । এই দৃষ্টি-ভঙ্গী আধুনিক বিজ্ঞানসম্মত পদ্ধতিৰ অনুমোদিত হয় নে নহয় সেইটো

* গুৱাহাটী আকাশ-বাণীৰ দ্বাৰা প্ৰচাৰিত আলোচনাৰ ওপৰত ভেটি কৰি প্ৰৱন্ধটো যুগুত কৰা হৈছে ।

আমাৰ বিচাৰ্য্য বিষয়। আমি "পাৱে পৰি হৰি কৰহো কাতৰি" গীতটি সত্ৰীয়া কেদাৰ ৰাগত গাম নে, **ভাতখণ্ডেজীয়ে** কেদাৰ ৰাগ যেনেকৈ বান্ধি থৈ গৈছে, সেই ৰূপত পেলাই লৈ গাম? একেটা ৰাগকে সত্ৰীয়া পদ্ধতিত গালে হয় এক ধৰণৰ, আৰু হিন্দুস্থানী পদ্ধতিত গালে হয় আন ধৰণৰ। এই পাৰ্থক্যৰ তাৎপৰ্য্য কি? আৰু, সেই পাৰ্থক্যই আমাক বৰ্ত্তমান ক্ষেত্ৰত কি পথ নিৰ্দ্দেশ কৰি দিয়ে? এইবোৰ মুকলি মনেৰে ভাবিবৰ সময় হল। যেতিয়া একেটা ৰাগেই হিন্দুস্থানী সম্প্ৰদায়ত আৰু বৰগীতত বেলেগ ৰূপ লোৱা দেখা যায়, তেতিয়া আমি মনত ৰাখিব লাগিব যে, সেই একেটা ৰাগেই কৰ্ণাটকী সম্প্ৰদায়তো আকৌ বেলেগ এটা ৰূপ পৰিগ্ৰহ কৰে। এতিয়া প্ৰশ্ন হব, এই তিনিটা ৰূপৰ কোনটো শুদ্ধ, আৰু কোন ছুটা অশুদ্ধ! আমি এইদৰে শুদ্ধ-অশুদ্ধ বিচাৰ কৰাত কি মানদণ্ড গ্ৰহণ কৰা উচিত? ন্যায় বিচাৰৰ ফালৰ পৰা কৰলৈ গলে এটা পক্ষক অশুদ্ধ বোলাত বিপক্ষক ন্যায়দণ্ড বুলি ধৰিব নোৱাৰি নিশ্চয়।

বৰ্ত্তমান প্ৰশ্নত আমি আৰু কেইটামান কথা বিচাৰ কৰিব লাগিব। কোনো লোকে কয় যে, বৰগীতত ৰাগৰ ৰূপ শঙ্কৰদেৱে ঠিৰাং কৰি দিয়াৰ পিছত যোৱা চাৰি শ বছৰে সি ওজা, গায়ন-বায়নসকলৰ অযত্নত সেই ৰূপৰপৰা খহি পৰিছে, আৰু সেই গতিকেহে সি শাস্ত্ৰীয় সঙ্গীতৰ (এই আখ্যাৰে তেওঁলোকে হিন্দুস্থানী সঙ্গীতক হে বুজায়) লগত অমিল হৈ পৰিছে। এই উক্তিত ছুটা ধৰিলোৱা কথা আছে—প্ৰথম, আমাৰ সত্ৰীয়া ওজাসকল সঙ্গীতত অপটু আৰু অৱহেলা-কাৰী, দ্বিতীয়তে, শাস্ত্ৰীয় সঙ্গীতৰ মান একমাত্ৰ হিন্দুস্থানী সঙ্গীতহে আদি কালৰে পৰা ঠিকে ঠাকে ৰাখি আছে। ভাৰতীয় সঙ্গীতৰ ইতিহাসে আৰু অসমৰ গীত-মাতৰ বুৰঞ্জীয়ে এই ছুটা ধাৰণা সমৰ্থন কৰেনে? বস্তুতে কয় যে সত্ৰীয়া সঙ্গীতত খোল, মৃদঙ্গ আৰু তাল, এইবোৰ তাল-যন্ত্ৰ আছে যদিও বাঁহী বা বীণা জাতীয় কোনো স্বৰ-যন্ত্ৰ নোহোৱাত ৰাগৰ ৰূপ বিকল হোৱাটো খুব সম্ভৱ। সত্ৰীয়া সঙ্গীতত স্বৰ-যন্ত্ৰ নোহোৱাতো অৱশ্যে ছুখৰ বিষয়। শঙ্কৰদেৱৰ দিনত অৱশ্যে স্বৰ-যন্ত্ৰ প্ৰচলিত আছিল। শঙ্কৰদেৱৰ সম্বন্ধীয়া ভায়েক ৰামৰায়ৰ জীয়েক কমলাপ্ৰিয়াই চাবেংদাৰ অৰ্থাৎ চেবেঙা বজাই গুৰুজনৰ গীত গাই থাকোঁতেই তেওঁৰ স্বামী চিলাৰায়ে শুনি এই নতুন ধৰ্ম্মত শৰণ লবলৈ সংকল্প কৰে। শঙ্কৰদেৱৰ শিষ্য ভাস্কৰ বিপ্ৰই বীণা জাতীয় ৰবাব বাদ্যত গুৰুজনৰ গীত গাই ঐদেহে বৈদেহে ঘূৰি ফুৰিছিল। এই ৰবাব বাদ্য আজি অৱশ্যে ভাৰতৰ পৰাই নিশ্চিহ্ন হৈ আঁতৰি যোৱাৰ দৰে হৈছে। সি যি হওক লাগিলে, সত্ৰীয়া ওজা গায়কসকলে তেওঁলোকৰ সঙ্গীত-ধাৰাক অৱজ্ঞা কৰি আহিছে বুলিলে, তেওঁলোকৰ সাধ্য-সাধনাৰ অপলাপ কৰা যেন হব। অৱশ্যে তেওঁলোকৰ মাজত স্বৰ সাধনাৰ জেৰ যে নাই, ই সঁচা কথা। বা তেওঁ-লোকৰ গায়ন পদ্ধতিত ৰাগৰ অনিবদ্ধ আলাপ অংশত, অৰ্থাৎ ৰাগ দিওঁতে, ওজাই যিবোৰ স্বৰ ব্যৱহাৰ কৰে, প্ৰকৃত গীতটো গাওঁতে তাৰে ছুই এটা ব্যৱহৃত নহয়। দ্বিতীয়তে, এঠাইৰ গোৱাৰ লগত আন ঠাইৰ বৰগীত গোৱাৰ অন্ততঃ আপাততঃ কিছু পাৰ্থক্য দেখা পোৱা যায়! আনফালে, আমি আকৌ স্বীকাৰ কৰিব লাগিব, সকলো অঞ্চল বা ব্যক্তিৰে বৰগীত গোৱাৰ মাজত কিছুমান ক্ষেত্ৰত ঐক্যও আছে—যাৰ ফলত এখন সত্ৰৰ লোকে দূৰৈৰ অসম্পৰ্কিত আন এখন



সত্ৰৰ লোকে ৰাগ দিওঁতেই ৰাগৰ পৰিচয় কৈ দিব পাৰে। গতিকে যোৱা চাৰি শ বছৰৰ ব্যৱধানত কিবা অলপ লৰ-চৰ হলেও বৰগীতৰ ঐতিহ্য সৰহ ক্ষেত্ৰত শঙ্কৰদেৱৰ সময়ৰে পৰা অব্যাহত হৈ আছে। এতিয়া এই অব্যাহত বৈশিষ্টবোৰ বাছি উলিয়াব পৰাতেই বৰগীতত প্ৰকৃত ৰূপ-নিৰ্ণয়ৰ পথৰ প্ৰথম ঢাপ হোৱা উচিত হব যেন লাগে।

**চাংকাকতী:**—বৰগীতৰ আদি গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে, তীৰ্থ ভ্ৰমণৰ কালছোৱাত ভাৰতৰ বিভিন্ন ঠাইত প্ৰচলিত কেতবোৰ ভজন জাতীয় সঙ্গীত শুনি মুগ্ধ হৈছিল। তাৰে কেতবোৰ সুৰ নিভাজ শুদ্ধ ঠাটেৰে সৈতে আয়ত্ব কৰি, তাৰ লগত অসমীয়াৰ ঐতিহ্যপূৰ্ণ লালিত্য সংযোগ কৰে। তাৰ পাচত ব্ৰজাৱলী আৰ মৈথিলী ভাষাত গীত ৰচনা কৰি সেই সুৰত প্ৰকাশ আৰু প্ৰচাৰ কৰে। তেৰাই এই গীত তেৰাৰ প্ৰধান প্ৰিয় শিষ্য মাধৱদেৱৰ সহযোগিতাত মাৰ্জ্জিত, পৰিবৰ্দ্ধিত আৰু পৰিপূৰ্ণ কৰি বৰগীত নাম দি তেৰাৰ মহাপুৰুষীয়া ধৰ্ম্মৰ অঙ্গীভূত কৰি লয়। পৱিত্ৰ ভাৱে সত্ৰ, নামঘৰ, গোঁসাইঘৰ আদি পৱিত্ৰ স্থানত ধৰ্ম্মোৎসৱত বৰগীত গোৱাৰ বিধান দিয়ে। অপৱিত্ৰ অৱস্থাত যতে ততে এই গীত গোৱা দোষণীয় বুলি নিৰ্দ্দেশ দিয়ে।

সৰ্ব্বসাধাৰণৰ হাতত পৰি, খেল-ধেমালিৰ বা হাট-বজাৰৰ গীত হৈ যাতে নপৰে তাৰ বাবে বৰগীতৰ শিক্ষা সংৰক্ষণ কৰাৰ ব্যৱস্থা হয়। এই ব্যৱস্থামতে গুৰুসকলৰ অনুমোদিত শিষ্যসকলকহে মুখে মুখে শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। যি গৱাকীয়ে এই শিক্ষাত সাফল্য লাভ কৰে তেখেতক গায়ন উপাধি দি সন্মানিত কৰা হয়। এই প্ৰথামতে বৰ্ত্তমান কাললৈকে গায়নসকলে বৰগীত শিক্ষা দিয়ে আৰু কৰে। সৰ্ব্বসাধাৰণৰ বৰগীত শিক্ষাৰ সুবিধা নথকাত তেওঁলোকৰ মাজত থকা সঙ্গীতানুৰাগী সকলৰপৰা বৰগীতৰ আহিলা পোৱাৰ সম্ভাৱনা এতিয়াও হৈ উঠা নাই!

সেইবাবে বৰগীত গবেষণা কাৰ্য্যত মহাপুৰুষীয়া সম্প্ৰদায়ৰ সম্পূৰ্ণ সমৰ্থন আৰু সহযোগিতাৰ একান্ত আৱশ্যক। মহাপুৰুষীয়া সম্প্ৰদায়ে আগ ভাগ ললেহে এই চেষ্টাৰ সুফল পোৱাৰ আশা কৰা যায়।

আমাৰ বিশ্বাস, বৰগীত গুৰুসকলে তাত উল্লিখিত মাৰ্গ-সঙ্গীতৰ ৰাগ বা ৰাগিণীৰ ঠাট-যুক্ত সুৰতে গাইছিল আৰু শিক্ষা দিছিল। ঠাট নিৰ্ণয়কাৰক বাদ্যযন্ত্ৰ বা স্বৰলিপিৰ ব্যৱহাৰ নথকাত, গায়নসকলে গুৰুসকলৰ শিক্ষা নিভাঁজ শুদ্ধৰূপে ৰাখিব পৰা নাই আৰু ক্ৰমে ইয়াৰ বিকৃতি ঘটিছে। শুধৰাবলৈ কোনো উপায় নাই আৰু তেনে চেষ্টাৰো কোনো প্ৰমাণ নাই। কাৰণ একেটা ৰাগৰ একেটা বৰগীতৰ সুৰ বিভিন্ন গায়নৰ কণ্ঠত বিভিন্ন শুনা যায় আৰু প্ৰত্যেকে নিজৰটো শুদ্ধ বুলি দাবী কৰে। এনেভাবেই বৰগীত মাৰ্গ-সঙ্গীত-শ্ৰেণীৰ পৰা আঁতৰি গৈছে।

বৰগীতত কেৱল ৰাগৰহে উল্লেখ আছে। এই ৰাগ শব্দই ৰাগিণীকো ৰাগ ৰূপে বুজাইছে বুলি আমাৰ মনে ধৰে। ৰঞ্জয়তীতি ৰাগঃ—অৰ্থাৎ মনৰ ভাৱ সুললিত সুৰত মনোৰঞ্জন কৰি প্ৰকাশ কৰা কণ্ঠালাপৰ নাম ৰাগ। বৰগীত গোৱাৰ পূৰ্ব্বে তাত উল্লিখিত ৰাগৰ ৰূপ প্ৰকাশক ঠাটত কণ্ঠালাপ কৰা বৰগীতৰ অপৰিহাৰ্য্য অঙ্গ। ৰাগ শব্দই এই কণ্ঠালাপক বুজায় এয়ে আমাৰ মত। সঙ্গীতত ইয়াক আলাপ বোলে।

বৰগীত মাৰ্গ-সঙ্গীতৰ শ্ৰেণীৰ আৰু ইয়াক ৰাগ-ৰাগিণীৰ নামানুসৰি ঠাটত, অসমীয়া বা শঙ্কৰী

লালিত্যত গোৱা হৈছিল এই মতেই আমাৰ প্ৰবল। কাৰণ আংশিক ভাৱে ভাৰতীয় ৰাগ-ৰাগিণীৰ ঠাট প্ৰকাশ পোৱা গীত মাৰ্গ-সঙ্গীত শ্ৰেণীৰ বুলি গণ্য কৰা প্ৰথা আছে। হোলি, ঝুলন, ৰাস, গজল, ভজন আদি গান তেনে শ্ৰেণীৰ সঙ্গীত। বৰগীতো তেনে শ্ৰেণীৰ সঙ্গীত অৰ্থাৎ ভজন জাতীয় গীত আৰু ইয়াৰ সুৰৰ নামো মাৰ্গ-সঙ্গীত সন্মত। যদি বৰ্ত্তমান প্ৰচলিত বৰগীতৰ সুৰৰ লগত মাৰ্গ-সঙ্গীতৰ ৰাগ বা ৰাগিণীৰ ঠাট প্ৰকাশক সুৰ প্ৰকাশ পোৱাৰ দিহা হয়, তেন্তে ইও মাৰ্গ-সঙ্গীত শ্ৰেণীত পৰে। তেতিয়াহলে বৰগীতৰ মৰ্য্যাদা, আমাৰ ঐতিহ্য, গুৰুসকলৰ গৌৰৱ অব্যাহত থাকে। কিয়নো প্ৰচলিত ৰাগ বা ৰাগিণীৰ ঠাট প্ৰকাশ নোপোৱা কোনো গীতকে সঙ্গীত-সেৱকসকলে মাৰ্গ-সঙ্গীত বা ক্লাচিকেল মিউজিক বুলি মানি নলয়।

বৰগীতত প্ৰচলিত প্ৰায় সকলো ৰাগৰ নাম আৰু প্ৰচলিত ৰাগ-ৰাগিণীৰ শাস্ত্ৰীয় নাম একে।

ভাৰতীয় মাৰ্গ-সঙ্গীত বা ক্লাচিকেল মিউজিক সুনিয়ন্ত্ৰিত, সুস্থ আৰু পৰিপূৰ্ণ হব ধৰে সম্ৰাট আলাউদ্দিনৰ ৰাজত্ব কালৰ পৰা, ১৩০০ খৃষ্টাব্দত।

ধনশ্ৰী, গৌৰী, পূৰবী, তোড়ী, বসন্ত ইত্যাদি ৰাগ-ৰাগিণী পুনৰুদ্ধাৰ কৰে পণ্ডিত গোপাল ভট্টদেৱ নায়কে আৰু তেখেতেই ধাৰ বা ধ্ৰুপদৰ সৃষ্টিকৰ্ত্তা।

নায়ক বৈজু বাওৰা গোপাল নায়কৰ প্ৰতিদ্বন্দ্বী আছিল।

নায়ক আমিৰ খচৰুৱে খেয়াল প্ৰচলন কৰে আৰু মহিৰ বা মাহুৰ আদি ৰাগিণী উদ্ধাৰ কৰে।

জোৱানপুৰৰ চুলতানে আশোৱাৰী, শ্যাম, কানাড়া আদি উদ্ধাৰ কৰে। মহম্মদ বাদছাহৰ দিনত গোলাম নবীয়ে টপ্পা প্ৰচলন কৰে।

ৰামানন্দ, কবীৰ, আৰু সুৰদাসকে আদি কৰি প্ৰসিদ্ধ ভজন গায়ক, সাধক আৰু সঙ্গীতানুৰাগী সকলেও ১৪০০ খৃষ্টাব্দত খ্যাতিমান হয়। গতিকে চতুৰ্দ্দশ খৃষ্টাব্দৰ পৰা প্ৰচলিত ৰাগ-ৰাগিণীৰ ঠাটৰ লগত পঞ্চদশ খৃষ্টাব্দৰ পৰা চলিব ধৰা বৰগীতৰ ঠাট একে নামৰ ৰাগৰ ভিন্ন হব নোৱাৰে।

বৰগীত শিকাৰ সুবিধা আমাৰ নাই। সঙ্গীত-সেৱক হিচাবে যি কেৰা শিক্ষাৰ সৌভাগ্য হৈছে সিও যৎসামান্য মাত্ৰ। ভকতীয়া বা অসমীয়া লালিত্যৰ লগত উল্লিখিত ৰাগ বা ৰাগিণীৰ শাস্ত্ৰীয় ঠাট সংযোগ কৰি বৰগীত গাই আমি তৃপ্তি পাওঁ। সঙ্গীতৰ মাধুৰ্য্যৰ সোৱাদৰ বাবেহে আমাৰ এই চেষ্টা। বৰগীত সংশোধন বা আমাৰ মত প্ৰকাশ কৰা আমাৰ উদ্দেশ্যও নহয় আৰু তেনে অধিকাৰ আছে বুলিও আমি নাভাবোঁ। বৰগীত অসমীয়াৰ এটি কৃষ্টি আৰু শ্ৰীমন্ত শঙ্কৰৰ অমূল্য দান। ইয়াৰ উজ্জ্বল ভবিষ্যতহে আমাৰ কামনা।

**নেওগ** :—চাংকাকতীদেও, আপুনি যি কলে, তাৰ মুঠ বোধ হয় এয়ে হ'ল যে শঙ্কৰদেৱে শুদ্ধ শাস্ত্ৰীয় ঠাটত, আপোনাৰ মতে যাৰ প্ৰকৃষ্ট ৰূপ হল সাম্প্ৰতিক হিন্দুস্থানী ঠাট, সেই শুদ্ধ শাস্ত্ৰীয় ঠাটত বৰগীতৰ সঙ্গীত নিৰূপণ কৰিছিল, আৰু ঠাট নিৰ্ণয়ক স্বৰ-যন্ত্ৰ আৰু স্বৰ-জ্ঞানৰ প্ৰয়োগৰ অভাৱত সেই সঙ্গীতৰ সম্পূৰ্ণ অৱনতি ঘটাতহে আপোনাৰ মতে আদৰ্শ হিন্দুস্থানী সঙ্গীতৰ পৰা আঁতৰি পৰিছে, গতিকে বৰ্ত্তমান আমাৰ একমাত্ৰ পন্থা হল সাম্প্ৰতিক হিন্দুস্থানী নীতিৰে বৰগীতৰ কিছু ঢং ৰাখি তাক শুধৰাই পেলোৱা।

আপোনাৰ যুক্তি মতে শঙ্কৰদেৱে তেওঁৰ সময়ৰ উত্তৰ ভাৰতৰ পৰাই তেওঁৰ সঙ্গীত পদ্ধতি গ্ৰহণ



কৰিছিল। কিন্তু আপুনি আমাক ভাবিব লগীয়া কৰিলে। প্ৰথমতে, উত্তৰ ভাৰতৰপৰাহে মাত্ৰ শঙ্কৰদেৱে সঙ্গীত পদ্ধতি গ্ৰহণ কৰাৰ নিৰ্দ্দিষ্ট প্ৰমাণ কি? প্ৰকৃততে তেনে কোনো প্ৰমাণ নাই। দ্বিতীয়তে, শঙ্কৰদেৱৰ সময়ত কামৰূপত ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ প্ৰচলন নাছিল নেকি! আপাততঃ শঙ্কৰী প্ৰভাৱৰ পৰা মুক্ত দুৰ্গাবৰী গীতাম্বৰী ৰচনাই আৰু পূৰ্ব্ব-ভাৰতৰ চৰ্য্যা-পদৰ ৰাগ নিৰূপণে কিন্তু কামৰূপত ৰাগ-সঙ্গীত থকাৰ প্ৰমাণহে দিয়ে। তৃতীয়তে, আপুনি ধৰি লৈছে যে, চাৰিশ বছৰৰ আগৰ উত্তৰ-ভাৰতীয় সঙ্গীতৰ ধাৰাও অবিকল ভাৱেই আছে। সঙ্গীত-বিশাৰদ সকলে কয় ৰাগৰ মূল্যাঙ্কনৰ সময়ৰ লগে লগে পৰিবৰ্ত্তন ঘটি থাকে। উদাহৰণ স্বৰূপে, প্ৰায় এশ বছৰৰ আগতে ললিত ৰাগ যি আছিল, আজি সি নাই! এক শতিকাৰ আগতে কাফী ঠাটক শুদ্ধ ঠাটৰ মান ৰূপে লোৱা হৈছিল, আজি লোৱা হয় বিলাৱল ঠাটক। এনে স্থলত উত্তৰ ভাৰতীয় সঙ্গীতৰ পৰা শঙ্কৰী সঙ্গীতৰ উদ্ভৱ হৈছে বুলি ধৰিলেও আজিৰ হিন্দুস্থানী সঙ্গীতৰ লগত বৰগীতক মিলোৱাৰ কি অৰ্থ হব পাৰে? কৰ্ণাটকী সঙ্গীতক হিন্দুস্থানী সঙ্গীতৰ লগত চামিল কৰাৰ কথা কোনোবাই প্ৰস্তাৱ কৰিব পাৰেনে?

দাস ডাঙৰীয়া, আপুনি বৈজ্ঞানিক লোক, আৰু আমি জানো আপুনি বহুত দিনৰ পৰাই বৰগীত আদিৰ স্বৰলিপি গ্ৰহণ কৰি এই বিষয়ত বিশেষ অভিজ্ঞ হৈছে। আপোনাৰ বৈজ্ঞানিক মনেৰে বৰগীত আৰু শাস্ত্ৰীয় সঙ্গীত সম্পৰ্কে আপুনি কি ভাবে আমাক জনাওঁক।

**দাস** :—এইটো জনাজাত যে আদিতে মানুহে নিজৰ মনৰ সৰল প্ৰেৰণা, যেনে—আনন্দ, খেদ গৌৰৱ আদি প্ৰকাশ কৰিবলৈহে লোকগীতি বিলাক স্বতঃস্ফুৰিতভাৱে ৰচনা কৰিছিল। কিন্তু মানুহৰ মাজত যেতিয়া কলা-কুশলতা বৃদ্ধি পাব ধৰিলে, আৰু নানা প্ৰকাৰ কলাচিত্ৰই মানুহৰ মনত ঠাই পাব ধৰিলে, তেতিয়া দেখিলে যে সেই আদিম লোকগীতিৰ সৰল সুৰ-ঝঙ্কাৰে তেওঁ-লোকৰ মনৰ প্ৰেৰণা প্ৰস্ফুটিত কৰিব নোৱাৰে। তাৰ ফল স্বৰূপে আজিৰ এই উচ্চাঙ্গ সঙ্গীতৰ উদ্ভাৱন সম্ভৱ হল। তেতিয়া নানা প্ৰকাৰ দেৱ-প্ৰশস্তি, ৰাজ-প্ৰশস্তি আদিৰ নিমিত্তে এই সঙ্গীতৰ সুৰৰ লহৰ আৰু ঠাচৰ বিকাশ উত্তৰোত্তৰ বাঢ়ি গৈ আজিৰ অৱস্থা পাইছেহি। এই উচ্চাঙ্গ সঙ্গীতৰ জন্মস্থান হৈছে দেৱগৃহ, আশ্ৰম, ৰাজসভা আৰু ধনাঢ্যসকল। এই বিলাকৰ পৃষ্ঠপোষকতাৰ ফলতেই এই সঙ্গীত পৰিপুষ্ট হৈ আহিছে। এই লোকগীতি আৰু উচ্চাঙ্গ সঙ্গীতৰ পাৰ্থক্য প্ৰথম ভাগৱত লেখা সময়তে দেখা গৈছে। শ্ৰীকৃষ্ণই নিজে উচ্চাঙ্গ সঙ্গীত গাই গোপীসকলক লোক-গীতি গাবলৈহে কোৱা ৰাসক্ৰীড়াত বৰ্ণাইছে।

সম্প্ৰতি আমি এই উচ্চাঙ্গ সঙ্গীতৰ জন্ম-নক্ষত্ৰ আৰু প্ৰগতি বিচাৰ কৰিবলৈ তলত লেখা কথা কেইটা মনত ৰাখিব লাগিব। সিবিলাক হৈছে—প্ৰথম, স্থানীয় কৃষ্টি আৰু ওচৰ চুবুৰীয়াৰ প্ৰভাৱ, দ্বিতীয় ঐতিহাসিক, আৰু তৃতীয় ভৌগোলিক প্ৰভাৱ। আৰু মনত ৰাখিব লাগিব যে এই ভাৰতত এহেজাৰ বা পাঁচ শ বছৰৰ আগেয়ে (বিশেষ অভিযানৰ লগত নগলে) সকলোবিলাক কৃষ্টিকলা অতি মন্থৰ গতিতহে বিস্তৃত হৈছিল। যদি ধৰি লওঁ যে এই উচ্চাঙ্গ সঙ্গীতৰ জন্মকেন্দ্ৰ ভাৰতৰ কোনো বিশেষ অঞ্চলতহে আছিল, তথাপিও এইটো স্বতঃসিদ্ধ যে বিভিন্ন অঞ্চললৈ এই সঙ্গীত ব্যাপ্ত হোৱাৰ লগে লগে সি গৈ সেই ঠাইৰ আঞ্চলিক সঙ্গীত আৰু লোকগীতিৰ লগত

মিলি পৰিপুষ্ট হৈ নতুন ৰূপ ধৰিব। সেই কাৰণেই আমি দেখিবলৈ পাইছোঁ যে উত্তৰ ভাৰতীয়, কৰ্ণাটকী বা কামৰূপী সঙ্গীত ইটোৰ সিটোৰ লগত নিমিলে, আৰু মিলিব নোৱাৰেও। অৱশ্যে এই সঙ্গীত প্ৰচাৰৰ লগে লগে বিভিন্ন শাস্ত্ৰকাৰসকলে এই সঙ্গীতবোৰৰ ৰূপ অব্যাহত ৰাখিবলৈ প্ৰভূত পৰিশ্ৰম কৰি নানা সঙ্গীত-শাস্ত্ৰৰ সূত্ৰ উদ্ভাৱন কৰে। কিন্তু তেওঁলোকৰ শ্ৰম প্ৰায়েই ব্যৰ্থ হয়। সঙ্গীতৰ প্ৰগতিৰ লগত নানা নতুন নতুন সুৰৰ আৱিৰ্ভাব হোৱাত তেওঁলোকে ৰাগ-ৰাগিণীৰ সংখ্যা আৰু নাম-কৰণো ক্ৰমে বদলাবলৈ বাধ্য হৈ নতুন নতুন শাস্ত্ৰ লেখিবলৈ বাধ্য হল হৈগ। মুঠতে এইটো কথা ঠিক যে মানৱ মনৰ ক্ৰমবিকাশৰ পৰা উৎপন্ন এনেকুৱা সঙ্গীত বা আন কোনো কলাকেই কোনো শাস্ত্ৰৰ দ্বাৰা বান্ধি ধৰি ৰাখিব নোৱাৰি।

এতিয়া আমাৰ ইয়াত চলা সম্প্ৰতিৰ উচ্চাঙ্গ সঙ্গীতত কি দেখিবলৈ পাওঁ ? আমি দেখোঁ যে এই সঙ্গীতবোৰৰ প্ৰৱৰ্ত্তক সকল হৈছে ভাৰতৰ মোগল আমোলৰ মানুহ, যেনে—তানসেন, মীৰাবাই, সদাৰঙ্গ ইত্যাদি। এই সকলৰ সময়ৰ পৰা প্ৰায় ৩৫০ বছৰৰ আগতেই ভাৰতত মুছলমান ৰাজ্য স্থাপন হয়। কাজেই দিল্লী অঞ্চলৰ ওপৰত অভাৰতীয় কৃষ্টিয়ে প্ৰভাব বিস্তাৰৰ যথেষ্ট সময় আৰু সুযোগ পায় আৰু তানসেন আদিৰ পৰা আমাৰ হাতলৈ অহা বৰ্ত্তমানৰ উচ্চাঙ্গ সঙ্গীতৰ ওপৰত যথেষ্ট পৰিমাণে বিদেশী সঙ্গীত-কলাৰ প্ৰভাব বিস্তাৰ যে হৈছিল আমি তাক ধৰি লব পাৰোঁ। বিশেষত আকবৰৰ সময়ৰ পৰা মোগল দৰবাৰতেই এই সঙ্গীতৰ বিশেষ চৰ্চ্চা হৈছিল। এই মিশ্ৰণৰ পৰাই যে মিয়াঁমল্লাৰ, দৰবাৰী কানাড়া আদি নতুন ৰাগ-ৰাগিণী সৃষ্টি হৈছে, সহজে অনুমান কৰিব পাৰি।

এতিয়া দেখা যাওক কামৰূপীয় উচ্চাঙ্গ সঙ্গীতৰ কি আতিগুৰি পাওঁ। ইতিহাসে কয় যে কামৰূপ প্ৰায় ১৩শ বছৰৰ আগৰ পৰা বহুদিনলৈকে এখন বিশাল সাম্ৰাজ্য আছিল। গোটেই অসম আৰু বিহাৰৰ আধামানলৈকে ই বিস্তৃত আছিল। কিন্তু ইয়াৰ ৰাজধানী আছিল প্ৰাগজ্যোতিষত বা গুৱাহাটী অঞ্চলত, অৰ্থাৎ অসমত। কাজেই আমি ধৰি লব পাৰোঁ যে মধ্য বিহাৰ অঞ্চলৰ পৰা গোটেই অসম খনৰ কলাকৃষ্টিৰ কেন্দ্ৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰত অৰ্থাৎ গুৱাহাটীতে আছিল আৰু তাৰ পৰাই গোটেই প্ৰদেশতে এইবোৰ বিকীৰিত হৈছিল। সেই হেতুকে আমাৰ প্ৰাচীন কামৰূপী সঙ্গীত মুছলমান সভ্যতাৰ গোন্ধ নোপোৱা বিধৰ হব লাগিব। এতিয়া ভৌগোলিক দৃষ্টি-ভঙ্গীৰে চালে দেখা পাওঁ যে যেতিয়া পুৰণি কামৰূপ ৰাজ্য সঙ্কুচিত হৈ কেৱল অসমতে বলহি, তেতিয়া আমাৰ এই সঙ্গীতকলা বাহিৰৰ সভ্যতাৰ দ্বাৰা আৰু নকৈ বঞ্চিত হোৱাত বিশেষ প্ৰতিবন্ধক পালে। তাৰ কাৰণ অসমৰ সেই সময়ৰ দুৰ্গমতাই প্ৰধান, কিন্তু এই কামৰূপী উচ্চাঙ্গ সঙ্গীত আমাৰ চাৰিউপিনে থকা পাহাৰীয়া ভাইসকলৰ আৰু আমাৰ ভৈয়ামৰো লোকগীতিৰ সংমিশ্ৰণত বহু ৰূপান্তৰ হবলৈ বাধ্য হল। এই গীতবিলাকে আমাৰ দুৰ্গাবৰী, গীতাম্বৰী আদি বুলি জানো।

অসমৰ আৰু এটা উচ্চাঙ্গ সঙ্গীতৰ সোঁতা আছে, যাক আমি শঙ্কৰী বৰগীত আৰু নাটৰ গীত বুলি কওঁ। শ্ৰীমন্ত শঙ্কৰে অকলেই এখন নতুন কৃষ্টি সাম্ৰাজ্য অসমত স্থাপন কৰিলে, তাৰ সকলোৱেই জানে। তেখেতে চলোৱা বৰগীত আদি সঙ্গীতো তাৰে নিদৰ্শন। এতিয়া চোৱা যাওক ইতিহাসে কি কয়। আমি দেখোঁ যে উত্তৰ ভাৰতত মুছলমানৰ হেঁচাত অস্থিৰ হৈ তেওঁলোকৰ পূৰ্ব্ব-পুৰুষ কান্যকুব্জৰপৰা, মোগল কৃষ্টিৰ প্ৰভাৱ ভাৰতত বিস্তাৰ কৰাৰ প্ৰায় দুশ বছৰৰ আগেয়ে, অসমলৈ আহে। কাজেই তেওঁলোকে যি লগত আনিছিল সি কেৱল কনৌজীয়া কৃষ্টিহে ; তেওঁলোকে যি গীত-পদ গাইছিল, সিও সেই পূৰ্ব্ব যুগৰ কনৌজীয়া হিন্দু সঙ্গীতহে। আৰু শঙ্কৰদেৱে যেতিয়া অসমত বৰগীত আৰু অঙ্কৰ গীত প্ৰচাৰ কৰিছিল সেইবিলাক তেখেতৰ পূৰ্ব্ব-পুৰুষে অনা কনৌজীয়া প্ৰাক্-মুছলমান হিন্দু সঙ্গীতৰহে ৰূপান্তৰ মাথোন। অৱশ্যে এই সঙ্গীতবোৰৰ ভিতৰতো যথেষ্ট পৰিমাণে লৌকিকতাই ঠাই পাইছে যে সেইটো নিশ্চিত।

আমি এইখিনিতেই এই উত্তৰ ভাৰতীয় উচ্চাঙ্গ সঙ্গীতৰ আৰু অসমৰ সঙ্গীতৰ বৈশিষ্ট্য কেটামান আঙুলিয়াই দিব পাৰোঁ, যেনে—

১। উত্তৰ ভাৰতীয় সঙ্গীতত যেনেকৈ প্ৰচলিত সঙ্গীত শাস্ত্ৰৰ বহিৰ্ভূত মিঞামল্লাৰ আদি নতুন ৰাগ-ৰাগিণী আছে, অসমৰ সঙ্গীততো তেনেকৈ কৌ আদি অশাস্ত্ৰীয় ৰাগ আছে। এইটোৱে আমাৰ সংস্কৃতিৰ বৈশিষ্ট্যলৈ আঙুলিয়াইছে—

২। ভাৰতীয় সঙ্গীতৰ সুৰ, ৰাগ-ৰাগিণীত বিভক্ত, কিন্তু অসমীয়াত সকলো সুৰকেই ৰাগ আখ্যা দিয়ে। এইটোৱে আমাৰ সঙ্গীতৰ প্ৰাচীনত্বৰ সম্ভাৱনা দেখুৱাইছে।

৩। নব্য ভাৰতীয় সঙ্গীতৰ তাল সম্পূৰ্ণ আধুনিক, যেনে—ধামাৰ, চৌতাল, তেওৰা আদি। কিন্তু আমাৰ চলিত তালবোৰ প্ৰায় সকলোৱেই দ্বিমাত্ৰিক, আৰু সেই বিলাক হৈছে, ৰূপক, সৰু-বিষম, বিষম, বৰবিষম, যতি ইত্যাদি। এই কথাই আমাৰ অসমীয়া সঙ্গীতৰ আদিমত্ব বুজাব খুজিছে।

এতিয়া আমি তলত লেখা কেটা কথা ধৰি লব পাৰোঁ।

১। প্ৰাচীন কামৰূপৰ অৱদান হিচাবে আমি পাওঁ দুৰ্গাবৰী, গীতাম্বৰী আদি গীত।

২। শ্ৰীমন্ত শঙ্কৰৰ পৰা আমি পাওঁ—প্ৰাক্-মুছলমান সময়ৰ কনৌজীয়া সঙ্গীত-বীজৰ আশ্ৰয় কৰি বৰ্ত্তমান বৰগীত।

এই ওপৰৰ দুয়োবিধৰ গীততেই মুছলমান প্ৰভাৱ নাই বুলি ধৰিব পাৰি।

৬। বৰ্ত্তমান চলিত উচ্চাঙ্গ সঙ্গীত, প্ৰায় ৪০০ বছৰৰ আগৰ পৰা মুছলমানি কৃষ্টিৰ দ্বাৰা প্ৰভাৱিত সঙ্গীত বুলি ধৰিব লাগিব।

অৰ্থাৎ আমি যদি ভাৰতীয় সঙ্গীতক এডাল গছ বুলি ধৰি লওঁ আৰু এই গছৰ ডালবিলাক ভাৰতৰ বিভিন্ন প্ৰদেশৰ সঙ্গীতৰ বিকাশ বুলি ধৰোঁ, তেন্তে পাম যে এই গছৰ গুৰিৰ শাখা, যাক আমি প্ৰাচীন কামৰূপী সঙ্গীত, দুৰ্গাবৰী আদি বুলি কম, তাৰ বয়স প্ৰায় ১৩০০ বছৰ আগৰ। তাৰ পিচৰ শঙ্কৰী সঙ্গীত বৰগীতৰ শাখাৰ বয়স প্ৰায় ৪৫০ বছৰ আগৰ। আৰু আটাইতকৈ ওপৰৰ শাখা, যিটো হৈছে মোগল কৃষ্টিৰে বঞ্জিত বৰ্ত্তমান উচ্চাঙ্গ সঙ্গীতৰ শাখা—তাৰ বয়স হৈছে ৪০০ বছৰ, অৰ্থাৎ সকলোকিটাতকৈ আধুনিক।

আশা কৰোঁ ওপৰৰ কথা কেটাৰ সত্যতা যদি আছে, তেন্তে আমাৰ কৰ্ত্তব্য পথ বিচাৰি পোৱা টান নহয়। আমি আমাৰ দুয়োবিধ কামৰূপী সঙ্গীত, দুৰ্গাবৰী আৰু বৰগীত আদি সকলোতকৈ আধুনিক বৰ্ত্তমানৰ উচ্চাঙ্গ সঙ্গীতৰ ৰাগলৈ ভাঙ্গি নিয়া বৰ ভুল কাম কৰা হব বুলি ভাবোঁ। তাকে নকৰি, আমি যথাসম্ভৱ শীঘ্ৰে অৰ্থাৎ নব্য প্ৰভাৱেৰে এই গীতবিলাক বঞ্জিত নহওঁতেই উদ্ধাৰ কৰিব লাগে। সেইবিলাকৰ স্বৰলিপি কৰি

লব লাগে। ইয়াৰ পাচৰ কাম হব প্ৰত্নতাত্বিকৰ। এওঁলোকে এই বিলাক কি পথেৰে ৰূপ সলাই বৰ্ত্তমানৰ মানুহৰ মুখলৈ আহিল,—কি কি ৰকমে লোকগীতিৰ লগত এই সঙ্গীত বিলাক প্ৰভাৱিত হল, কি কি সুৰ কিমান বিকৃত হল—কি কি সুৰ বদলিল ইত্যাদি আলোচনা কৰি সিদ্ধান্ত অনাই তেওঁলোকৰ কৰ্ত্তব্য হব।

**নেওগ** ঃ—দাস ডাঙৰীয়াই হিন্দুস্থানী সঙ্গীত আৰু অসমৰ বৈষ্ণৱ-অনাবৈষ্ণৱ সঙ্গীতৰ উৎপত্তি আৰু বিকাশৰ কাহিনী ঐতিহাসিক দৃষ্টি-কোণৰ পৰা চাবলৈ প্ৰয়াস কৰিছে। নিজা থলুৱা বৈশিষ্ট্যেৰে বৰগীত হিন্দুস্থানী সঙ্গীতৰপৰা বেলেগ, গতিকে কৰ্ণাটকী সঙ্গীতৰ দৰে স্বতঃসম্পূৰ্ণ ৰূপত প্ৰতিষ্ঠিত হোৱা বুলি তেখেতে কবলৈ বিচাৰে। বৰগীতৰ ৰাগ-মানৰ বৰ্ত্তমান ৰূপলৈ চালে তেনে অনুমানৰ সমীচীনতা আছে যেন লাগে। সত্ৰীয়া সঙ্গীতৰ তালৰ নাম, তালৰ বোল আৰু ৰাগসমূহ গোৱাৰ সময় নিৰূপণৰ ঐতিহ্যও উত্তৰ ভাৰতৰ-পৰা বহুত পৃথক, এই কথাও পাহৰিব নালাগিব। আমি পোনে পোনে সাম্প্ৰতিক উত্তৰ ভাৰতীয় সঙ্গীতৰ ৰাগ স্বৰত বৰগীতৰ ৰাগৰ নাম অনুসৰি তাক নিৰূপণ কৰি গলে তাক বৰগীত বুলি কোনোবাই চিনি পাবনে? তেনে হলে তেনে যত্নৰ সাৰ্থকতাই বা হব কি? তেনে কৰিলে অৱশ্যে আমাৰ কাম তেনেই উজু হব। কোনো গৱেষণাৰে আৰু তেতিয়া প্ৰয়োজন নোহোৱা হব, আৰু সেয়ে আটাইতকৈ কম বিৰোধৰ পথ হব।

কিন্তু তাৰপৰা যে বৰগীতৰ বা বৰগীতৰ পিতা শঙ্কৰদেৱৰ সন্মান আৰু গৌৰৱ ৰক্ষা হব বুলি ভাবিবৰ আমি কাৰণ দেখা পোৱা নাই। বৰগীতৰ নিজৰ সন্মান-গৌৰৱ যিয়েই থাকক বা নাথাকক, তাৰ স্বৰূপ কি, তাক গভীৰ আৰু বিস্তৃত গৱেষণাৰে বুজিবলৈ প্ৰযত্ন কৰিব লাগিব। এই গৱেষণাৰ অন্তত্তহে হিন্দুস্থানী, কৰ্ণাটকী বা আন সঙ্গীতৰ লগত বৰগীতৰ কি সম্পৰ্ক, ভালকৈ কব পৰা যাব। তাৰ আগতে সেইবোৰ সম্প্ৰদায়ৰ লগত মিলাই সঙ্গীতৰ বৰ্ণসঙ্কৰ সৃষ্টি কৰিবলৈ লৰা-ধপৰা কৰাৰ কোনো প্ৰয়োজন আমি দেখা পোৱা নাই। এই বিষয়ে আজিয়ে আমি কোনো সিদ্ধান্তত উপনীত হব নোৱাৰো। মুঠতে, আমি এটা মুকলি মন লৈ প্ৰশ্নটোৰ কাষৰি চাপিব লাগিব—বৰগীতৰ স্বৰূপ বা বুৰঞ্জীৰ সম্পৰ্কে কোনো ধৰা-বন্ধা ধাৰণা লৈ কেতিয়াও নহয়। বিজ্ঞান-সন্মত বিচাৰত আমাৰ আদৰৰ মতবোৰ দলিয়াই পেলাব লগীয়া হলেও, দলিয়াই পেলা-বলৈ সাজু হৈ থাকিব লাগিব। তেনে বিচাৰৰ অন্তত বৰগীত আৰু অঙ্কীয়া গীত নিৰ্দিষ্ট আৰু স্বতন্ত্ৰ সম্প্ৰদায় ৰূপে নিৰ্দ্ধাৰিত হবগৈও পাৰে। তেতিয়া হলে সি নিশ্চয় অসমৰে গৌৰৱৰ কথা হব। কিন্তু সেই কথা প্ৰতিষ্ঠা কৰিবলৈ হলেও লাগিব কেইজনমান সঙ্গীত-শাস্ত্ৰ-বিশাৰদ, উদ্যমী, ধৈৰ্য্য-শীল, অনুসন্ধিৎসু কৰ্ম্মী। এওঁলোকৰ গৱেষণাৰ বলিষ্ঠ সমল এতিয়াও সত্ৰসমূহত আছে।

---

# পুথি-পৰিচয়

**(১) সাহিত্যৰ ৰূপৰেখা ঃ—**

লিখক—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা,
এম-এ, এ-চি-এচ্
প্ৰকাশক—শ্ৰীকৃষ্ণনাথ দাস, উজানবজাৰ
গুৱাহাটী, ১৯৫৭ চন
পৃষ্ঠা—১৭৮।
মূল্য—কেঁচাবন্ধা—২॥০, পকাবন্ধা—২৸০

সাহিত্য, কবিতা, নাটক, উপন্যাস, চুটিগল্প আদিৰ সংজ্ঞা আৰু লক্ষণৰ সহজ-সৰল বিৱৰণ থকা এখন পুথিৰ অভাৱ শ্ৰীযুত বৰুৱাৰ "সাহিত্যৰ ৰূপৰেখা"ই পূৰণ কৰিছে। ৰস-সাহিত্যৰ তাত্বিক আলোচনা কেবাগৰাকী প্ৰতিষ্ঠাবান লিখকে ইতিপূৰ্ব্বে কৰিছে। ডাঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ "কাব্য আৰু অভিব্যঞ্জনা", অধ্যক্ষ ত্ৰৈলোক্য গোস্বামীৰ "সাহিত্য-সমালোচনা", শ্ৰীউমাকান্ত শৰ্ম্মাৰ "কাব্যভূমি" আদি গ্ৰন্থত ৰসতত্বৰ বিশ্লেষণ আৰু সাহিত্যৰ তত্বপূৰ্ণ আলোচনা আছে, কিন্তু এই কেইখন গ্ৰন্থত সাহিত্য, কাব্য, নাটকাদিৰ সহজ-বোধ্য বিৱৰণ নাই। ইংৰাজ লেখক Hudsonৰ "An Introduction to the Study of Literature" নামৰ গ্ৰন্থৰ আদৰ্শতেই এই পুথিখন ৰচিত হৈছে। ইয়াক সাহিত্যৰ তাত্বিক বা দাৰ্শনিক আলোচনা থকা ৰস-শাস্ত্ৰ বা সমালোচনা শাস্ত্ৰ বুলিব নোৱাৰি, কিন্তু সাধাৰণ পাঠক আৰু বিশ্ব-বিদ্যালয়ৰ ছাত্ৰক সাহিত্যৰ লক্ষণ বা বিশেষত্ব সমূহৰ লগত পৰিচয় কৰি দিয়াই প্ৰধানকৈ এই গ্ৰন্থৰ উদ্দেশ্য। লিখকে পাতনিতে উল্লেখ কৰিছে যে "সাহিত্যৰ বিষয়ে যিবোৰ কথা আলোচনা ক্ষেত্ৰত গৃহীত হৈছে অথবা চলি আছে সেইবোৰ-কেই ইয়াত ন সাজপাৰ পিন্ধাই উলিওৱা হৈছে। নতুনত্বৰ দাবী লিখকৰ সমূলি নাই।" সেয়ে হলেও বিভিন্ন লিখকৰ বিভিন্ন লেখনীৰ পৰা আৱশ্যকীয় খিনি সংগ্ৰহ কৰি আনি সহজভাৱে পাঠকৰ আগত দাঙি ধৰিব পৰাত লিখকৰ কৃতিত্ব নিশ্চয় আছে।

পুথিখনত ৬টা বিষয় আলোচনা কৰা হৈছে—(১) সাহিত্য, (২) কবিতা, (৩) নাটক, (৪) উপন্যাস, (৫) চুটি গল্প, আৰু (৬) ষ্টাইল। বিভিন্ন সময়ত লেখা যদিও প্ৰবন্ধ কেইটাৰ মানৰ ( Standard ) তাৰতম্য দেখা নাযায়। আধুনিক সাহিত্য পাশ্চাত্য সাহিত্যৰ আদৰ্শত গঢ়ি উঠিছে, গতিকে লিখকৰ সাহিত্য সম্বন্ধীয় আলোচনা আৰু বিৱৰণ সমূহ সেই সাহিত্যক কেন্দ্ৰ কৰিয়ে ৰচিত হৈছে; স্থান বিশেষে সংস্কৃত আৰু অসমীয়া সাহিত্যৰ উল্লেখ আৰু উদাহৰণ নিদিয়াকৈ থকা নাই। বিষয়বস্তু সৰস আৰু সহজভাৱে প্ৰকাশ কৰিব পৰা ক্ষমতা লিখকৰ আছে, মাত্ৰ দুই এঠাইত বক্তব্য বিষয়ৰ অস্পষ্টতা লক্ষ্য কৰা যায়, যেনে "কলাৰ লক্ষ্যই হৈছে এৰা-ধৰাৰ মাজেদি বাস্তৱক উজ্জ্বলতৰ বাস্তৱত পৰিণত কৰা" ( পৃ. ৬১ ), "জন্মজ নৃত্যগীতে শিশুৰ নিজৰ অন্তৰৰ আৱেগ অনুভূতি প্ৰকাশ কৰে আৰু ভাওনাৰ নৃত্যগীতে অভিনেতাত আৰোপিত অনুভূতি ফুটাই তোলে" ( পৃঃ ৫৯ )।

মুঠতে কবলৈ গলে শ্ৰীযুত বৰুৱাৰ এই পুথি-

খনে আমাৰ, বিশেষকৈ সাহিত্যৰ ছাত্ৰৰ, এটা ডাঙৰ অভাৱ পুৰণ কৰিছে। পুথিখন কলেজীয়া ছাত্ৰৰ পক্ষে বিশেষ সহায়ক হব।

—সম্পাদক

(২) সানমিহলি :—

লেখক—হেম বৰুৱা,

প্ৰকাশক—বাণীপ্ৰকাশ মন্দিৰ, পাঠশালা, কামৰূপ

প্ৰথম প্ৰকাশ—১৯৫৭

মূল্য—৩্

সাহিত্য আৰু ৰাজনীতিৰ ক্ষেত্ৰত সুপৰিচিত অধ্যক্ষ হেম বৰুৱাৰ অসমীয়া সাহিত্যৰ ভড়াললৈ "সানমিহলি" নতুন অৱদান। লিখকৰ ভাষাত কবলৈ গলে "সানমিহলি কিছুমান প্ৰৱন্ধৰ সমষ্টি, বিষয়বস্তুৰ লাগবান্ধ নাই। ৰাজনীতিত সংস্কৃতিয়ে, যৌন বুৰঞ্জীৰ গাত জীৱনীয়ে, ভ্ৰমণ কাহিনীৰ গাত নাটঘৰে, বিহু উৎসৱৰ গাত সামাজিক প্ৰগতিয়ে, গা ঘেঁহাই খেলিমেলিৰ সৃষ্টি কৰিছে।" সৰ্ব্বমোট ১৫টা প্ৰৱন্ধ পুথিখনত সংকলিত হৈছে। প্ৰৱন্ধসমূহ হ'ল—(১) ভাৰতীয় সংস্কৃতি, (২) সংস্কৃতিৰ সংঘাত, (৩) সামাজিক প্ৰগতি, (৪) বিহুৱা চৰায়ে কৰে বিহু বিহু, (৫) মাঘ বিহু, (৬) মুকলি ৰঙ্গমঞ্চ, (৭) ব্ৰহ্মদেশৰ নাট ঘৰ, (৮) সোণবৰণীয়া দেশ, (৯) ইজিপ্টৰ চিনাকি, (১০) জৰ্জ বাৰ্ণাৰ্ড শ্ব, (১১) এলবাৰ্ট আইনষ্টাইন, (১২) গোপীনাথ বৰদলৈ, (১৩) গান্ধী, আনবিক শক্তি আৰু আইনষ্টাইন, (১৪) মানৱ সমাজ আৰু যৌন জীৱন, (১৫) জাতীয় পতাকা।

ওপৰত উল্লেখ কৰা বিষয় সমূহেই পুথিখনৰ বাৰে-মিহলি কথাবস্তুৰ পৰিচয় দিয়ে। পুথিখনে কোনো মৌলিক চিন্তাধাৰাৰ পৰিচয় নিদিলেও লেখকৰ অধ্যয়ন-বহুলতা, বুদ্ধিৰ পৰিপাক-ক্ষমতা আৰু স্বচ্ছন্দ প্ৰকাশিকা-শক্তিৰ পৰিচয় দিয়ে। বৰুৱাৰ সমাজ-সচেতন মনে জাতি বিশেষৰ আৰু সমাজৰ ক্ৰম-পৰিণতিৰ ধাৰা অনুসৰণ কৰি সেই সেই সংস্কৃতিৰ স্বৰূপ দাঙি ধৰিবলৈ চেষ্টা কৰিছে। প্ৰৱন্ধসমূহৰ যোগেদি লেখক বৰুৱাৰ সমাজবাদী বা সমন্বয়বাদী মনৰো পৰিচয় পোৱা যায়। ভাৰতীয় আৰু অসমীয়া সংস্কৃতিৰ লগতে ব্ৰহ্মদেশ, ইজিপ্ট আদি দেশৰ প্ৰাচীন সভ্যতা আৰু সংস্কৃতিৰ চ'ৰাতো ভুমুকি মাৰি চাবলৈ লেখক বৰুৱাই পাঠকক সুবিধা দিছে।

'মানৱ সমাজ আৰু যৌন জীৱন' শীৰ্ষক প্ৰৱন্ধটোত ভালেখিনি তথ্য পোৱা যায়। কিন্তু দুই এটা মন্তব্য সম্পৰ্কে আমাৰ সন্দেহ নজগাকৈ নাথাকে। লেখক বৰুৱাই আদিম বন্য যুগত নাৰীৰ স্বাধীনতা আৰু মুক্ত যৌন জীৱনক প্ৰকাৰান্তৰে প্ৰশংসা কৰিছে। বন্য-সমাজত মুক্ত যৌন জীৱনৰ সুবিধা আছিল বুলিয়েই যে তেনে সমাজ প্ৰশংসাৰ্হ সেই কথা মানিবলৈ টান। "সেই যুগত সামাজিক বান্ধোনেৰে নাৰীৰ মৰ্য্যাদা ক্ষুণ্ণ কৰা হোৱা নাছিল"—এই কথা মানিবলৈ যাওঁতে স্বাভাৱিকতে প্ৰশ্ন হয় সেই যুগত ( বন্য যুগত ) নাৰীৰ বা পুৰুষৰ মৰ্য্যাদাবোধ আছিল জানো? "সেই যুগত কোনো কেতিয়াও ব্যক্তিগত অক্ষমতাৰ বাবে বা আন কিবা কাৰণত অনাহাৰে থাকিব লগা হোৱা নাছিল ;" কিন্তু বন্য সমাজত আমি অক্ষমবোৰক মৰি যোৱাহে দেখা পাওঁ। মোট কথা বন্য যুগৰ সকলো তথ্যই অনুমানৰ ওপৰতহে প্ৰতিষ্ঠিত ; সকলোবোৰ তথ্যক ধ্ৰুব সত্যৰূপে মানি লবলৈ টান।

লেখকে মহাভাৰতৰ পৰা কেইটামান উদাহৰণ বুটলি আনি সেই যুগত নাৰীক কেনেকৈ পুৰুষে



পদ দলিত কৰি কেৱল কামনা চৰিতাৰ্থৰ থল স্বৰূপে ব্যৱহাৰ কৰিছিল তাক দেখুৱাইছে। কিন্তু নিজ প্ৰতিপাদ্য বিষয় স্থাপন কৰিবৰ কাৰণে বাচি অনা কেইটামান উদাহৰণে সেই যুগৰ নাৰীৰ স্থান আৰু যৌন জীৱনৰ স্বৰূপ নিৰ্ণয় কৰিব নোৱাৰে। মহাভাৰতত পুৰুষৰ পদদলিতা নাৰীৰ উদাহৰণ যেনেকৈ আছে তেনেকৈ মুক্ত জীৱন উপভোগ কৰা বিদুষী মহিলাৰ উদাহৰণো আছে, বৰঞ্চ মধ্যযুগত নাৰীৰ অৱস্থা যেনে হৈছিল তাতকৈ মহাভাৰতৰ যুগত নাৰীৰ স্থান বহুতো ওপৰত আছিল। Bible আদি শাস্ত্ৰত নাৰীক যি চকুৰে চাইছে তাৰ তুলনাত প্ৰাচীন ভাৰতত নাৰীৰ স্থান বহুতো উৰ্দ্ধত। বাইবেল শাস্ত্ৰৰ "গডে" প্ৰথমা নাৰীক এই দৰে শাও দিছে—"Unto the woman He said, I will greatly multiply thy sorrow and thy conception ; in sorrow thou shalt bring forth children, and thy desire shall be to thy husband and he shall rule over thee." আকৌ বাইবেলৰ আন এঠাইত এইদৰে আছে—"for the man is not of the woman, but the woman of the man. Neither was the man created for the woman, but the woman for the man." প্ৰাচীন ভাৰতত নাৰী সম্বন্ধে এনে হেয় দৃষ্টি পাবলৈ নাই। প্ৰাচীন গ্ৰীক আৰু ৰোমান নাৰীৰ লগত প্ৰাচীন ভাৰতৰ নাৰীৰ স্থান সম্পৰ্কে কোন তুলনাই হব নোৱাৰে। অৱশ্যে লেখক বৰুৱাৰ উদ্দেশ্য প্ৰাচীন ভাৰতত নাৰীৰ স্থান নিৰ্ণয় কৰা নহয়, পিতৃ-প্ৰধান বিভিন্ন যুগৰ সমাজ ব্যৱস্থাত নাৰীক কেনেদৰে ব্যৱহাৰ কৰি অহা হৈছে তাৰহে এটা চমু বুৰঞ্জী দাঙি ধৰা। শ্ৰীযুত বৰুৱাৰ সিদ্ধান্ত সম্পৰ্কে সন্দেহৰ থল নাই, কেৱল মহাভাৰতৰ পৰা গ্ৰহণ কৰা উপাদান সম্পৰ্কেহে আমাৰ মতামত জনালো।

বৃহদাৰণ্যক উপনিষদৰ 'যাজ্ঞৱল্ক্য-মৈত্ৰেয়ী সংবাদ'ৰ পৰা প্ৰসিদ্ধ বাক্য "নবা অৰে ভাৰ্য্যায়াঃ কামায় ভাৰ্য্যা প্ৰিয়া ভৱতি ; আত্মানস্ত কামায় ভাৰ্য্যা প্ৰিয়া ভৱতি"—ইয়াৰ অৰ্থ কৰা হৈছে যে "নাৰী নিজৰ ৰুচিৰ কাৰণে নহয়, পুৰুষৰ ৰুচিৰ কাৰণেহে প্ৰিয় হয়"। কোনো ব্যাখ্যাকাৰে উক্ত পংক্তি দুটাৰ এনে অদ্ভুত ব্যাখ্যা কৰা নাই, আত্মা শব্দৰ অৰ্থ নিজ ৰুচি বা আত্মস্বাৰ্থ কোনেও ক'তো কৰা নাই। দৰাচলতে তাৰ অৰ্থ হ'ল নাৰী বা পুত্ৰ এক আত্মাৰেই প্ৰকাশ বুলিয়েই প্ৰিয়, ভাৰ্য্যা বুলি বা পুত্ৰ বুলি নহয়। উপনিষদৰ এনে টানি নিয়া অৰ্থ গ্ৰহণীয় হব নোৱাৰে। গণিকাবৃত্তিও বৰুৱাই কবৰ দৰে শিল্প যুগৰ পৰিণতি নহয়। প্ৰাচীন সংস্কৃত আৰু পালি সাহিত্যত গণিকালয়ৰ ভুৰি ভুৰি উল্লেখ পোৱা যায়। বাৎসায়নৰ কাম-সূত্ৰ, দামোদৰ গুপ্তৰ কুট্টিনীমতম গ্ৰন্থত বেশ্যাবৃত্তি আৰু বৈশিকীকলাৰ যথেষ্ট বিৱৰণ আছে। অৱশ্যে আগৰ গণিকাজীৱনৰ লগত জড়িত আছিল নৃত্য-গীত আদিৰ কৰ্ষণ, আজি-কালি হয়তো গণিকা কেৱল দেহোপজীৱিনী হৈ পৰিছে আৰু দাৰিদ্ৰ্যৰ তাড়নাত সংখ্যাও হয়তো আগতকৈ বাঢ়িব পাৰে।

বৰ্ত্তমান সমাজত প্ৰচলিত যৌন ব্যভিচাৰ দূৰ কৰি যৌন জীৱন ভাৰ-সাম্য কৰিবলৈ শ্ৰীযুত বৰুৱাই সমাজবাদী সমাজৰ ব্যৱস্থা দিছে। অৱশ্যে বৰ্ত্তমান শ্ৰেণীসমাজত দাৰিদ্ৰ্য আৰু বৈষম্যই যৌন জীৱনতো প্ৰতিক্ৰিয়া আনিছে, এইবোৰ দূৰ হলে সমাজৰ যৌন জীৱনো সুস্থিৰ অৱস্থালৈ ভালেখিনি আহিব বুলি আশা কৰা যায়। কিন্তু বৰুৱাৰ ভাষাতে কবলৈ গলে "স্বভাৱতে চৰণীয়া

আৰু উদভীয়া পুৰুষৰ" মন জানো সমাজ ব্যৱস্থাই সম্পূৰ্ণ পৰিৱৰ্তন ঘটাব পাৰিব ?

ওপৰত আমাৰ সন্দেহ কেইটামান মাত্ৰ উল্লেখ কৰিলোঁ। পুথিখনে অসমীয়া সাহিত্যৰ বেদীত সৌৰভ বিলাব পাৰিব বুলি আমি আশা কৰোঁ আৰু ইয়াৰ বহুল প্ৰচাৰ কামনা কৰোঁ। শ্ৰীযুত বৰুৱাৰ পৰা এনেধৰণৰ আৰু দুই চাৰিখন পুথি আমি আশা কৰোঁ।

—সম্পাদক

**Contemporary Indian Literature**

*Published by* Sahitya Akademi

New Delhi,

*First Publication—January 1957*

Price Rs. 2-8

PP. 5 ( forward ) + 281 + 18 ( Index )

সাহিত্য একাডেমিৰ সৌজন্যত সংকলিত আৰু প্ৰকাশিত "সমসাময়িক ভাৰতীয় সাহিত্য" শীৰ্ষক তিনিশ পৃষ্ঠাৰ এই ইংৰাজী পুথিখনে ১৫টা প্ৰধান ভাৰতীয় ভাষা আৰু সাহিত্যৰ পৰিচয় দিবলৈ চেষ্টা কৰিছে। ইয়াত অসমীয়া, বঙালী, ইংৰাজী, গুজৰাটী, হিন্দী, কানাড়ী, মালয়ালম, মাৰাঠী, উৰীয়া, পঞ্জাবী, সংস্কৃত, তামিল, তেলেগু আৰু উৰ্দ্দু সাহিত্যৰ আধুনিক যুগৰ ইতিহাস, ভাৱধাৰা আৰু গতিপথ চমুকৈ নিৰ্দ্দেশ কৰা হৈছে। বিভিন্ন ভাষাৰ সাহিত্যপ্ৰেমীসকলে ভাৰতী-সাহিত্যৰ বেলেগ ৰূপ আৰু তাৰ বিকাশৰ লগত পৰিচিত হবলৈ এই পুথিৰ পৰা বিশেষ সহায় পাব। বাহ্যিক ৰূপত বেলেগ হলেও সকলো ভাৰতীয় সাহিত্যই একে সাংস্কৃতিক ঐতিহ্য আৰু পৰিবেশৰ মাজতে উৎপত্তি আৰু বিকাশ লাভ কৰিছে। অসমীয়া, বঙালী, হিন্দী নামৰ পোছাক পৰিধান কৰিলেও প্ৰত্যেক সাহিত্যৰ অভ্যন্তৰত ভাৰতীয় আত্মাই বিৰাজ কৰিছে। স্বাধীনতা লাভৰ পূৰ্ব্বে বিদেশী শাসকৰ অৱহেলা বা উদাসীনতাৰ কাৰণে ভাৰতৰ এক প্ৰান্তৰ মানুহে অন্য প্ৰান্তৰ সাহিত্য আৰু সংস্কৃতিৰ লগত পৰিচত হবলৈ কোনো সুবিধা পোৱা নাছিল। ভাৰতৰ বিভিন্ন ৰাজ্য বা প্ৰান্তৰ মাজত যিমানেই সাংস্কৃতিক যোগাযোগ স্থাপন হয় আৰু ভাৱৰ আদান-প্ৰদান ঘটে, সিমানেই পাৰস্পৰিক সম্প্ৰীতি বঢ়াৰ সুবিধা হয়। কেন্দ্ৰীয় চৰকাৰৰ সহায়ত সাহিত্য একাডেমিয়ে ওপৰোক্ত আদৰ্শকেই আগত ৰাখি এনে ধৰণৰ পুথি সংকলন আৰু প্ৰকাশৰ দিহা কৰিছে। আমাৰ উপ-ৰাষ্ট্ৰপতি ডাঃ ৰাধাকৃষ্ণণে মুখবন্ধত পুথিখনৰ আদৰ্শ আৰু বিশেষত্ব চমুকৈ প্ৰকাশ কৰি লেখিছে —"There is a unity of outlook as the writers in different languages derive their inspiration from a common source and face more or less same kind of experience, emotional and intellectual. Our country has never been insensitive to ideas which come from abroad but gives to all of them its own peculiar turn and imprint......Literature must voice the past, reflect the present and mould the future. Inspired language ( তেজোময়ী বাক্ ) will help the readers to develop a humane and literal outlook on life, to understand themselves and plan sensiby for their future"—অৰ্থাৎ পুথিখনৰ বিভিন্ন লেখকৰ মাজত দৃষ্টিভঙ্গিৰ ঐক্য দেখা যায়, কাৰণ একে-



ধৰণৰ উৎসৰ পৰাই তেওঁলোকে অনুপ্ৰেৰণা লাভ কৰিছে আৰু কম বেছি অনুসাৰে একে ধৰণৰ মানসিক বা আনুভূতিক অভিজ্ঞতাৰ সন্মুখীন হব লগা হৈছে। বাহিৰৰ পৰা অহা কোনো ভাৱধাৰাৰ প্ৰতি আমাৰ দেশে কোনো কালেও ঔদাসীন্য প্ৰদৰ্শন কৰা নাই, বৰং সকলোকে স্বকীয় ৰূপেৰে বোলাই গ্ৰহণ কৰিছে......সাহিত্যই মৌন অতীতৰ মুখত ভাষা দিব লাগিব, বৰ্ত্তমানক প্ৰতিফলিত কৰিব লাগিব আৰু ভৱিষ্যতক গঢ় দিব পাৰিব লাগিব। তেজোময়ী বাকে পাঠকক জীৱন সম্বন্ধে মানবীয় দৃষ্টিভঙ্গী লাভ কৰাত, জগতক উপলব্ধি কৰাত আৰু আত্মোপলব্ধিত সহায় কৰে আৰু ভবিষ্যত জীৱনৰ আঁচনি গঠন কৰাত সমল যোগায়।

প্ৰৱন্ধসমূহত ভাৰতীয় সাহিত্যবোৰৰ সমসাময়িক ইতিহাসৰ ওপৰত প্ৰধানকৈ গুৰুত্ব দিয়া হৈছে। কিন্তু প্ৰত্যেক সাহিত্যৰ উৎপত্তি আৰু বিকাশৰ চমু আভাস সমসাময়িক সাহিত্যৰ পট-ভূমি স্বৰূপে লিখকসকলে দাঙি ধৰিছে। বিভিন্ন সাহিত্যৰ ইতিহাসৰ গতিপথলৈ চকু ফুৰালে দেখা যায় যে প্ৰায় একে ধৰণৰ সামাজিকপ্ৰভাৱ, পৰি-পাৰ্শ্ব আৰু অভিজ্ঞতাৰ মাজেদি সাহিত্যসমূহে বৰ্ত্তমান অৱস্থা পাইছেহি। প্ৰাচীন সংস্কৃত পুৰাণ সমূহৰ ধৰ্ম্ম আৰু সাহিত্যক ভেটি কৰিয়েই বিভিন্ন প্ৰান্তত কথিত ভাষাৰ মাধ্যমেদি ধৰ্ম্ম আৰু সাহিত্যত মধ্যযুগত নৱজাগৰণে গা কৰি উঠি-ছিল। আধুনিক ভাৰতীয় সাহিত্যবোৰৰ উৎপত্তি আৰু ভালেখিনি বিকাশ এই নব জাগৰণৰ ফলতেই ঘটিছিল। প্ৰত্যেক সাহিত্যৰ উৎপত্তিৰ ইতিবৃত্তই এই কথাৰ প্ৰমাণ দিয়ে। আধুনিক সাহিত্যৰ উৎপত্তি আৰু বিকাশৰ মূলতে হল বৃটিচ শাসন প্ৰৱৰ্ত্তনৰ লগে লগে পাশ্চাত্য সাহিত্য আৰু ভাৱধাৰাৰ প্ৰভাৱ। এই প্ৰভাৱ কেনেকৈ, কোন সূত্ৰইদি বা কি কি অনুষ্ঠানৰ যোগেদি ভাষা-সাহিত্যত প্ৰৱেশ লাভ কৰে সেই সম্বন্ধেও বিভিন্ন সাহিত্যৰ এই চমু পৰিচয় কেইটাত পোৱা যায়।

প্ৰৱন্ধ কেইটা কোনো নিৰ্দ্দিষ্ট প্ৰণালীত লেখা হোৱা নাই, প্ৰত্যেক লেখকে নিজস্ব ৰীতি গ্ৰহণ কৰিছে। ফলত বিভিন্ন প্ৰৱন্ধৰ বিষয়বস্তু উপ-স্থাপনৰ পদ্ধতি আৰু মান ( Standard ) বেলেগ হৈছে। কোনো কোনো প্ৰৱন্ধত সাহিত্যিক আৰু পুথিৰ নামৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে আৰু অন্য কেইটামানত সমসাময়িক সাহিত্যৰ ভাৱধাৰা আৰু গতিপথ আৰু তাৰ অন্তৰালত থকা প্ৰভাৱসমূহৰ আলোচনা হৈছে। আলোচনাৰ ফালৰ পৰা হীৰানন্দ বাৎস্যায়নৰ 'হিন্দীসাহিত্য' শীৰ্ষক প্ৰৱন্ধটো বিশেষ উচ্চপৰ্য্যায়ৰ হৈছে, বাকীবোৰ সম্বন্ধে কবলগীয়া বিশেষ নাই। ডাঃ ৰাঘৱনৰ সংস্কৃত সাহিত্য সম্বন্ধে প্ৰৱন্ধটোত আধুনিক যুগতো সংস্কৃত সাহিত্যৰ অনুশীলন অব্যাহতভাৱে কেনেকৈ চলি আছে, আৰু নাটক, উপন্যাস, চুটি গল্পকে আদি কৰি পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত গঢ় লোৱা সাহিত্যৰ বিভিন্ন অঙ্গৰ চৰ্চ্চা কেনেভাৱে হৈছে তাৰ এটা বহল বিৱৰণ পোৱা যায়। এই প্ৰৱন্ধত মন্তব্য বা আলোচনা বেচি নাই কিন্তু সংবাদ ( information ) বহুতো পোৱা যায়। শ্ৰীনিবাস আয়েঙ্গাৰৰ 'ভাৰতীয় লেখকৰ ইংৰাজী চৰ্চ্চা' প্ৰৱন্ধটো ৰাঘৱনৰ প্ৰৱন্ধৰ দৰেই মন্তব্য-বহুল নহয় কিন্তু সংবাদ-বহুলহে। অসমীয়া সাহিত্য সম্পৰ্কে ডাঃ বিৰিঞ্চি-কুমাৰ বৰুৱাই চমুকৈ বৰ্ত্তমান অসমীয়া সাহিত্যৰ সকলোখিনি কথা সামৰিবলৈ যত্নপৰ হৈছে। মুঠতে পুথিখন সাহিত্যামোদীসকলৰ কামত আহিব বুলি আশা কৰা যায়।

—সম্পাদক

**দাৰ্শনিক মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু তেওঁৰ অদ্বৈতবাদ ঃ**

লেখক—শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী,
প্ৰথম প্ৰকাশ—১৮৭৯, বহাগ

শ্ৰীযুত বৰপূজাৰীয়ে এই সৰু পুস্তিকাখনত মহাপুৰুষ শঙ্কৰদেৱৰ দাৰ্শনিক মতবাদৰ এটি চমু আভাস নিজস্ব দৃষ্টিভঙ্গীৰে দাঙি ধৰিছে। পুথিখনৰ নামকৰণ অনুসৰি যেনে বিচাৰ বা আলোচনা হব লাগিছিল তেনে হোৱা নাই, বৰং 'মহাপুৰুষ শঙ্কৰদেৱৰ দাৰ্শনিক মতবাদ' এনে নাম হোৱা হলে পুথিখনৰ নাম আৰু বিষয়ৰ সামঞ্জস্য থাকিলহেঁতেন। জাগতিক সকলো বস্তুৰেই ঈশ্বৰৰ অভিব্যক্তি বা ঈশ্বৰ সৰ্বত্ৰ বিৰাজমান এই ভাৱ বা দৃষ্টিভঙ্গী থাকিলেই অদ্বৈতবাদ বুলিব নোৱাৰি। সৰ্ব্বেশ্বৰবাদ ( Pantheism ) আৰু অদ্বৈতবাদ ( Monism ) সকলো ক্ষেত্ৰতে একে নহয়। ব্ৰহ্ম, ঈশ্বৰ, জীৱ আৰু জগতৰ পাৰস্পৰিক সম্বন্ধ বিচাৰৰ দ্বাৰাহে কোনো মতবাদ অদ্বৈত নে দ্বৈত বিচাৰ কৰা যায়। শঙ্কৰাচাৰ্য্যৰ দ্বাৰা প্ৰৱৰ্ত্তিত বিশেষ দাৰ্শনিক মতবাদকহে অদ্বৈতবাদ কোৱা হয়, আৰু সেই মতবাদৰ বিচাৰৰ অনকূল হলেহে কোনো চিন্তাধাৰাক অদ্বৈতপন্থী বুলি কোৱা হয়। মায়াবাদ বা জীৱ আৰু জগতৰ স্বৰূপ আলোচনা নকৰাকৈ কেৱল "কুক্কুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম" এই উক্তি বা এনেধৰণৰ উক্তিৰ ওপৰত ভেটি কৰিয়েই অদ্বৈতবাদ বুলি কোৱা যুক্তিসঙ্গত নহয়।

অদ্বৈতবাদৰ সাম্প্ৰদায়িক বিচাৰধাৰাৰ লগত খাপ খুৱাই আলোচনা কৰা হোৱা নাই যদিও পুস্তিকাখনত মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শ আৰু চিন্তাধাৰাৰ এটি মুকলি পৰ্য্যালোচনা আছে। মহাপুৰুষৰ বাণীসমূহ সাম্প্ৰদায়িক বা একদেশদৰ্শী দৃষ্টিত নাচাই মুক্তভাৱে আলোচনা কৰিবলৈ লিখক আগবাঢ়িছে আৰু ইয়াতেই লিখকৰ সৎসাহসৰ পৰিচয় আছে। পুথিখনৰ বহুল প্ৰচাৰ আমি কামনা কৰো।

—সম্পাদক

---

# সাহিত্য সভাৰ বাহিৰে ভিতৰে

শ্ৰীপৰাগ চলিহা

**অসম সাহিত্য সভা**
**ন-বছৰৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰথম বৈঠক**
**২৮।১২।৫৬ কাৰ্য্য-বিৱৰণী**
( কাৰ্য্যকাল—১৯৫৬-৫৭ চন )

———:-:———

উপস্থিত—শ্ৰীযুত ( সকল ) বেণুধৰ শৰ্ম্মা (সভাপতি) ; অতুলচন্দ্ৰ হাজৰিকা ( উপ-সভাপতি ) ; প্ৰফুল্ল চন্দ্ৰ বৰুৱা ( ধন ভঁৰালী ) ; চাহাবুদ্দিন আহ্মদ ; নিমাইচন্দ্ৰ নত্তবৰুৱা ; সদা মৰল ; ফণী তালুকদাৰ ; প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য ; ভৱানন্দ ৰাজখোৱা ; বিশ্বনাৰায়ণ শাস্ত্ৰী ; প্ৰেমধৰ ৰাজখোৱা ; মিত্ৰদেৱ মহন্ত ; ব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰী ; যতীন্দ্ৰ নাথ গোস্বামী ; জগতচন্দ্ৰ শৰ্ম্মা ; বিনন্দ চন্দ্ৰ বৰুৱা ; বুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ ; বিশ্বনাথ ৰাজবংশী আৰু পৰাগ চলিহা ( প্ৰধান সম্পাদক )।

সভাপতি দেৱে আসন গ্ৰহণ কৰাৰ পিছত জয়ে জয়ে প্ৰধান সম্পাদক শ্ৰীচলিহাই কাৰ্য্য-নিৰ্ব্বাহক সভাৰ সদৌ সভ্যকে পৰস্পৰ চিনাকি কৰি দি সভাৰ নতুন কৰ্ম্মকৰ্ত্তা সকলক ওলগ জনায়।



সহকাৰী সম্পাদক নিৰ্ব্বাচন প্ৰসঙ্গত আলোচনা মুকলি কৰি প্ৰধান সম্পাদকে কয় যে যদিও বিষয়-বাচনি সভাত তেওঁ ভূতপূৰ্ব্ব প্ৰধান সম্পাদক দেৱে পৰামৰ্শ দিয়া মতে শুভাতৈয়াকৈ গুৱাহাটী আৰু যোৰহাটৰ দুজন সম্পাদক বাছি লৈছিল, পিচত নিয়মাৱলী আলোচনা কৰি দেখা গল যে সহঃ সম্পাদক নিৰ্ব্বাচন কাৰ্য্যনিৰ্ব্বাহক সভাতহে হব লাগে। সেই মতেই মুকলি সভাত সভাপতিদেৱে ঘোষণা কৰামতে নতুনকৈ সহঃ সম্পাদক নিৰ্ব্বাচন কৰা হওক বুলি প্ৰস্তাৱ উত্থাপন কৰা হয়। সভাই বিবেচনা কৰে যে যিহেতু প্ৰধান সম্পাদকৰ কাৰ্য্যালয় এই বছৰ শিৱসাগৰত হব সেই হেতু এগৰাকী সহঃ সম্পাদক প্ৰধান সম্পাদকে থাউকতে পোৱা হলে কাম সুচল হয়। তাৰোপৰি পুৰণা কাৰ্য্যকাৰকৰ লগত সম্পৰ্ক একেবাৰে বিচ্ছিন্ন হলে কাম নতুনকৈ চলোৱাত অসুবিধা হ'ব। বিতং আলোচনাৰ পিছত সভাই একমতে থিৰ কৰে যে সম্প্ৰতে যোৰহাটত প্ৰধান কাৰ্য্যালয়ৰ বাবে এজন সহঃ সম্পাদক নিৰ্ব্বাচন কৰি আন এজন পিছত আৱশ্যকমতে বাচি লোৱা হ'ব। সেই-মতে শ্ৰীব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰীৰ প্ৰস্তাৱত সৰ্ব্বসম্মতি ক্ৰমে ভূতপূৰ্ব্ব সহঃ সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীদেৱক যোৰহাটৰ প্ৰধান কাৰ্য্যালয়ৰ বাবে ন-কৈ সহঃ সম্পাদক ৰূপে নিৰ্ব্বাচিত কৰা হয়।

নতুন সম্পাদকে কাৰ্য্যভাৰ আনুষ্ঠানিক ভাৱে গ্ৰহণ কৰা প্ৰসঙ্গত আলোচনা কৰি থিৰ কৰা হয় যে যিহেতু যোৱা বছৰৰ কেইবাটাও কাম আধাষ্টৰীয়া হৈ আছে আৰু বিত্তীয় বছৰ যিহেতু মাৰ্চ্চৰ শেহলৈকে বোৱাত টকা-কড়িৰ লেনদেনত আউল লাগিব পাৰে, সেই হেতু নতুন সম্পাদকে আনুষ্ঠানিক ভাৱে কাৰ্য্যভাৰ অহা মাৰ্চ্চৰ কুৰি তাৰিখৰ ভিতৰত যোৰহাটৰ প্ৰধান কাৰ্য্যালয়ত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ এখন বৈঠক পাতি তাত এই কাম সম্পাদন কৰিব। কিন্তু তাৰ আগতেও এইবেলিৰ অধিবেশনত গৃহীত প্ৰস্তাৱাদিৰ সম্পৰ্কীয় যাৱতীয় ব্যৱস্থা নতুন সম্পাদকে কৰিবলৈ গাত লয়।

শ্ৰীকেশৱনাৰায়ণ দত্তৰ পৰা অহা চিঠি-পত্ৰ আলচি তাৰ উত্তৰ স্বৰূপে যথাবিহিত ব্যৱস্থা লবলৈ ভূতপূৰ্ব্ব সম্পাদকক ভাৰ দিয়া হয় আৰু এই সন্দৰ্ভত তেখেতক যথাযথ পৰামৰ্শ আগবঢ়োৱা হয়।

সামৰণি প্ৰসঙ্গত প্ৰঃ সম্পাদকে তেখেতৰ গুৰুভাৰ সম্পাদনত সকলোৰে পৰা দিহা-পৰামৰ্শ পাবলৈ আশা কৰে আৰু তেখেতে সাধ্যানুসৰি সভাৰ মৰ্য্যাদা আৰু গৌৰৱ বঢ়াই ৰখাত বদ্ধপৰিকৰ হব বুলি জনায়। সাহিত্য সভাৰ উন্নতিকল্পে কৰা সকলো কাম কাৰ্য্যনিৰ্ব্বাহক সভাৰ সমূহীয়া দায়িত্বতহে সম্পাদিত হয় বুলি সম্পাদকে সকলো সভ্যৰে পৰা গঠনমূলক দৃষ্টিভঙ্গীৰে সকলো কাৰ্য্যৰ প্ৰতি সহযোগিতা কামনা কৰে। ধনভঁৰালী শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা দেৱে সাহিত্য সভাৰ নতুন কাৰ্য্যপালিকাই ৰাইজৰ আস্থা সম্পূৰ্ণ-ৰূপে অক্ষুণ্ণ ৰাখিব পাৰিব বুলি আশা ৰাখে আৰু এই বিষয়ত যেন সদৌটিয়ে নিজ নিজ ধৰগুনি যোগোৱাত হেলা নকৰে তাৰ বাবে অনুৰোধ জনায়। সভাৰ মোখনি প্ৰসঙ্গত সভাপতি শৰ্ম্মাদেৱে অসমৰ চাৰি সীমা জুৰি সাহিত্য সভাৰ তথা অসমৰ জাতীয় উন্নতিৰ উদ্দেশ্যে এটা জাগৰণৰ সৃষ্টি কৰা সকলোৰে পৱিত্ৰ কৰ্ত্তব্য বুলি কৈ কাঃ নিঃ সভাক তৎপৰ, সজাগ আৰু কৰ্ম্মঠ হবলৈ আহ্বান জনায়।

**কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ দ্বিতীয় বৈঠক**
**স্থান ঃ-** ঘাই কাৰ্য্যালয় (চন্দ্ৰকান্ত সন্দিকৈ ভৱন)
**যোৰহাট**
**তাৰিখ ঃ- শনিবাৰ ইং ৬ এপ্ৰিল, ১৯৫৭।**

———

উপস্থিত :—সৰ্ব্বশ্ৰী বেণুধৰ শৰ্ম্মা ( সভাপতি ), অতুল চন্দ্ৰ হাজৰিকা ( উপ-সভাপতি ), শ্ৰীমিত্ৰদেৱ মহন্ত, প্ৰেমধৰ ৰাজখোৱা, শ্ৰীমান প্ৰফুল্ল গোস্বামী, ব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰী, সত্যেন্দ্ৰ নাথ শৰ্ম্মা ( পত্ৰিকা সম্পাদক ), বিশ্বনাৰায়ণ শাস্ত্ৰী, বিনন্দ চন্দ্ৰ বৰুৱা, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, বিশ্বনাথ ৰাজবংশী, জগতচন্দ্ৰ শৰ্ম্মা, বুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ, যতীন্দ্ৰনাথ গোস্বামী (সহঃ সম্পাদক) আৰু পৰাগ চলিহা (সম্পাদক)।

১। সভাপতিয়ে আসন গ্ৰহণ কৰাৰ পিছত জয়ে জয়ে সু-সাহিত্যিক শ্ৰীহৰমোহন দাস দেৱৰ বিয়োগত গভীৰ

শোক প্ৰকাশ কৰি সভাপতিৰ আসনৰ পৰা তলত দিয়া মতে প্ৰস্তাৱ দাঙি ধৰা হয় আৰু সদৌজন এক মিনিট সময় নীৰৱে থাকি প্ৰস্তাৱ গ্ৰহণ কৰে।

প্ৰস্তাৱ :—"অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আজিৰ এই সভাই সু-সাহিত্যিক আৰু শিক্ষাব্ৰতী শ্ৰীহৰমোহন দাসৰ পৰলোক প্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰে আৰু তেখেতৰ আত্মাৰ সদ্গতি তথা শান্তিৰ অৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনায়। অসমৰ সাহিত্য আৰু শিক্ষা প্ৰচাৰৰ কাৰণে স্বৰ্গীয় দাসৰ একনিষ্ঠ সেৱাৰ প্ৰশংসা কৰি অসম সাহিত্য সভাই শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

২। প্ৰধান সম্পাদকে আগৰ কাৰ্য্য-বিৱৰণী সমূহ পাঠ কৰে আৰু ধুবুৰীত বহা কাৰ্য্য-নিৰ্ব্বাহক সভাৰ পোন প্ৰথম বৈঠকৰ তাৰিখ ছপা হৈ যোৱা কাৰ্য্য-বিৱৰণী মতে ২৮।১।৫৭ নহৈ ২৮।১২।৫৬ কৰি শুধৰাই লোৱা হয়। সহকাৰী সম্পাদকে ধুবুৰীৰ ৰূপালী জয়ন্তী অধিবেশনৰ কাৰ্য্য-বিৱৰণী পাঠ কৰে আৰু সভাই এই সমূহ কাৰ্য্য-বিৱৰণী গ্ৰহণ কৰে।

৩। ভূতপূৰ্ব্ব সম্পাদক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে দিয়ামতে টকা-কড়িৰ বহী-পত্ৰ আৰু স্বাক্ষৰিত "লিষ্ট" মতে থকা আন নথি-পত্ৰ বৰ্ত্তমান সম্পাদক শ্ৰীপৰাগ চলিহাই গ্ৰহণ কৰে।

৪। প্ৰধান সম্পাদকে ধুবুৰী অধিবেশনত গৃহীত বিভিন্ন প্ৰস্তাৱ আদি সন্দৰ্ভত প্ৰধান মন্ত্ৰী প্ৰমুখ্যে কেন্দ্ৰীয় মন্ত্ৰী-দপ্তৰ, অসমৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, সাহিত্য একাডেমী, পুথিবছা সমিতি আদিৰ পৰা অহা চিঠি-পত্ৰ পাঠ কৰি শুনায়। এই চিঠি-পত্ৰ সমূহৰ, বিশেষকৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা চিঠিবোৰত যাৱতীয় প্ৰস্তাৱৰ প্ৰাপ্তি স্বীকাৰ আৰু সেইবোৰ বিবেচনাধীন বুলি জনোৱা হয়। "ডকুমেণ্টৰী ফিল্ম" সম্পৰ্কত, কেন্দ্ৰীয় চৰকাৰে দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত প্ৰচাৰৰ অৰ্থে হোৱা "ডকুমেণ্টৰী ফিল্ম"ত অসমীয়া ভাষা প্ৰয়োগ হোৱা বুলি জনায়। যোৱা বছৰ সাহিত্য একাডেমীৰ তৰফৰ পৰা অসমীয়া সাহিত্যক পুৰস্কৃত কৰোৱা বিষয়ৰ প্ৰস্তাৱ সন্দৰ্ভত সাহিত্য একাডেমীয়ে অসমৰ বিভিন্ন ব্যক্তিৰ পৰা অসমীয়া পুস্তকৰ যোগ্যতাৰ বিষয়ে মত লৈছিল বুলি সাহিত্য একাডেমীৰ পৰা জনা যায় আৰু এনে মত একাডেমীয়ে কোনো অনুষ্ঠানৰ পৰা নলৈ ব্যক্তি-বিশেষৰ পৰা লোৱা নীতিহে মানে বুলি চিঠিত কোৱা হয়। অসমৰ পুথিবছা সমিতিৰ পৰা অহা চিঠি আলচি তেওঁলোকে এই সমিতিত মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শ মতে কেৱল শিক্ষাৰ লগত জড়িত ব্যক্তিকেহে লয় বুলি কোৱা যুক্তিৰ উত্তৰত অতদিনে চলি থকামতে সাহিত্য সভাপতি আদিক অন্তৰ্ভুক্ত নকৰাটো পৰিতাপৰ কথা বুলি জনাই কোৱা হয় আৰু সাহিত্য সভাৰ ভিতৰত শিক্ষাৰ লগত সংশ্লিষ্ট লোকৰ অভাৱ বুলি নধৰি জনাই মূল প্ৰস্তাৱ অনুসৰি পুথিবছা সমিতিত তিনিজন সাহিত্য সভাৰ প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰি লবলৈ কৰ্ত্তৃপক্ষক দাবী জনাবলৈ থিৰ কৰে।

প্ৰধান সম্পাদকে 'নেফা'ৰ অসমীয়া ভাষা সম্পৰ্কত বাতৰি কাকতত প্ৰকাশ হোৱা জনজাতীয়সকলৰ তৰফে ৰাজ্যপাললৈ দিয়া স্মাৰক পত্ৰ, "নতুন অসমীয়া" আৰু "অসম ট্ৰিবিউন"ৰ সম্পাদকীয় টোকাৰ প্ৰতি সমিতিৰ দৃষ্টি আকৰ্ষণ কৰি বিৱৰণ দিয়ে আৰু সকলোৱে এনে আশাপ্ৰদ পৰিস্থিতিৰ বাবে আনন্দ প্ৰকাশ কৰি অচিৰে তাত অসমীয়া ভাষা পুনৰ প্ৰৱৰ্ত্তনৰ বিষয়ত আৱশ্যকীয় প্ৰচাৰ আদিৰ প্ৰয়োজনীয়তা দৰ্শায়।

৫। সভাৰ নতুন বছৰৰ আঁচনিৰ বিষয়ে শিলচৰ, হাইলাকান্দি, বৰপেটা, বঙাইগাওঁ আৰু বেবেজীয়া সাহিত্য সভাৰ পৰা অহা আঁচনি আৰু ব্যক্তিগত ভাৱে সৰ্ব্বশ্ৰী অজিতকুমাৰ শৰ্ম্মা, ব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী, জগতচন্দ্ৰ শৰ্ম্মা, নকুলচন্দ্ৰ ভূঞা, শ্ৰীৰামচন্দ্ৰ দাস, বিশ্বনাৰায়ণ শাস্ত্ৰী, ফণী তালুকদাৰৰ পৰা আঁচনি আলোচনা কৰি মূলতঃ তলত দিয়া মতে ৪টা ( চাৰিটা ) বিষয়ত আৱশ্যকীয় আঁচনি এখন তৈয়াৰ কৰি কামত আগ বাঢ়িবলৈ সভাপতি আৰু সম্পাদকক ( আৱশ্যক মতে আন সদস্যৰ সহযোগত ) ভাৰ দিয়া হয়।

বিষয় সমূহ :—

(১) উত্তৰ-পূৱ সীমান্ত অঞ্চলত সম্প্ৰীতি স্থাপন, অসমীয়া ভাষা পুনৰ প্ৰৱৰ্ত্তন আদি।

(২) আগন্তুক নিখিল ভাৰত কংগ্ৰেছ অধিবেশনত প্ৰচাৰ-প্ৰদৰ্শনীৰ ব্যৱস্থা।



(৩) আৱশ্যকীয় পুথি প্ৰকাশ।

(৪) কাছাৰ আৰু গোৱালপাৰাত অসমীয়া শিক্ষা দানৰ ব্যৱস্থা, সংগঠন আদি।

৬। প্ৰধান সম্পাদকৰ বাবে শিৱসাগৰত কাৰ্য্যালয় খুলি তাৰ বাবে ২৫৲ পঁচিশ টকাকৈ মাহিলি ভাৰা মঞ্জুৰ কৰা হয়। প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ত আৰু যোৰহাটৰ ঘাই কাৰ্য্যালয়ৰ বাবে যথাক্ৰমে ৪০৲ আৰু ৫০৲ টকা মাহিলি বেতনৰ দুজন কৰ্ম্ম-সচিব নিযুক্ত কৰিবলৈ সম্পাদকক কৰ্ত্তৃত্ব দিয়া হয়। সম্প্ৰতি গুৱাহাটীৰ কাৰ্য্যালয় আগৰ ভাৰা নিৰিখতে অহা জুন মাহলৈকে চালু ৰখা থিৰ হয় আৰু সভাপতিদেৱে সংগঠন সংক্ৰান্ত ভ্ৰমণত এজন সহকাৰীক লগত নিয়া বিষয়ে সিদ্ধান্ত কৰা হয়।

৭। "আবৰ অসমীয়া" শিক্ষা বিষয়ক পুথিখন পুথি প্ৰকাশক সমিতিৰ অনুমোদন সাপেক্ষে বিশেষজ্ঞৰ হতুৱাই পৰীক্ষা কৰোৱাই ছপা কৰিবলৈ থিৰ কৰা হয়।

৮। উল্লিখিত আঁচনিৰ সম্পৰ্কত চৰকাৰৰ পৰা আৱশ্যকীয় অনুদান বিচাৰি কৰ্ত্তৃপক্ষৰ ওচৰলৈ যাবলৈ তলত দিয়া সভ্যসকলক লৈ এটা সজাতি দল গঠন কৰা হয়।

সভ্য—সভাপতি, প্ৰঃ সম্পাদক, উপ-সভাপতি, শ্ৰীৰবীন্দ্ৰনাথ বৰুৱা, ডাঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীমান প্ৰফুল্ল গোস্বামী। ইয়াৰ উপৰিও সম্পাদকে আৱশ্যক হলে সভ্য যোগ কৰিব পাৰিব।

৯। যথা সম্ভৱ নতুন ন্যাস পুঁজি গঠন কৰাত তৎপৰ হবলৈ সম্পাদকক পৰামৰ্শ দিয়া হয়।

১০। বিবিধ বিষয়ৰ আলোচনা কৰি এই মৰ্ম্মে সিদ্ধান্ত গ্ৰহণ কৰা হয়—

(১) নেফাত অসমীয়া ভাষা পুনৰ প্ৰৱৰ্ত্তনৰ দাবী কৰি আগৰ দৰে ৯ জুন তাৰিখ "নেফা অসমীয়া ভাষা দিৱস" ৰূপে শোভাযাত্ৰা, সভা আদিৰ জৰিয়তে সদৌ অসম জুৰি পালন কৰিবলৈ থিৰ কৰা হয়।

(২) যোৱা বছৰ দিল্লীত বহা U. N. E. S. C. O. অধিবেশন উপলক্ষে শ্ৰীশিৱপ্ৰসাদ বৰুৱাই প্ৰস্তুত আৰু প্ৰকাশ কৰা "Brochure on the Assamese Literature and Culture" পুথিৰ বাবে সন্তুষ্টি প্ৰকাশ কৰি তেখেতক ২০০৲ টকীয়া এটি অনুদান দিবলৈ থিৰ কৰে।

(৩) স্বৰ্গগত অসমীয়া বিখ্যাত সাহিত্যিকসকলৰ সোঁৱৰণী তিথিৰ তালিকা এখন প্ৰস্তুত কৰিবলৈ সভাপতি শৰ্ম্মাদেৱক অনুৰোধ কৰা হয় আৰু সদৌ শাখা সভালৈ এই তিথিসমূহ পালন কৰিবৰ অৰ্থে পৰামৰ্শ আগ বঢ়োৱা হয়।

(৪) ভাগলপুৰলীৰ ২য় তাণ্ডৱণত বৰ্ত্তমান সভাপতি শ্ৰীবেণুধৰ শৰ্ম্মাৰ ভাষণ উপকৰাকৈ ১০০০ কপি ছপাবলৈ সভাপতিয়ে দিহা দিয়া মতে অনুমোদন কৰা হয়।

(৫) পত্ৰিকা সম্পাদনা সমিতি এইৰূপে গঠন কৰা হয়—

(১) প্ৰধান সম্পাকদ—শ্ৰীপৰাগধৰ চলিহা

(২) শ্ৰীপ্ৰফুল্ল দত্ত গোস্বামী, ডি. ফিল.

(৩) শ্ৰীনৱকান্ত বৰুৱা, এম. এ.

(৪) অধ্যক্ষ হেম বৰুৱা

(৫) শ্ৰীলক্ষ্মীনাথ দাস, এম. এচ-চি.

(৬) শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী

# সম্পাদকৰ দুআষাৰ

## আমাৰ ক্ৰুটি স্বীকাৰ :

ধুবুৰীত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিৱেশনত পত্ৰিকা সম্পাদনাৰ ভাৰ আমাৰ ওপৰত ন্যস্ত হয়। প্ৰাক্তন সম্পাদকৰ সম্পাদনাত চ'ত মাহলৈকে পত্ৰিকা ওলায়। ইতিমধ্যে উপযুক্ত প্ৰবন্ধৰ অভাৱত আৰু আমি নিজেও এৰাব নোৱাৰা বহুত কামৰ লেঠাত লিপ্ত থাকিব লগাত এই সংখ্যা পত্ৰিকা প্ৰকাশ কৰাত অযথা পলম হৈ গ'ল। পাঠক-সমাজ আৰু গ্ৰাহক-গ্ৰাহিকাৰ ওচৰত আমি সেই কাৰণে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। পাছৰ সংখ্যা দুটাই নিয়মিত-ভাৱে যাতে ৰাইজৰ আগত দেখা দিয়ে তাৰ চেষ্টাত থকা হৈছে। এই প্ৰসঙ্গত লেখকসকললৈকো অনুৰোধ জনোৱা হ'ল যেন তেখেতসকলে প্ৰবন্ধাদিৰে আমাক সহায় কৰে।

## সাময়িক প্ৰসঙ্গ :

(১) **তেল-শোধনাগাৰ :**—ৰাজ্যিক চৰকাৰৰ অনুৰোধ-উপৰোধ উপেক্ষা কৰি, অসমৰ জনমতক অগ্ৰাহ্য কৰি আৰু নেতাসকলৰ মৌখিক প্ৰতি-শ্ৰুতিও ভঙ্গ কৰি কেন্দ্ৰীয় চৰকাৰে অসম তেল কোম্পানীৰ হাতত বান্দৰ নচা দি বিহাৰৰ বাৰাউনিত তেল শোধনাগাৰ পতাৰ সিদ্ধান্ত লয়। অসমত তেল শোধনাগাৰ স্থাপনৰ ওপৰত এই ৰাজ্যৰ ঔদ্যোগিক বিকাশ বহু পৰিমাণে নিৰ্ভৰ কৰিছে। অসমৰ তেল সম্পদৰ পৰা যদি অসমৰ ৰাইজ উপকৃত নহয় তেন্তে তাতকৈ দুৰ্ভাগ্যৰ কথা একো হব নোৱাৰে। এই কাৰণেই অসমৰ পৰ্ব্বত-ভৈয়ামৰ ৰাইজ একগোট হৈ কেন্দ্ৰীয় চৰকাৰৰ অন্যায় সিদ্ধান্তৰ প্ৰতিবাদ কৰে আৰু ৰাজ্যিক চৰকাৰেও এটা শক্তিশালী সজাতিদল পঠাই কেন্দ্ৰীয় চৰকাৰক অসমৰ জনমত জনায় আৰু অসমত তেল শোধনাগাৰ স্থাপন যে আৰ্থিক-ফালৰ পৰা ক্ষতিজনক নহয় তাৰ সপক্ষে যুক্তি দৰ্শাই গুৱাহাটীত শোধনাগাৰ স্থাপনৰ দাবী কৰে। অসমৰ জনমতৰ হেঁচা আৰু ৰাজ্যিক চৰকাৰৰ সবল যুক্তি ওফৰাব নোৱাৰি অসমত শোধনাগাৰ স্থাপনৰ এখন আঁচনি তৈয়াৰ কৰিবলৈ নিৰ্দ্দেশ দি সাময়িক ভাৱে বাৰাউনিত প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত স্থগিত ৰাখে। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্ত স্থগিত-কৰণ কাৰ্য্য অসমৰ ৰাইজ আৰু চৰকাৰক ভুৱা দিবৰ উদ্দেশ্যে যাতে নহয় তাকেই আমি আশা আৰু কামনা কৰোঁ।

(২) **নেফাত অসমীয়া ভাষা :**

অসমৰ উত্তৰ-পূব আৰু দক্ষিণ-পূব অঞ্চলৰ জনজাতিৰ বিভিন্ন খেলৰ মাজত অসমীয়া ভাষা ভাৱ-প্ৰকাশৰ বাহন স্বৰূপে পুৰণি কালৰ পৰাই প্ৰচলিত হৈ আহিছে। কেন্দ্ৰীয় চৰকাৰৰ শাসনাধীন এই অঞ্চলৰ পৰা অসমীয়া ভাষাক বৰ্ত্তমানে বহিষ্কাৰ কৰাৰ অপচেষ্টা চলা দেখা গৈছে। নেফা অঞ্চলৰ প্ৰশাসনৰ আভ্যন্তৰীণ অৱস্থা আৰু ব্যৱস্থা লৌহ আৱৰণেৰে ঢাকি ৰখা হৈছে, কিন্তু তাৰ মাজেদিয়েই যি দুই চাৰিটা খবৰ সংগ্ৰহ কৰা গৈছে তাৰ পৰাই পৰিষ্কাৰ ভাৱে ওলাই পৰে যে কেন্দ্ৰীয় চৰকাৰৰ উদ্দেশ্য এই



অঞ্চলক বিহাৰ, উত্তৰ প্ৰদেশ আদিৰ উপনিবেশ-ৰূপে ৰখা। ইংৰাজ চৰকাৰে উপনিবেশ ৰক্ষণ আৰু প্ৰশাসনৰ নিমিত্তে ইংৰাজী ভাষা জাপি দিয়াৰ দৰে কেন্দ্ৰীয় চৰকাৰেও সবল জনজাতীয় ছাত্ৰসকলৰ ওপৰত হিন্দী ভাষা জাপি দিয়াৰ ব্যৱস্থা কৰা দেখা গৈছে। জনজাতীয় ছাত্ৰৰ কাৰণে ইংৰাজী বা ফ্ৰান্স ভাষা যেনে অপৰিচিত, হিন্দীও তদ্ৰূপ। অথচ পুৰণি কালৰে পৰা নানা-ভাৱে লেনদেন থকা অসমীয়া ৰাইজৰ পৰা সিহঁতক আঁতৰাই নিয়াৰ আৰু অসমীয়া ভাষাকো সেই অঞ্চলৰ স্কুল-অফিচ আদিৰ পৰা বহিষ্কাৰ কৰাৰ এটা প্ৰণালীবদ্ধ ষড়যন্ত্ৰ আৰু চেষ্টা নেফা কৰ্তৃপক্ষই চলোৱা দেখা গৈছে। ফলত বহুতো জনজাতীয় ছাত্ৰই হিন্দী ভাষা আয়ত্ব কৰিব নোৱাৰি আৰু অসমীয়া ভাষা শিকাত কৰ্তৃপক্ষৰ পৰা বাধা পাই পঢ়াশালি এৰিব লগাত পৰিছে। নেফা অঞ্চলত বহুতো স্কুল ছাত্ৰৰ অভাৱত বন্ধ কৰি দিবলৈ বাধ্য হৈছে। নেফা-কৰ্তৃপক্ষই অৱশ্যে সত্যক গোপন কৰি অন্য ভুৱা কাৰণ দৰ্শোৱাত বিশেষ ব্যুৎপত্তি লাভ কৰা যেন দেখা গৈছে। "অৱস্তুক দেখাৱয় বস্তুক আবৰি, সেহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি" বুলি ভগৱানে মায়াৰ স্বৰূপ নিৰ্দ্দেশ কৰিছে। নেফা-কৰ্তৃপক্ষই এই "মায়া শক্তি"ক আয়ত্ব কৰি লোৱা যেন লাগে। নহলেনো লোকসভাত নেফা-অঞ্চলত হিন্দী ভাষা প্ৰৱৰ্ত্তন কৰা সম্পৰ্কে শ্ৰীমতী লক্ষ্মী মেনন আৰু প্ৰধান মন্ত্ৰী নেহৰুৱে দুটি পৰস্পৰ-বিৰোধী যুক্তি দাঙি ধৰেনে? নেহৰুৱে কয় যে জনজাতিৰ ইচ্ছাৰ বিৰুদ্ধে হিন্দী জাপি দিয়া নহব, কিন্তু শ্ৰীমতী মেননে কয় যে যিহেতু হিন্দী ৰাষ্ট্ৰভাষা সেই কাৰণে হিন্দী শিকোৱাৰ ব্যৱস্থা বাধ্যতামূলক ভাৱে কৰা হৈছে। টিউৱেনচাং আৰু লোহিত সীমান্ত এজেঞ্চিৰ বহুতো ছাত্ৰই অসমীয়া ভাষা ৰহিত কৰা ব্যৱস্থাৰ বিৰুদ্ধে স্মাৰকপত্ৰ ৰাজ্যপালৰ ওচৰত দাখিল কৰিছিল—তাৰ ফল এই পৰ্য্যন্ত হোৱা নাই। যোৱা বছৰ ৰাজ্যপাল আৰু গৃহমন্ত্ৰী পন্থই সাহিত্য সভাৰ সজাতি দলক মৌখিক ভাৱে আশ্বাস দিছিল যে সীমান্ত অঞ্চলত ভাষা সম্পৰ্কে স্থিতাৱস্থা (Status-quo) ৰক্ষা কৰা হব। কিন্তু আশ্বাসৰ বিপৰীতেহে কাৰ্য্যই ৰূপ লোৱা দেখা গৈছে। কেন্দ্ৰীয় চৰকাৰে অচিৰেই এনে আত্মঘাতী নীতি পৰিত্যাগ কৰি পৰ্ব্বত আৰু ভৈয়ামৰ মাজত সম্প্ৰীতি স্থাপনৰ পন্থা হাতত লোৱা উচিত। সম্প্ৰীতি স্থাপনৰ প্ৰথম কাম হ'ব নেফা-অঞ্চলত অসমীয়া ভাষাক জনপ্ৰিয় কৰি তোলা। পঞ্চদশ বছৰৰ প্ৰথম সংখ্যাৰ পত্ৰিকাৰ সম্পাদকীয় মন্তব্যত নেফা প্ৰশাসন ব্যৱস্থা আৰু অসমীয়া ভাষাৰ প্ৰতি ব্যৱহাৰ সম্পৰ্কে সাহিত্য সভাৰ তথা অসমীয়া ৰাইজৰ মত দাঙি ধৰা হৈছিল। আমি পুনৰ দৃঢ়-ভাৱে জনাব খোজো যে নেফাতে অসমীয়া ভাষাৰ প্ৰৱৰ্ত্তন আৰু প্ৰসাৰে অসমীয়া ভাষাৰ স্বাৰ্থ ৰক্ষাতকৈয়ো ভাৰতীয় ঐক্যহে সাধন কৰাত সহায় কৰিব।

(৩) **অসম চৰকাৰ আৰু সাহিত্য প্ৰকাশ :**

পুৰণি কালত ৰজা-মহাৰজাবিলাকৰ পৃষ্ঠ-পোষকতাত সাহিত্যৰ উন্নতি সাধন হৈছিল। আধুনিক যুগত অৱশ্যে সাহিত্য ৰাজদৰবাৰৰ পৰা ওলাই আহি জনসমাজৰ মাজত স্থিতি লাভ কৰিছে। তথাপি ৰজাসকলৰ ঠাইত প্ৰশাসনৰ গাদীত যিসকল অধিষ্ঠিত হৈছে তেওঁলোকৰ সাহিত্যৰ প্ৰতি দায়িত্ব নোহোৱা নহয়। আগৰ বিদেশী শাসকসকল আমাৰ সাহিত্য-সুকুমাৰ কলাৰ প্ৰতি উদাসীন থকাতো একো আচৰিত

নহয়। বৰং আচৰিত হব লাগিব যদি আমাৰ নিজা চৰকাৰে এইবোৰৰ প্ৰতি উদাসীনতা দেখুৱায়। কেন্দ্ৰীয় চৰকাৰে সাহিত্য একাডেমী আৰু সঙ্গীত নাটক একাডেমীৰ যোগেদি কিছু কাম হাতত লৈছে। অসমত সঙ্গীত-নাটক একাডেমীৰ এটা শাখা আছে যদিও সি নিৰ্জীৱ বা অলস। কিন্তু সাহিত্যৰ উন্নতিকল্পে আমাৰ অসম চৰকাৰে বিশেষ একো কৰা নাই বুলিলেও হয়। আমাৰ প্ৰতিবেশী পশ্চিম বঙ্গৰ চৰকাৰে সাহিত্য পৰিষদ, এছিয়াটিক চোচাইটি আদি অনুষ্ঠানত বাৎসৰিক অনুদান হিচাপে ২০।২৫ হেজাৰকৈ দিয়াৰ উপৰিও গ্ৰন্থাদি প্ৰকাশতো যথেষ্ট উৎসাহ প্ৰদৰ্শন কৰিছে; ৰবীন্দ্ৰ প্ৰাইজ আদিৰ যোগেদি লিখকসকলক উৎসাহিত কৰিছে। আনকি "পথেৰ পাচাঁলী"ৰ দৰে কথা-ছবি উলিয়াই কলা-কৃষ্টিৰ উৎকৰ্ষ সাধনত সহায় কৰিছে। আমাৰ চৰকাৰৰ উদাসীনতা তুখলগা। কেইবছৰমানৰ আগতে পৃথিবীৰ বিখ্যাত গ্ৰন্থ কিছুমান অসমীয়ালৈ অনুবাদ কৰাৰ এটা আঁচনি তৈয়াৰ কৰা বুলি শুনিছিলোঁ, কিন্তু তাৰ পাছত ভালেখিনি টকাৰ প্ৰয়োজন হব বুলি মন্তব্য কৰি সেই আঁচনি স্থগিত ( পৰিহাৰ ? ) ৰাখে। অলপতে কেন্দ্ৰীয় শিক্ষা বিভাগৰ সহকাৰী মন্ত্ৰী ডাক্তৰ শ্ৰীমালীয়ে সংস্কৃতি সম্পৰ্কীয় গ্ৰন্থ, পুৰণি পুথি আদি প্ৰকাশ কৰিব খুজিলে ৰাজ্যিক চৰকাৰক ২ : ১ অনুপাতত অনুদান দি সহায় কৰিব বুলি লোকসভাত জনাইছিল। আমাৰ অসম চৰকাৰে এই সুবিধা গ্ৰহণ কৰি অসমীয়া গ্ৰন্থ প্ৰকাশ কৰাত সহায় কৰিব বুলি আমি আশা ৰাখিলোঁ।

এই প্ৰসঙ্গত আমি আমাৰ চৰকাৰক জনাব খোজোঁ যে সাহিত্য সভাক বৰ্ত্তমানে যি বাৎসৰিক অনুদান দিয়া হয় সেই টকাৰে বিশেষ একো গঠনমূলক আঁচনি লব পৰা সম্ভৱ নহয়। সাহিত্য সভাৰ বাৎসৰিক অনুদান বঢ়াই দিয়াৰ নিতান্ত প্ৰয়োজন। তাৰ উপৰিও উপযুক্ত পুথি প্ৰকাশৰ কাৰণে এটা আছুতীয়া পুঁজীৰ প্ৰয়োজন। অসম চৰকাৰে উদাৰ ভাৱেৰে এই বিষয়ত সাহিত্য সভাৰ নিচিনা অনুষ্ঠানক সহায় কৰি আমাৰ জাতীয় সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিব বুলি আমি আশা কৰিলোঁ।

---

## জাননী

অসম সাহিত্য সভাৰ সকলো শাখা আৰু স্বীকৃত সভাৰ সভ্যভৰ্ত্তি পুনৰ্গঠন, বৰঙণি-তালিকা, পত্ৰিকা আদি শাখা সভা সংক্ৰান্ত সকলো বিষয়ৰ যোগাযোগ সভাৰ মূল কাৰ্য্যালয়ত ( যোৰহাট ) থকা সহকাৰী সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী দেৱৰ লগত ৰাখিবলৈ সংশ্লিষ্ট সদৌজনকে জনোৱা হ'ল। ইতি

স্বাঃ—শ্ৰীপৰাগ চলিহা
প্ৰধান সম্পাদক
অঃ সাঃ সভা

## পত্ৰিকাৰ নিয়মাৱলী

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰপৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৲।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি ( ষোড়শ বছৰৰ কাৰণে ) এপিঠিত, ফটফটীয়াকৈ লিখি, "ডাঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, বিহাবাৰী গুৱাহাটী" এই ঠিকনাত পঠাব। সকলো টকা-কড়ি আৰু কাকত সম্পৰ্কে চিঠি-পত্ৰ "শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট" এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গবেষণামূলক প্ৰবন্ধইহে ইয়াত ঠাই পাব।

## জাননীৰ নিৰিখ

| | | |
|---|---|---|
| এপিঠিত | ৪০৲ | ( প্ৰতি সংখ্যাত ) |
| আধা পিঠিত | ২২৲ | ( „ „ ) |
| সিকি পিঠিত | ১২৲ | ( „ „ ) |
| বেটুপাতৰ ৩য় পিঠিত | ৪৫৲ | ( „ „ ) |
| বেটুপাতৰ ৪ৰ্থ পিঠিত | ৫০৲ | ( „ „ ) |

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
সহকাৰী সম্পাদক
অসম সাহিত্য সভা
যোৰহাট

# অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত পুথি

**অসম সাহিত্য সভাৰ ভাৱণাৱলী** ( প্ৰথম ভাগ )—অসম সাহিত্য সভাৰ প্ৰথম বাৰজন সভাপতিৰ ( ৺পদ্মনাথ গোহাঞি বৰুৱা, কালিৰাম মেধি, অমৃতভূষণ দেৱ অধিকাৰী, হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ, বেণুধৰ ৰাজখোৱা, তৰুণৰাম ফুকন, লক্ষ্মীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু শ্ৰীমফিজুদ্দিন আহমদ হাজৰিকা ) বহুমূলীয়া আৰু তথ্যপূৰ্ণ অভিভাষণ আৰু তেওঁলোকৰ চমু চিনাকি এই গ্ৰন্থত পাব। সাহিত্য সভাৰ পুৰণি বিষয়-বৰীয়াসকলৰ তালিকা আদিয়েও পুথিৰ মূল্য বঢ়াইছে। বেচ ৮৲ টকা ( সভাৰ সভ্যৰ কাৰণে ৬৲ টকা )।

**অসম সাহিত্য সভা বাৰ্ষিকী** ( প্ৰথম ভাগ )—অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ অধিবেশনৰ সভানেত্ৰী শ্ৰীযুতা নলিনীবালা দেৱী, অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত ৰাধানাথ ফুকন, বুৰঞ্জী শাখাৰ সভাপতি শ্ৰীযুত সুৰেশচন্দ্ৰ ৰাজখোৱা, বিজ্ঞান শাখাৰ সভাপতি ডঃ হিৰণ্যচন্দ্ৰ ভূঞাৰ অভিভাষণ আৰু প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত মূল্যবান বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা ( সভ্যৰ কাৰণে এটকা )।

**অসম সাহিত্য সভা বাৰ্ষিকী** ( দ্বিতীয় ভাগ )—অসম সাহিত্য সভাৰ চতুৰ্ব্বিংশ অধিবেশনৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা, অভ্যৰ্থনা সমিতিৰ সভাপতি ন্যায়াধীশ শ্ৰীযুত হলীৰাম ডেকা, বিজ্ঞান শাখাৰ সভাপতি ডঃ ৰোহিণীকান্ত বৰুৱা, বুৰঞ্জী শাখাৰ সভাপতি ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা, ( সভ্যৰ কাৰণে আধা )।

**শ্ৰীশ্ৰীব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ**—বলোৰাম দ্বিজ ৰচিত। শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ ৩য় গ্ৰন্থ। বেচ এটকা ( সভ্যৰ কাৰণে আধা )।

**সাত্বত তন্ত্ৰ**—ভাগৱতী মিশ্ৰ বিৰচিত। শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ ৪ৰ্থ গ্ৰন্থ। বেচ দহ অনা ( সভ্যৰ কাৰণে আধা )।

**লৱ-কুশৰ যুদ্ধ** ( সচিত্ৰ )—হৰিবৰ বিপ্ৰ ৰচিত। শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ ৫ম গ্ৰন্থ। ডঃ মহেশ্বৰ নেওগ সম্পাদিত। বেচ দুটকা ( সভ্যৰ কাৰণে আধা )।

**বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা** ( প্ৰথম ভাগ )—১৮৪৬ চনৰপৰা বৰ্ত্তমান সময়লৈকে অসমীয়া আলোচনীত প্ৰকাশিত বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা। ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। বেচ দুটকা ( সভ্যৰ কাৰণে আধা )।

**শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ** ( ৰমাকান্ত দ্বিজ ৰচিত )—শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ ২য় গ্ৰন্থ ( নতুন প্ৰকাশ, ১৯৫৬ চন )। বেচ বাৰ অনা। ( সভ্যৰ কাৰণে ।৵০ ) ডাক খৰচ সুকীয়া।

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
সহকাৰী সম্পাদক
অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট

অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা কলিকতা ৬৬ গ্ৰে ষ্ট্ৰীট নৱজীৱন প্ৰেছৰপৰা মুদ্ৰিত আৰু যোৰহাট কাৰ্য্যালয়ৰপৰা প্ৰকাশিত হল।